# শীতকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখ ঃ ৫/১২/২০১৯ বৃহস্পতিবাৰ

**পুৱা ৯.৩০ বজাৰ লগে লগে অসম বিধান সভাৰ মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত অসম বিধান সভাৰ ইংৰাজী ০৫-১২-২০১৯ তাৰিখৰ সদনৰ কাৰ্য্যক্ৰমণিকা আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** Speaker's initiativeৰ যিটো Motion আছে সেইটো Move কৰিবলৈ সন্মানীয় বিধায়ক শ্ৰীভবেন্দ্ৰ নাথ ভৰালীক , অনুৰোধ কৰিছো।

**শ্ৰীভবেন্দ্ৰ নাথ ভৰালী (দেৰগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সাংবিধানিকভাবে ৰক্ষণা বেক্ষণ লাভ কৰা স্বত্বেও অসমৰ অনুসুচীত জাতি -জনজাতি লোকসকলৰ কিছু সমস্যা অসম বিধান সভাৰ মজিয়াত বহুলভাবে আলোচনা নোহোৱাকৈ পৰি ৰৈছে। যিবোৰ পুংখানুপুংখভাবে আলোচনা কৰাৰ প্ৰয়োজন আছে। সেয়ে অসমত বাস কৰা অনুসুচীত জাতি- জনজাতি লোকসকলৰ আৰ্থ সামাজিক উন্নয়ন আৰু বিকাশৰ বাবে চিন্তা কৰাও আমাৰ এক নৈতিক দায়িত্ব। সেই দায়িত্ব সন্মূখত ৰাখি অসম বিধান সভাৰ মাননীয় অধ্যক্ষৰ উদ্যোগ শিতানত আমি অনুসুচীত জাতি - জনজাতি আৰ্থসামাজিক উন্নয়ন আৰু বিকাশৰ বিষয়টোৰ ওপৰত এক নিৰপেক্ষ, নিৰ্মোহ পৰ্য্যালোচনা আৰু গঠনমূলক আলোচনাৰে ইতিবাচক দিশবোৰ নিৰ্ণয় কৰা হওঁক বুলি মই এই প্ৰস্তাৱটো উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটিত ৫ গৰাকী সন্মানীয় বিধায়ক- বিধায়িকাই চহী কৰিছে। মই কেৱল এইটোহে কওঁ যে , বাকী সকলোৰে অংশ গ্ৰহণ কৰিবলৈ সুযোগ পাব। যিখিনি কথা এগৰাকী সদস্যই কয় সেইখিনি যাতে পুনৰাবৃত্তি নোহোৱাকৈ পৰৱৰ্ত্তী সদস্যগৰাকীয়ে কয়, তেতিয়া আমাৰ সময়টো ৰাহি কৰাত সহজ হ'ব। সেই কাৰণে মই সকলোকে ১০-১৫ মিনিটৰ ভিতৰত speech টো সমাপ্ত কৰিলে ভাল পাম যাতে আমি বেচিকৈ সদস্যসকলক সুবিধা দিব পাৰো। শেষৰ ফালে অলপ সময় আমি ৰাখিব লাগিব যিহেতু আমাৰ বিল দুখন আছে। মই সন্মানীয় সদস্য ভবেন্দ্ৰ নাথ ভৰালীক এইটো Initiate কৰিবৰ কাৰণে অনুৰোধ কৰিছো। ডাঃ ৰণোজ পেগু, মনেশ্বৰ ব্ৰহ্ম, ডাঃনোমল মমিন, নন্দিতা দাসৰ ইয়াত স্বাক্ষৰ আছে। আপুনি প্ৰথমে আৰম্ভ কৰক।

**শ্ৰীভবেন্দ্ৰ নাথ ভৰালী (দেৰগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমে আপোনালৈ আমি আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিছো। "অধ্যক্ষৰ উদ্যোগ " এই শিতানত আজিৰ দিনটোত অসমৰ অনুসুচীত জাতি-জনজাতিসকলৰ আৰ্থসামাজিক উন্নযন আৰু বিকাশৰ সম্পৰ্কত এই ব্যৱস্থাটো লোৱাৰ বাবে আমি আপোনাক কৃতজ্ঞতা জ্ঞাপন কৰিছো। বিশেষভাবে অসমৰ অনুসূচীত জাতি-জন জাতি লোকসকলক ভাৰতৰ সংবিধানত ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে এই সংৰক্ষণৰ সুবিধাটো দিছিল। এই সংৰক্ষণৰ সুবিধাটো প্ৰকৃতাৰ্থত বৈদিক যুগৰ ভাৰতীয় সংস্কৃতিৰ যি ৪ টা বৰ্ণৰ উল্লেখ আছে - ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ- এই চাৰি জাতিৰ কৰ্মভেদে ভাগ কৰা হৈছিল। কালক্ৰমে এই ৪ জাতিৰ লোকসকলক পৰিয়ালতান্ত্ৰিক ভাবে সেই ব্যৱস্থাৰ অধীনত থকাৰ বাবে সংৰক্ষণ ব্যৱস্থাটো ৰাখিব লগা হ'ল। কিন্তু অসমৰ ক্ষেত্ৰত ইয়াৰ কিছু পাৰ্থক্য আছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ জৰিয়তে অসমৰ বিভিন্ন জনগোষ্ঠী সকলক লগত লৈ এক শক্তিশালী অসমীয়া সমাজ গঢ়ি থৈ গৈছে। য'ত ইছলাম ধৰ্মৰ লোকো আছে। কৈৱৰ্ত্ত সকল আছে, জন জাতি লোকসকলৰ প্ৰতিনিধিকলৈ তেখেতে ধৰ্ম প্ৰচাৰ কৰি আজিৰ পৰা প্ৰায় ৫০০ বছৰ আগতে অসমত

এখন সুন্দৰ শক্তিশালী সমাজ গঢ়ি থৈ গৈছে। যাৰ ফলত ভাৰতৰ সংস্কৃতিতকৈ অসমৰ সংস্কৃতিৰ অলপ পাৰ্থক্য আছে। পাৰ্থক্য থাকিলেও পৰৱৰ্ত্তী পৰ্য্যায়ত অসমে এই ক্ষেত্ৰত আন আন ৰাজ্যৰ তুলনাত কিছু সবল ভূমিকা ল'ব পাৰিছে। একমাত্ৰ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্ম প্ৰচাৰৰ জৰিয়তে সমাজ শক্তিশালী কৰাৰ ব্যৱস্থা কৰা হৈছিল। তথাপিও অসমৰ সংস্কৃতিত প্ৰত্যেকটো জনগোষ্ঠীৰ জনজাতিয়ে হওঁক বা অনুসূচীত জনজাতিয়ে হওঁক বা বিভিন্ন যিমান জনজাতি আছে প্ৰত্যেকৰ অৱদান লৈ সকলোৱে সহযোগত কৰি গৈছিল। কিন্তু বৰ্তমান পৰ্য্যায়ত কিছু হীন দেৰি হৈছে। সেই হীন দেৰিৰ ফলত ভাৰত স্বাধীন হোৱাৰ আগত যিবোৰ কাৰণে মহামানৱ মহাত্মা গান্ধী আৰু ড° ভীমৰাও আম্বেদকাৰৰ মাজত মতানৈক্য হৈছিল। সেই মতানৈক্যৰ কথা আমি সকলোৱে জানো যে গান্ধীজীয়ে ১৯৩৫ চনত অনশন কৰিব লগা হৈছিল। সৌভাগ্য যে বৃটিছৰ শাসন কালতে ১৯৩৫ চনত মহত্মা গান্ধী আৰু আম্বেদকাৰৰ মাজত যি বুজা বুজি হ'ল সেই বুজা বুজি অনুসৰি প্ৰথম সংৰক্ষণৰ ব্যৱস্থাটো ভাৰতীয় সমাজলৈ আহিল। যাৰ ফলত পিছ পৰা মানুহখিনি আগুৱাই লৈ যোৱাৰ বাবে ভাৰতীয় সংবিধানত বিশেষ ব্যৱস্থা হ'ল। তাৰ আগতে বৈদিক যুগত যিখিনি ৪ বৰ্ণৰ ব্যৱস্থা আছিল সেই ব্যৱস্থা পৰাম্পৰাগত ভাবে শূদ্ৰ মানুহখিনিক অলপ হীন চকুৰে চাইছিল আৰু সেই বাবে এই সংৰক্ষণৰ ব্যৱস্থাটো আনিব লগা হ'ল। অসমত কিন্তু ইয়াৰ প্ৰভাব বিশেষভাবে নপৰিল। কিন্তু অসমৰ বাহিৰে ভাৰতৰ বেলেগ বেলেগ ৰাজ্যত যথেষ্ট প্ৰভাব পৰিছে। বৃটিছ অৰ্ডাৰ ১৯৩৫ ৰ জৰিয়তে প্ৰথম সংৰক্ষণ ব্যৱস্থাটো ভাৰতীয় সমাজলৈ আহিল আৰু যাৰ ফলত এই পিছপৰা মানুহখিনিক আগুৱাই লৈ যোৱাৰ বাবে বিশেষ সুবিধা ভাৰতীয় সংবিধানত দিয়াৰ ব্যৱস্থা হ'ল। তাৰ আগতে বৈদিক যুগত যি চাৰি বৰ্ণৰ ব্যৱস্থা আছিল সেই ব্যৱস্থাত পৰম্পৰাগত ভাৱে বিশেষ ভাৱে শূদ্ৰ মানুহখিনিক অলপ হীন চকুৰে চোৱাৰ ফলত এই ব্যৱস্থাটো আনিব লগীয়া হ'ল। অসমত ইয়াৰ বিশেষ প্ৰভাৱ নাই কিন্তু অসমৰ বাহিৰে ভাৰতবৰ্ষৰ বেলেগ ৰাজ্যত ইয়াৰ যথেষ্ট প্ৰভাৱ আছিল। এইখিনিতে মই এটা উদাহৰণ দিব বিচাৰিছো যে ড° আম্বেদকাৰে এল পি স্কুলত পঢ়ি থকাৰ সময়ত আমি জীৱনীত পোৱা মতে তেওঁ পিছফালে ঝাৰুটো কৰ্কালত নেগুৰৰ দৰে বান্ধি লৈ যাব লগীয়া হৈছিল। কাৰণ তেওঁ সেই ৰাস্তাটোৰে গ'লে ঝাৰু মাৰি মাৰি যাব লাগিছিল যিহেতু বেলেগ সম্প্ৰদায়ৰ মানুহ সেই ৰাস্তাটোৰে যাব। তেওঁ বিদ্যালয়ত মাটিত বহিব লগীয়া হৈছিল। কিন্তু অসমত সেইখিনি নাছিল। যাৰ বাবে আজি আমি এই সুন্দৰ শক্তিশালী সমাজখন পাইছো। তথাপিও কিন্তু এটা কথা ক'ব লাগিব সেইটো হৈছে মানসিক ভাৱে অসমত বাস কৰা তথাকথিত অনুসূচীত জাতি বা জনজাতি লোক সকলক আম্বেদকাৰক যেনেধৰণে শাৰিৰীক ভাৱে কষ্ট দিছিল তেনেকুৱা ধৰণে দিয়া নাই কিন্তু মানসিক ভাৱে এই সম্প্ৰদায়ৰ লোক সকলে কিছু কষ্ট পাইছে। যাৰ ফলত বিভিন্ন ক্ষেত্ৰত যেনে- চাকৰিৰ প্ৰমোচনৰ ক্ষেত্ৰতেই হওঁক বা নিযুক্তি তথা শিক্ষাৰ ক্ষেত্ৰতেই হওঁক প্ৰত্যেকটো ক্ষেত্ৰতেই কিছু মানসিক অশান্তিত ভূগিব লগীয়া হয়। যাৰ ফলত এই সংৰক্ষণ ব্যৱস্থাটো দিয়া স্বত্বেও আমি কিন্তু এই দিশত সমাজখনক শক্তিশালী ৰূপত আগবঢ়াই নিয়াত কিছু অসুবিধা হৈছে। বিশ্ব-বিচ্যুত শিল্পী সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ নিচিনা ব্যক্তিয়েও মদাৰ ফুলৰ লগত ৰিজাই গীত গাবলগীয়া হৈছিল। প্ৰথম অৱস্থাত তেওঁকো সেই মানসিক নিৰ্যাতন দিয়া হৈছিল যিটো তেওঁৰ গীতত স্পষ্টভাৱে উল্লেখ কৰিছে। গতিকে তেওঁৰ নিচিনা ব্যক্তিয়েও তেনেকুৱা ধৰণৰ অশান্তিত ভূগিবলগীয়া হৈছিল। যাৰ ফলত তেখেতৰ নিচিনা বিশ্ব-বিচ্যুত শিল্পীয়ে নিজৰ প্ৰতিভাৰ বলত আজি আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত প্ৰতিষ্ঠিত শিল্পী হিচাবে খ্যাত হ'ল। সেয়ে আজি এই বিষয়টো সম্পৰ্কত আমি কিছু পৰামৰ্শ চৰকাৰলৈ দিম। কিন্তু তাৰ আগতে ভাৰতীয়

সংস্কৃতিত আমি এটা কথা চাব লাগিব বেদৰ প্ৰণেতা ব্যাস দেৱ হৈছে অনুসূচীত জাতিৰ লোক। ঠিক সেইদৰে ৰামায়ণৰ ৰচক ৱাল্মিকী অৰ্থাৎ ৰত্নাকৰ নিশাদ সম্প্ৰদায়ৰ তথাকথিক নিম্ন জাতিৰ লোক আছিল। যিখন বেদৰ আধাৰত বৰ্তমান সময়ত ভাৰতীয় সংস্কৃতি চলি আছে এই দুখন গ্ৰন্থ কিন্তু অনুসূচীত সম্প্ৰদায়ৰ লোকে লিখি থৈ যোৱা। গতিকে আমি সেই ভাৰতীয় সংস্কৃতিৰ অংশ হিচাবে অসমৰ সংস্কৃতিত এখন শক্তিশালী সমাজ গঢ়াৰ ক্ষেত্ৰত এই সাধাৰণ জাতিৰ তথাকথিত লোক সকলক আগবঢ়াই নিবলৈ হ'লে নিশ্চয় সমমৰ্য্যদা, সমবিকাশৰে সৈতে আগবঢ়াই নিব লাগিব। সেইখিনি কৰিবলৈ যাওঁতে আমি সকলোৱে কিছু এৰা ধৰাৰ মাজেৰে আগবাঢ়িব লাগিব। তেতিয়াহে সমাজখন শক্তিশালী হ'ব। শৰীৰৰ এটা অংগ পংগু হ'লে সমাজখন সুস্থ নহয়। সুধাকণ্ঠ ড. ভূপেন হাজৰিকাই এনে ধৰণৰ বহুখিনি কথা আগবঢ়াই থৈ গৈছে। গতিকে এনেধৰণৰ লক্ষ্য সমূহ আগত ৰাখি সমাজখন শক্তিশালী হোৱাৰ ক্ষেত্ৰত আমাক বৰ্তমান পৰ্য্যায়ত এচিমিলেশ্যন লাগিব। আমাৰ সমাজখনত জাত-পাত ইত্যাদিৰ পৰিসৰটো ভাঙি বহল পৰিসৰত আমি যদি এখন শক্তিশালী সমাজ গঠন কৰিবলৈ জাত-পাতৰ ব্যৱহাৰ নকৰি যদি মানুহ হিচাবে লৈ আমি সমাজখনক একেলগে বিবাহ সূত্ৰেই হওঁক বা সমাজৰ, নামঘৰৰ ৰাজহুৱা অনুষ্ঠানত একেলগে বহি কামখিনি কৰিব পাৰো তেনেহ'লে নিশ্চিত ভাৱে আমাৰ অসমীয়া সমাজখন অধিক শক্তিশালী হ'ব বুলি মই ভাৱো। আজি পবিত্ৰ সদনত এইখিনি কথা ক'বলৈ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান পৰ্য্যায়ত ভাৰত চৰকাৰে যিখিনি সুবিধা দিছে সেই সুবিধা প্ৰকৃতাৰ্থত যথাযথ ভাৱে প্ৰয়োগ হোৱাত অসুবিধা হৈছে। যাৰ ফলত চৰকাৰী ভাৱে ৰঙাফিটাৰ যি মেৰপাক সেই মেৰপাকত সমাজখনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। বৰ্তমান সময়ত চৰকাৰী ভাৱে লোৱা আঁচনি বিলাক বা কাম বিলাকত এই অসুবিধা সমূহ আমি প্ৰত্যক্ষ ভাৱে দেখিবলৈ পাইছো। যাৰ কাৰণে আমাৰ লগত অলপ ৰেক্‌টিফিকেশ্যন্ বা মডিফিকেশ্যনৰ কথা ও আছে। এই ক্ষেত্ৰত আমাৰ অসম বিধান সভাই ১৯৭৮ চনত "Reservation Act SC and ST in services and post" এই এক্টখন গ্ৰহণ কৰিছিল। ১৯৭৮ চনৰ বাজেট অধিবেশনত গ্ৰহণ কৰা সেই এক্টখনৰ ৰুলচ্‌খন তৈয়াৰ কৰিবলৈ কিন্তু ৫ বছৰ লাগিছিল। ১৯৮৩ চনতহে এই ৰুলচ্ খন হ'ল। অৰ্থাৎ আমি আকৌ ৫ বছৰ পিছুৱাই যাব লগীয়া হ'ল। ভাৰতীয় সংবিধানৰ আধাৰত এইখিনি গ্ৰহণ কৰিব লগীয়া হৈছিল আৰু সৌ সিদিনা ২০১২ চনত সেই এক্ট্‌খনৰ সংশোধন ঘটাই ১০০ পইণ্ট ৰোষ্টাৰ আৰু বিভিন্ন সংশোধনেৰে সৈতে সেইখন গ্ৰহণ কৰিছিল। গ্ৰহণ কৰাৰ পিছতো কিন্তু চৰকাৰী ভাৱে ইয়াৰ যথাযথ প্ৰয়োগ এতিয়াও হোৱা নাই। তাৰ যথেষ্ট উদাহৰণ আছে কিন্তু মই উদাহৰণ দিবলৈ নাযাওঁ। আমি যথেষ্ট অসুবিধাৰ সন্মূখীন হৈছো। বিশেষভাৱে চৰকাৰী চাকৰিয়াল সকলে বা সমাজৰ উন্নয়নৰ যিখিনি নমুনা সেই ক্ষেত্ৰত কিন্তু আমি অসুবিধা পাইছো। মই দুটামান উদাহৰণ দিব বিচাৰিছো। প্ৰমোচনৰ ক্ষেত্ৰত Reservation Act ত ৭ শতাংশ বুলি আছে যিটো ৭.৫ শতাংশ হ'ব লাগে। কিন্তু এতিয়া বৰ্তমান পৰ্য্যায়ত সেই শতাংশটো অলপমান বঢ়াব লাগিব যিহেতু জনসংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত এই সংৰক্ষণৰ ব্যৱস্থাটো হয়। ঠিক তেনেদৰে জনজাতি সকলৰ ১০ শতাংশটো বৃদ্ধি কৰিব লাগে যিহেতু জনসংখ্যা সদায় বৃদ্ধি হৈ গৈ থাকে। মেডিকেল কলেজ বা ইঞ্জিনিয়াৰিং কলেজত এড্‌মিশ্যনৰ ক্ষেত্ৰত ৭ শতাংশৰ যিটো ৰিজাৰভেশ্যন থাকিব লাগে সেইটোয়েই যদি দিয়ে তাত অসুবিধা নাই। কিন্তু তাত এটা খেলিমেলি আছে। যিখিনি অনুসূচীত জাতি বা জনজাতিৰ ল'ৰা-ছোৱালীয়ে মেৰিটত প্ৰতিযোগিতা কৰিব পাৰে তেওঁলোককো ৰিজাৰভেশ্যনত ভৰাই দিয়ে। যদি মাত্ৰ ১০০ টা চিট থাকে তাত ৭ জন ল'ৰা-ছোৱালীয়ে এডমিশ্যন্ পায়। এইদৰে

তেওঁলোকে ৰিৰ্জাভেশ্যনৰ সংখ্যাটো মিলাই থয়। আমি বিভিন্ন চৰকাৰৰ লগত এই বিষয়ে আলোচনা কৰিছো যদিও এই এচ চি ৰ কাৰণে ৭ জন আৰু এচ টি ৰ কাৰণে ১০ জনৰ ৰিজাৰভেশ্যনৰ যিটো ব্যৱস্থা সেইটোৰ কিন্তু কোনো পৰিৱৰ্তন হোৱা নাই, যিজন ল'ৰাই মেধা ভিত্তিত প্ৰতিযোগিতা কৰিব পাৰে তেওঁলোককো ৰিৰ্জাভেশ্যনত ভৰাই মিলাই থয়। যোৱা বছৰ মেডিকেল কলেজ বা ইঞ্জিনিয়াৰিং কলেজত যিখিনি এডমিশ্যন হ'ল তাতো কিন্তু সেইটো হোৱা নাই যাৰ ফলত ৰিৰ্জাভেশ্যনটো আমাৰ কাৰণে লিমিটেছ্ন হৈ গ'ল যে এচ চি য়ে ৭ টা আৰু এচ টি য়ে ১০ টা চিট হে পাব। এইটো আচলতে সংৰক্ষণ ব্যৱস্থাৰ নিয়ম নহয়।

**মাননীয় অধ্যক্ষ ঃ** যদি এচ চি আৰু এচ টি ৰ গোটেই কেইজন ল'ৰা-ছোৱালীয়ে মেৰিটত পায় তেতিয়া ৰিৰ্জাভেশ্যনটো নাথাকে নেকি ?

**শ্ৰী ভৱেন্দ্ৰ নাথ ভৰালী (দেৰগাঁও) ঃ** থাকে, বহুত থাকে।

**মাননীয় অধ্যক্ষ ঃ** যদি গোটেই কেইজন ল'ৰা-ছোৱালীয়ে merit list ত আহে আপোনালোকে তেতিয়া আৰু বেলেগে নাম নিদিয়ে নেকি ?

**শ্ৰী ভৱেন্দ্ৰ নাথ ভৰালী (দেৰগাঁও)ঃ** বৰ্তমান পৰ্য্যয়লৈকে দিয়া নাই। merit ত নিদিয়ে, তেওঁলোকে Reservation ৰ আওঁতালৈ লৈ আহে। যাৰ ফলত এই জাতি টোৰ বিভিন্ন ক্ষেত্ৰত মেডিকেলে হওঁক, ইঞ্জিনিয়াৰিঙেই হওঁক, Science, Commerce যিকোনো ক্ষেত্ৰতে এই Reservation টো থকা কাৰণে আমাৰ সংখ্যাটো কমি গৈছে। যাৰ ফলত ১৯৭৮ চনৰ ST/SC Reservation Act খন যথাযথ কৰিবৰ কাৰণে মই ব্যক্তিগতভাৱে ভাৱো, অধ্যক্ষ মহোদয় এখন কমিটি হ'ব লাগে, Commission হ'ব লাগে, যাতে শুদ্ধভাৱে SC/ST খিনিক চায়। বিভিন্ন ক্ষেত্ৰত নিযুক্তি , Admission আদিৰ ক্ষেত্ৰতো সেই একেটাই হয়। গতিকে এই সকলোবোৰ শুদ্ধভাৱে চোৱা-চিতা কৰিবৰ বাবে আমি আপোনাৰ জৰিয়তে চৰকাৰক দাবী জনাইছো। ইয়াৰ পিছতে মই ক'ব বিচাৰিছো এই সংৰক্ষণ ব্যৱস্থাটোৰ অধীনত আমাৰ চৰকাৰে বিভিন্ন ক্ষেত্ৰত বিভিন্ন সময়ত ব্যৱস্থা লৈছে। কিন্তু তাৰ কাৰ্য্যকৰী কৰণত অসুবিধা হৈছে। চৰকাৰে ভাল মনোভাৱেৰে ল'ব খোজে, কিন্তু কাৰ্য্যকৰী কৰণ পৰ্য্যায়ত যিসকল বিষয়ববীয়া আছে তেওঁলোকে এই আইনখনৰ আওতাৰ বাহিৰলৈ গৈ কৰিব বিচাৰে। ভিতৰৰ মেৰপাকত বহুত প্ৰকৃত মানুহ বঞ্চিত হৈ যায়। বঞ্চিত কৰাৰ যিটো চক্ৰান্ত সেইটো কিন্তু প্ৰশাসনতন্ত্ৰই মাজে-মাজে কৰে। ২০১২ চনত যিখন সংশোধন হ'ল সেইখনৰ মতে অকণমান আহিছে যদিও বৰ্তমান পৰ্য্যায়তো কিমান backlog আছে বিভাগত সেইটো আমি এতিয়ালৈকে পোৱা নাই। আমাৰ মাননীয় মন্ত্ৰী প্ৰমিলা ৰাণী ব্ৰহ্ম থাকোতে আমাৰ আগত এটা প্ৰতিবেদন দিছিল, ২৯ হাজাৰ ২০০ মান Backlog আছে বুলি। কিন্তু বৰ্তমান পৰ্য্যায়ত মাত্ৰ এবাৰেই Special drive হৈছিল , তাৰ পিছত এইটো আকৌ ১২ হেজাৰলৈ নামিল। ১৭ হাজাৰ কেতিয়া নিযুক্তি দিলে আমি নাজানিলো। বৰ্তমান Act খনৰ মতে ২০১২ চনৰ সংশোধনৰ মতে এই কেদাৰ ওৱাইজ কিমান বেকলগ আছে এটা শুদ্ধ পৰিসংখ্যা আমাক দিব লাগে। যাৰ জৰিয়তে আমি Backlog বিলাক যাতে এটা Special Drive মতে নিযুক্তি দিব পাৰো সেই সম্পৰ্কত সদনে চৰকাৰলৈ এটা পৰামৰ্শ দিব লাগে। এখন কমিটিৰ জৰিয়তে এই সংৰক্ষণ ব্যৱস্থাটো যথাযথভাৱে কাৰ্য্যকৰী হোৱাকৈ ব্যৱস্থা লয় সেইটো আমি বিচাৰিছো। আজি এই পবিত্ৰ সদনত নিশ্চয় আমি এটা সিদ্ধান্ত পাম কিন্তু কিছুমান অসুবিধাও আছে। আমাৰ চৰকাৰে আঁচনিবিলাক লৈ আছে তাৰ ভিত্তি তাৰ census report ৰ ওপৰত হয়। কিন্তু আমাৰ দুৰ্ভাগ্য আমাৰ census SC সম্পৰ্কত জাতিগত যিটো census হ'ব লাগে বা ট্ৰাইবেল সম্পৰ্কত হ'ব লাগে সেইটো

হোৱা নাই। যাৰ ফলত এই আঁচনিবিলাক ল'ব যাওঁতে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগা হৈছে। সেইকাৰণে মই চৰকাৰক এটা পৰামৰ্শ দিব বিচাৰো যে অনুসূচিত জাতি-জনজাতিৰ যিখিনি গাওঁ আছে তাত এটা থুলমূল Socio-Economic census হোৱাৰ ব্যৱস্থা কৰিব লাগে। যাৰ জৰিয়তে শুদ্ধ পৰিসংখ্যাটো আমি পাম আৰু চৰকাৰীভাৱে আঁচনিবিলাক গ্ৰহন কৰিবৰ বাবে সুবিধা হ'ব। জনজাতি সকলৰ যেনেকৈ Tribel Belt, Block আছে, এই অনুসূচিত জাতিবিলাক সিঁচৰিত হৈ আছে। যাৰফলত আঁচনিবিলাক ল'বলৈ যাওঁতে ৰাস্তাটো অনুসূচিত গাওঁৰ মাজেদি গৈছে জেনেৰেল এৰিয়াৰ মাজেদিও গৈছে। প্ৰথম কামটো আৰম্ভ কৰোতে জেনেৰেল এৰিয়াত হয়, যাৰফলত SC Area ৰ কামবোৰ সম্পূৰ্ণ নোহোৱাকৈ ৰৈ যায়। গতিকে cluster basis ত আঁচনিবিলাক ল'ব পৰা ব্যৱস্থা কৰিলে ভাল হয়। গাঁৱৰ সমস্যাবোৰ চাই ৰাস্তা, বিল্ডিং, খোৱাপানী একেলগে লৈ একবছৰত হলেও প্ৰতিখন জিলাতে এই census টো হ'লে ভাল হয়। মই ভাৱো তেনেধৰণে হ'লে আমাৰ উন্নয়নৰ নমুনাটো আগবাঢ়ি যাব। মাননীয় অধ্যক্ষ মহোদয়, দেখা গৈছে, কেইটামান হাঁহ, ছাগলী, তাঁত শাল দি মানুহক আত্মনিৰ্ভৰশীল হ'বলৈ দিয়ে। এইটো ব্যৱস্থা হ'ল এপাচি শাকত এটা জালুক। এখন গাঁৱত বিভিন্ন বিভাগে যদি কামবোৰ কৰে তেতিয়াহে অধ্যক্ষ মহোদয়, সমূহীয়াকৈ গাওঁবোৰ আগবাঢ়ি যাব।

নিৱনুৱা খিনিৰ বাবেও Skill Development ৰ জৰিয়তে কিছু উন্নতি কৰিব পাৰিব। এই আঁচনিবিলাক Cluster Basis হ'লে সুবিধা হ'ব। আপোনাৰ জৰিয়তে এই পৰামৰ্শ চৰকাৰলৈ দিব বিচাৰিছো। লগতে অনুসূচিত জাতিৰ সম্পৰ্কত যিখন Caste Certificate, সেইখন সম্পৰ্কত অনা অনুসূচিত জাতিৰ মানুহে সুবিধা সমূহ ল'ব খোজে। কাৰণ উপাধিটো প্ৰায় একে, সাধাৰণ মানুহবোৰৰ লগত মিলে। গতিকে আমি SC মানুহৰ ক্ষেত্ৰত Differenciate কৰা অসুবিধা হয়। Census টো হ'লে তেতিয়া সুবিধা হ'ব। আজিৰ তাৰিখলৈ যিমান Caste Certificate Issue কৰা হ'ল, সেইবোৰ নবীকৰণ কৰিব লাগে। বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে এইবোৰ নবীকৰণ কৰিলে ভাল হ'ব। তেতিয়া অনা অনুসূচিত মানুহখিনিয়ে এই সুবিধাটো গ্ৰহন কৰিব নোৱাৰিব। অধ্যক্ষ মহোদয়, প্ৰকৃত অনুসূচিত মানুহ ১৬ টা সম্প্ৰদায়ৰ আছে। কৈৱৰ্ত, নমশুদ্ৰ, বনীয়া, হীৰা এনেদৰে ১৬ টা সম্প্ৰদায়ক ভাৰতীয় সংবিধানে চিনাক্ত কৰিছে। এই আটাইকেইটা সম্প্ৰদায়ক যদি আমি আগুৱাই নিওঁ তেতিয়া সমাজখন শক্তিশালী হোৱাত সহায় হ'ব।

ইয়াৰ পিছত অধ্যক্ষ মহোদয়, অনুসূচিত জাতিৰ কৈৱৰ্ত, নম শুদ্ৰ মানুহখিনি মাছ মৰা কামৰ লগত জড়িত। কিন্তু ২০০৫ চনৰ যিখন মীন আইন আছে সেই মীন আইনখন সংশোধন ঘটাই আগৰ চৰকাৰে আইনখন Direct Settlement কৰি দিয়াৰ ব্যৱস্থা আছিল, Direct Settlement নিদি নৈৰ পাৰত থকা অনুসূচিত জাতিৰ মানুহখিনিক লৈ যদি এখন Co-operative Society হয়, আৰু সেই বিলখনক পৰিচালনা কৰে আৰু বছৰে বছৰে ১০, ১২ শতাংশ কৈ বঢ়াই যায়। এতিয়া এই পদ্ধতি ২০১২ চনত মীন আইন সংশোধন কৰি এই আইনখনত tender ৰ ব্যৱস্থা কৰিলে, য'ত tender দি বিভিন্ন ঠাইৰ মানুহে পায়। তেওঁলোকে L-1 system ত দিয়ে, যাৰফলত অনুসূচিত জাতিৰ মানুহখিনি বঞ্চিত হয়। মই আগতেও বিধানসভাত এই সংক্ৰান্তত প্ৰশ্ন কৰিছিলো , প্ৰশ্নটো হ'ল বিল কেইখন চিনাক্ত কৰি Fishery Co-Operation, Fishery Department ৰ মানুহে বিলৰ পাৰৰ মানুহক চিনাক্ত কৰি কোনো কাজিয়া নোহোৱাকৈ এখইকেইখন Co-operative Society ৰ জৰিয়তে Direct Settlement দিয়াৰ বাবে সংশোধনী কৰিব লাগে।

আমাৰ ইয়াত মাননীয় মীন মন্ত্ৰী ডাঙৰীয়া আছে। এই সম্পৰ্কত তেখেতে গভীৰভাৱে অনুধাৱন কৰি বিবেচনা কৰিব। আমাৰ চৰকাৰে যদি ব্যৱস্থাটো কৰে এই মানুহখিনি আগুৱাই যোৱাত সহায় হ'ব। এই ক্ষেত্ৰত আৰু এটা কথা হ'ল, আমাৰ কিছুমান জলৰাশি আছে , সেই জলৰাশি সংৰক্ষণৰ কাৰণে আৰু তাৰ পাৰৰ অনুসুচিত মানুহখিনিক লৈ প্ৰয়োজন সাপেক্ষে তাৰ কাষত থকা অন্য মানুহেও আজিকালি মাছ মাৰে। গতিকে তাৰ পাৰৰ মানুহখিনিক লৈ Fishing Culture ব্যৱস্থা কৰিলে অন্ধ্ৰৰ পৰা অহা মাছ বন্ধ হ'ব। সেইখিনি কাম কৰি এটা society ৰ জৰিয়তে মাছ পুহি তাৰ পৰা এই ব্যৱসায়টো কৰিব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

বৰ্তমানৰ চৰকাৰৰ Caste Certificate verification ৰ বাবে এখন Scrutiny Committee আছে, য'ত তিনিজনকৈ বিষয়া থাকে। কিন্তু, সেই Committee খনত অনুসূচীত জাতিৰ কোনো সদস্য নাই। অসমৰ প্ৰত্যেকখন গাঁৱতে 'অসম অনুসূচীত জাতি পৰিষদ' নামৰ অৰাজনৈতিক স্বেচ্ছাসেৱী সংগঠন এটা আছে। এই পৰিষদৰ যদি এজন সদস্যকো এই Scrutiny Committee খনত নিযুক্তি কৰা হয়, তেন্তে মই ভাবো যে, এই Caste Certificate বোৰ দিয়াত বিশুদ্ধ হ'ব। অধ্যক্ষ মহোদয়, WPT and BC দুটা বিভাগ একেলগে আছে। সেয়েহে, এজন মন্ত্ৰীৰ অধীনত যদি SC ৰ বাবে separate Secretariat কৰা হয় তেন্তে মই ভাৱো চৰকাৰী আঁচনিবোৰ শুদ্ধ ভাৱে আগবঢ়াই লৈ যাবলৈ ভাল হ'ব।

শেষত, আমাৰ SC Directorate আছে আৰু অনুসূচীত জাতিৰ উন্নয়নৰ আঁচনিবোৰ Advisory Council of Scheduled Castes and Scheduled Tribes ত গ্ৰহণ কৰা হয়। চৰকাৰী আঁচনি সম্পৰ্কত সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে এইখন Council ৰ supreme authority আছে। মাননীয় মন্ত্ৰী প্ৰমিলা ৰাণী ব্ৰহ্ম বাইদেউ যেতিয়া WPT& BC ৰ মন্ত্ৰী আছিল, তেতিয়া দুবাৰকৈ Advisory Council ৰ সভা হৈছিল। তাৰ পিছত, আজিৰ পৰা আঢ়ৈ বছৰ ধৰি Advisory Council ৰ কোনো মিটিং হোৱা নাই। যাৰ ফলত SC Directorate আৰু Plain Tribes Directorate য়ে নিজৰ ইচ্ছা অনুসৰি টিনপাত ইত্যাদি বস্তু দিয়াৰ আঁচনি গ্ৰহণ কৰিছে য'ত বহুতো দুৰ্নীতি হৈছে। সেয়েহে Advisory Council ৰ পুনৰ মিটিং পাতিব লাগে। ইয়াৰ জৰিয়তে আমি যাতে cluster basis ত আঁচনি ল'ব পাৰো আৰু আঁচনিবোৰ শুদ্ধকৈ আগবঢ়াই নিব পাৰো তাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইয়াৰোপৰি, আমাৰ Scheduled Caste Development Corporation এটা আছে। এই Corporation টোক কাৰ্যক্ষম কৰিব লাগে। বৰ্তমান ই একেবাৰে মৃতপ্ৰায় পৰ্যায়ত আছে। এই Corporation ৰ জৰিয়তে আমি নিবনুৱা যুৱকক loan বা অন্যান্য আৰ্থিক সাহায্য দি আগবঢ়াই নিব বিচাৰিছিলো। কিন্তু বৰ্তমান পৰ্যায়ত ই একেবাৰে স্থবিৰ হৈ পৰিছে। আমাৰ সন্মানীয় বিধায়ক শ্ৰী গুৰুজ্যোতি দাস সেই Corporation ৰ অধ্যক্ষ। সেয়েহে, আমি যাতে নিবনুৱা যুৱক তথা মহিলাসকলক আগবঢ়াই লৈ যাব পাৰো তাৰ বাবে বিশেষ আঁচনি লোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া মনেশ্বৰ ব্ৰহ্ম।

**শ্ৰী মনেশ্বৰ ব্ৰহ্ম (বৰমা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'Speaker's Initiative', এই agenda ৰ যোগেৰে অসমত বসবাস কৰা Scheduled Castes and Scheduled Tribes সকলৰ আৰ্থ-সামাজিক উন্নয়নৰ ওপৰত আলোচনা ৰখাৰ বাবে পোন প্ৰথমে মই আপোনাক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। যোৱা বছৰ বিধান সভাত Tea Tribes বা আদিবাসী সকলৰ বাবে এনেধৰণৰ এটা আলোচনা ৰাখি চৰকাৰে যোৱা বাজেটত এই আদিবাসী সকলৰ আৰ্থ সামাজিক

উন্নয়নৰ বাবে যি আঁচনি গ্ৰহণ কৰিছিল তাৰ বাবেও মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো।

অসমত আমি যি সকল SC/ST ৰ লোক বসবাস কৰো, আমি ভাৱো যে অসমখন আগুৱাই যাবলৈ হ'লে SC/ST ৰ লোকসকলো সমান ভাৱে আগুৱাই যোৱাৰ সুযোগটো পাব লাগিব। আমি আজি দেখিছো যে সাংবিধানিক নিয়ম অনুসৰি ST সকলৰ বাবে সংৰক্ষিত চৰকাৰৰ যিবোৰ আঁচনি আছে সেইবোৰ পৰ্যাপ্ত নহয়। SC/ST সকলৰ backlog ৰ সমস্যাটো বহুত পুৰণি সমস্যা। কেইবছৰমান আগত SC/ST Committee ৰ মিটিঙত মই Member হিচাপে প্ৰায়ে গৈছিলো। তেতিয়া মিটিংবোৰত আমি দেখিবলৈ পাওঁ যে কোনো বিষয়াই backlog ৰ সঠিক নম্বৰ দিব নোৱাৰে। কোনোৱে কয় ১০ হাজাৰ বুলি, কোনোৱে কয় ১২ হাজাৰ বুলি, কোনোৱে আকৌ নাজানো বুলি কয়, হিচাপ উলিয়াব লাগিব বুলি কয়। আজিলৈকে ইয়াৰ সঠিক তথ্য উলিয়াব পৰা নাই। এইটো বৰ দুৰ্ভাগ্যজনক কথা। গতিকে এই backlog ৰ সমস্যা বোৰ যদি সময়মতে সমাধান হ'ল হেঁতেন, তেন্তে এই backlog শব্দটো আমাৰ মাজত নাথাকিলেহেঁতেন। Backlog হৈ থকা পদসমূহত যদি SC/ST ৰ প্ৰাৰ্থীৰে fill up কৰা হয় তেন্তে এই লোকসক লে চৰকাৰী চাকৰিৰ জৰিয়তে ৰাজ্যখনত সেৱা আগবঢ়োৱাৰ উপৰিও তেওঁলোকৰ আৰ্থ-সামাজিক উন্নয়নো হ'লহেঁতেন। ইয়াৰ লগে লগে next generation টোৱে ভাল স্কুল-কলেজত পঢ়াৰ সুযোগ পালেহেঁতেন। আজি এই backlog টো অকল service ৰ ক্ষেত্ৰতে হোৱা নাই, development ৰ ক্ষেত্ৰতো হৈছে। আমাৰ generation আগুৱাই যাব লাগিছিল কিন্তু backlog ৰ সমস্যাৰ বাবে আজি পিছুৱাই যাবলগীয়া হৈছে যাৰ বাবে সময়ে সময়ে Tribal সংগঠনবোৰত ধৰ্ণা, প্ৰতিবাদ ইত্যাদি হৈ থাকে। আনহাতে, Belt & Block ত unprotected class ৰ encroachment, aggression ৰ বাবেও অসমত থকা tribal আৰু SC সকল যথেষ্ট ভাৱে শংকিত হ'ব লগা হৈছে। এই কথাবোৰ আলাপ-আলোচনা কৰাৰ বাবে আপুনি যি সুযোগ দিলে তাৰ বাবে মই আপোনাক সঁচাকৈয়ে ধন্যবাদ জ্ঞাপন কৰিছো। SC/ST ৰ উন্নয়নৰ বাবে আমি যিবোৰ আঁচনি লৈ আছো সেইবোৰ পৰ্যাপ্ত নহয় বুলি মই এই কাৰণেই কৈছো যে আজিৰ প্ৰযুক্তিৰ দিনত পুখুৰীত মাছ পুহি বা দুটা গাহৰি পুহি মানুহ স্বাৱলম্বী হোৱাটো অসম্ভৱ। গাহৰিৰ ব্যৱসায় commercial হিচাপে কৰিবলৈ হ'লে আমি সেই ST সকলক ভাল training দিব লাগিব, ভাল breed দিব লাগিব । তেওঁলোকে Farm হিচাপে বনাই যাতে স্বাৱলম্বী হ'ব পাৰে তাৰ বাবে আমি ভাল আৰু ডাঙৰ আঁচনি ল'ব লাগিব বুলি মই অনুভৱ কৰো। নৱ-প্ৰজন্মই গ্ৰহণ কৰিব পৰাকৈ বৈজ্ঞানিক পদ্ধতিৰ technology বোৰ আমি দিব লাগিব। আমাৰ ট্ৰাইবেল অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি সকলৰ খাদ্য পৰ্যটনৰ আকৰ্ষণৰ এটা মাধ্যম হ'ব পাৰে। ট্ৰাইবেল সকলৰ কলা-সংস্কৃতি, পিন্ধা-উৰা, খাদ্য আদিক আমি যদি ভাল ভাৱে সংৰক্ষণ কৰিব পাৰো, প্ৰচাৰ কৰিব পাৰো তেনেহ'লে তাৰ মাজেদি আমি কৰ্ম সংস্থাপন দিব পাৰো। পৰ্যটক সকলক আকৰ্ষণ কৰিব পাৰো। এই কথাবিলাক আমাৰ চিন্তা কৰাৰ সময় নিশ্চয় হৈছে। বৰ্তমান টেক্‌ন'ল'জিৰ যুগ, ডিজিটেল যুগ। আমি কিছু ট্ৰাইবেল অঞ্চলত য'ত বেছিভাগ ট্ৰাইবেল মানুহে শিকিব পাৰে। য'ত কেৱল ৯ শতাংশ বা ৯.৭ শতাংশ ট্ৰাইবেল ছাত্ৰ-ছাত্ৰী নহয়, প্ৰায় ৫০ শতাংশ ছাত্ৰ-ছাত্ৰীক সুবিধা দিব পৰাকৈ আমি কিছুমান Skill Development Centre, ITI, আৰু কিছুমান প্ৰশিক্ষণ কেন্দ্ৰ খুলিব পৰা যায়, তেনেক্ষেত্ৰত মই ভাৱো ট্ৰাইবেল যুৱক-যুৱতীসকলক কিছু আগুৱাই আনিব পৰা যাব। আমি বিক্ৰীৰ ক্ষেত্ৰত তেওঁলোকক ট্ৰেইনিং দিব পাৰো। Handloom ৰ ক্ষেত্ৰত Modern Technology Trainning দি কামত লগাব পাৰো। বৰ্তমান এইবোৰ পদক্ষেপ লোৱাৰ

সময় হৈছে আৰু নিশ্চয় অহা দিন সমূহত আমাৰ চৰকাৰে এইবোৰ পদক্ষেপ ল'ব বুলি আশা কৰিছো। আজি আমাৰ কৰ্ম সংস্থাপন অতি সীমিত। আমাৰ অনুসূচীত ভাই সকলৰ কেৱল মাছ পোহাই কাম নহয়। অনুসূচীত জাতি-জনজাতি লোকসকলক যদি বেছিক ট্ৰেইনিং দিয়া হয়, তেওঁলোকে বেলেগ বেলেগ ক্ষেত্ৰতো কৰ্ম কৰিবলৈ সক্ষম হ'ব। আমি কেৱল অনুসূচীত জাতি-জনজাতি হোৱাৰ বাবে কেৱল গাহৰি পুহিলে নহ'ব। আমি আইটি চি ৰ ক্ষেত্ৰতো স্কীম ল'ব লাগিব। পৰ্যটনৰ ক্ষেত্ৰতো স্কীম ল'ব লাগিব। কেৱল মাটিৰ বাচন বনোৱাই আমাৰ কাম নহয়। বেলেগ বেলেগ আঁচনি লোৱাৰ আজি সময় আহি পৰিছে। আজি মই মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো যে আপোনাৰ অধ্যক্ষতাত যিটো আলোচনা হৈছে, সেইটো ফলপ্ৰসু হ'ব বুলি আশা ৰাখি মোৰ বক্তব্য ইমানতে সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৰণোজ পেগু ডাঙৰীয়াই কওঁক।

**ডাঃ ৰণোজ পেগু (ধেমাজী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৩ ডিচেম্বৰ তাৰিখে এই বিশেষ উদ্যোগ লোৱাৰ বাবে আমি সমগ্ৰ অসমৰ অনুসূচীত জাতি আৰু জনজাতিৰ শতাধিক সংগঠন আৰু লোকৰ লগত মনৰ কথাবোৰ আৰু তেওঁলোকৰ সমস্যাবোৰ এখন মঞ্চত আমি শুনিবলৈ পালো আৰু অৱগত হ'লো। আজি বিধান সভাৰ মজিয়াত এই কথাখিনি আলোচনা কৰিবৰ বাবে সুযোগ পাইছো তাৰ বাবে আপোনাক ধন্যবাদ জনাইছো। অনুসূচীত জাতি আৰু জনজাতিৰ লোক সকল আৰ্থ-সমাজিকভাৱে পিছপৰা। এই কথাটো নতুনকৈ ব্যাখ্যা কৰাৰ প্ৰয়োজন নাই। আমাৰ পৰিসংখ্যা যথেষ্ট আছে আৰু পৰিসংখ্যাই এইটো প্ৰমাণিত কৰিছে যে স্বাধীনতাৰ সাতটা দশকৰ পিছতো এই অনুসূচীত জাতি আৰু জনজাতিৰ লোক সকল আৰ্থ-সমাজিক ভাৱে তেওঁলোক পিচপৰি আছে। ভাৰতবৰ্ষৰ সংবিধান প্ৰণেতা সকলৰ বাবে অশেষ ধন্যবাদ যে তেওঁলোকে স্বাধীন ভাৰতবৰ্ষৰ আৰম্ভণিতে এক বিশেষ ব্যৱস্থা কৰিলে য'ত সাংবিধানিক ব্যৱস্থাৰ জৰিয়তে, সাংবিধানিক নিৰাপত্তাৰ জৰিয়তে অনুসূচীত জাতি আৰু জনজাতিৰ লোক সকলক আগুৱাই অনাৰ ব্যৱস্থা কৰা হৈছে। কেতিয়াবা বিতৰ্ক হয় যে যোৱা ৭০ টা বছৰত তেওঁলোকক ইমানবোৰ সুবিধা দিয়া হ'ল, সংৰক্ষণৰ সুবিধা দিয়া হ'ল । কিন্তু তেওঁলোকৰ একো নহ'ল। তেওঁলোক আজিও পিচপৰি আছে। গতিকে এই ব্যৱস্থাটো কাৰ্যকৰী নহয়। ইয়াত আমি সকলোৱে এটা কথা বুজাৰ প্ৰয়োজন যে মানৱ ইতিহাসত হাজাৰ বছৰ যোৱা বিৱৰ্তনৰ যি ইতিহাস তাৰ এক ঐতিহাসিক প্ৰক্ৰিয়াত এই অনসূচীত জাতি আৰু জনজাতিৰ লোকসকলে পিচপৰি থাকি গ'ল। এই হাজাৰ বছৰৰ যি প্ৰক্ৰিয়া সেই প্ৰক্ৰিয়াটোত এটা পঞ্চবাৰ্ষিকী পৰিকল্পনা বা ৭টা দশকৰ এই অৱস্থাটো সলনি কৰিব পৰা নাযায়। ইয়াত আমাৰ সময় লাগিব। কিন্তু লাহে লাহে এই পৰিৱৰ্তনটো হৈছে নে নাই, সেই বিষয়টোত সাংবিধানিক যি ব্যৱস্থা আছে, সেইখিনি কাৰ্যকৰী কৰিব পাৰিছোনে নাই তাৰ ওপৰত আমাৰ মূল ফ'কাচটো থাকিব লাগে। অনুসূচীত জাতি আৰু জনজাতিৰ লোকসকলৰ বেছিভাগেই খেতিয়ক আৰু তেওঁলোকৰ যি অৰ্থনীতি, সেইটো হৈছে Substantial Economy অৰ্থাৎ কেৱল জীৱন নিৰ্বাহ কৰাৰ কাৰণে অৰ্থনীতি। এই অৰ্থনীতিৰ যি মনস্তত্বঃ সেইটো আদিম মনস্তত্বঃ। বাঘ এটাই হাবিত ওচৰতে পোৱাৰ কাৰণে দুটা পহু কেতিয়াও হত্যা নকৰে। তাৰ পেটত ভোক থাকিলে সি কেৱল এটা পহুকে হত্যা কৰিব। তাৰ ভোক নাথাকিলে তাৰ ওচৰত পহু চৰি থাকিলেও সি হত্যা নকৰে। যি অৰ্থনীতি সেইটো .Substantial Economy। জীয়াই থাকিবৰ বাবে প্ৰয়োজনীয় হত্যাটোহে কৰিব। ঠিক তেনেকৈ অনুসূচীত জাতি আৰু জনজাতিৰ লোকসকলৰ যিটো মনস্তত্বঃ আছে, যি মনস্তত্বঃ একে ঠাইত স্থিৰ হৈ থকা নাই। সলনি হৈছে। কিন্তু তাৰ যি আৰম্ভণিৰ মনস্তত্বঃ সেইটো হ'ল Substantial

Economy মোক যিমানখিনি প্ৰয়োজন মই সিমানখিনিহে খেতি কৰিম। মোৰ যিমানডাল বাঁহৰ প্ৰয়োজন মই সিমানডাল বাঁহহে কাটিম। মোৰ এজোপা গছৰ প্ৰয়োজন মই এজোপা গছহে কাটিম, দহ জোপা গছ নাকাটো। আজি পৃথিৱীত জলবায়ু পৰিৱৰ্তনৰ সময়ত বনাঞ্চল ক'ত সুৰক্ষিত হৈ আছে, য'ত জনজাতীয় লোক আছে। য'ত জনজাতীয় লোকৰ সংখ্যা কম তাত বনাঞ্চলো কম। কাৰণ পৰিৱেশক সুৰক্ষিত কৰি ৰাখে এই Substantial Economy এ। য'ত যিমান বাঁহ কটাৰ প্ৰয়োজন বা গছ কটাৰ প্ৰয়োজন হয় সিমানখিনিহে জনজাতীয় লোকসকলে কাটিব। ১৯৪৭ চনত যেতিয়া ভাৰতবৰ্ষ স্বধীন হ'ল তেতিয়া এটা ডাঙৰ ঘটনা ঘটিছিল। সেই ঘটনাটো হ'ল মেঘালয়ত যেতিয়া বৃটিচ আহিল আৰু তেতিয়া সুধিলে এই মাটিসমূহ কাৰ হয়? তাত যি ৰজাক পৰাস্ত কৰিলে তেওঁক সুধিলে এই মাটিসমূহ কাৰ হয়? তেতিয়া তিৰক সিঙে ক'লে যে এই মাটিসমূহ ৰাইজৰ হয়। যাৰ কাৰণে তিৰক সিঙৰ সম্পত্তি বৃটিচে কব্জা কৰিলে কিন্তু মাটি বৃটিচে কব্জা নকৰিলে। পাহাৰীয়া অঞ্চল সমূহত মাটি সমূহ সামুহিক ৰাইজৰ মাটি হিচাপে ৰৈ গ'ল। কিন্তু অসমত সেই সময়ত একধৰণে মাটিৰ ৰাষ্ট্ৰীকৰণ কৰা হৈছিল। যাৰ কাৰণে মাটিসমূহ ৰজাৰ আছিল। সেয়েহে ৰজাক যেতিয়া পৰাস্ত কৰিলে মাটি সমূহ বৃটিচে কব্জা কৰিলে। একে নিশাৰ ভিতৰতে অসমৰ মাটিসমূহ বৃটিচৰ মালিকানাধীন হৈ গ'ল। তাৰ মানে ৰাষ্ট্ৰৰ মালিকানাধীন হৈ গ'ল। এইটো ৰাইজৰ সম্পত্তি হৈ নাথাকিল। তাৰ মাজতো যি সমূহ মাটি আমাৰ Community Ownership আছিল তেওঁলোকৰ হেৰাই গ'ল। তাৰ ফলাফলস্বৰূপে আমি যদি চাওঁ য'ত Community Ownershipআছে, আমি যি প্ৰব্ৰজনৰ সমস্যাত ভুগিছো, তাত মাটি সুৰক্ষিত হৈ আছে। কিন্তু য'ত ৰাজ্য চৰকাৰ মালিক হৈ আছে, তাত আমাৰ মাটি অ-সুৰক্ষিত। আমাৰ মাটি আমাৰ হাতৰ পৰা গুচি গ'ল। প্ৰবজন এটা ডাঙৰ সমস্যা হিচাপেহে দেখা দিলে। এই পৰিপ্ৰেক্ষিতত আমাৰ চৰকাৰে যি নতুন ভূমি নীতি আনিছে, মই আবেদন জনাম যে এই ভূমি নীতিয়ে যাতে Community Ownership ৰাইজক পুনৰ ঘূৰাই দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে যি আমি বৃটিছৰ দিনত হেৰুৱালো। ভড়ালী ডাঙৰীয়াই সংৰক্ষণৰ ক্ষেত্ৰত খুব ভাল কথা কৈছে আৰু এই ক্ষেত্ৰত মই যোগ নিদিওঁ। কিন্তু এই কথা সঁচা যে সংৰক্ষণ প্ৰকৃততে restriction হৈছে। সংৰক্ষণৰ পৰা এটা সামূহিক ধাৰণা পোৱা যায় যে অনুসূচীত জাতি আৰু জনজাতিৰ কাৰণে বহুত সুবিধা হৈছে। তেওঁলোকৰ বহুত লাভ হৈছে। এইটো হয় । কিন্তু বহুত ক্ষেত্ৰত লোকচানো হৈছে আৰু এই লোকচানটো হৈছে.restriction হোৱাৰ কাৰণে। ধেমাজী জিলাত খনৰ যিসমূহ অঞ্চলত অনুসূচীত জনজাতিৰ মানুহৰ সংখ্যা ৪৩ শতাংশ। জনসংখ্যা অনুপাতে জিলাত ওলোৱা তৃতীয় শ্ৰেণীৰ কৰ্মচাৰীৰ চাকৰি পিয়ন, চকীদাৰৰ চাকৰিত ৪৩ শতাংশ অনুসূচীত জনজাতিৰ মানুহে পাব লাগে।কিন্তু তেওঁলোকে নাপায়। কাৰণ আইনে কৈছে যে ১০ শতাংশইহে পাব। restriction আছে। গতিকে ৪৩ শতাংশ পাবলগীয়া ঠাইত ১০ শতাংশইহে পাইছে। মাজুলীত অনুসূচীত জাতিৰ মানুহৰ সংখ্য ১৪ শতাংশ। মাজুলীত ৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ যি চাকৰি ওলায় তাৰ ১৪ শতাংশ চাকৰি মাজুলীৰ অনুসূচীত জাতিৰ মানুহে পাব লাগে। কিন্তু নাপায়, কাৰণ আইনে কৈছে ৭.৫ শতাংশ। আন এটা বিতৰ্ক হয়, ইয়াৰো এটা শুধৰণিৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে, তাৰ বাবে মই দৃষ্টি আকৰ্ষণ কৰিছো। মই মেডিকেল কলেজৰ ছাত্ৰ আছিলো, সেয়েহে বিতৰ্কৰ মুখা-মুখী হওঁ। এই মেডিকেল কলেজৰ নিচিনা অনুস্থানবোৰত এনেকুৱা reservation ৰ ব্যৱস্থাই গোটেই চিকিৎসা ব্যৱস্থাটোক ধ্বংস কৰিছে বা উচ্চ শিক্ষাত reservation ৰ ব্যৱস্থা থাকিব নালাগে। ইয়াৰ ফলস্বৰূপে এনেকুৱা বেজি দি ৰোগীক হত্যা কৰা ডাক্তৰো সৃষ্টি হৈছে? অধ্যক্ষ মহোদয়, reservation টো এডমিশ্যনৰ কাৰণেহে হয়, পাছ কৰাৰ

কাৰণে কোনো reservation নাই। reservation এডমিশ্যনৰ কাৰণে অৰ্থাৎ মেডিকেল ইঞ্জিনিয়াৰিং পঢ়াৰ সুযোগৰ কাৰণেহে। মেডিকেল কলেজৰ পৰা ডাক্তৰী পৰীক্ষা পাছ কৰাৰ কাৰণে কোনো reservation নাই। ইঞ্জিনিয়াৰিং পৰীক্ষা পাছ কৰাৰ কাৰণে আমাৰ কোনো সংৰক্ষণৰ ব্যৱস্থা নাই। ইউনিভাৰচিটিৰ যি standard আছে সেই standard মতে পৰীক্ষা দি পাছ কৰিব লাগিব। গতিকে অনুসূচীত জাতিৰ মাজৰ পৰা, অনুসূচীত জন জাতিৰ মাজৰ পৰাও ডাঙৰ ডাঙৰ ডাক্তৰ ওলাইছে ডাঙৰ ডাঙৰ ইঞ্জিনিয়াৰ ওলাইছে কাৰণ সুযোগ পাইছে। আজিৰ পৰা দুটা দশক আগতে গুৱাহাটীত যেতিয়া জি এন আৰ চি হস্পিতেলখন প্ৰথম neurological বেমাৰৰ কাৰণে হৈছিল, তাৰ পিছত cardiology ৰ কাৰনে যেতিয়া এটা wing খুলিলে তেতিয়া ডাক্তৰ নোমল বৰাই আমাক জনালে যে ইয়াত open heart surgery হ'ব। cardiology Department যেতিয়া খুলিলে মই খবৰ ল'লো, তেতিয়া গম পালো সেই cardiology Department টো আৰম্ভ কৰিছে তিনিজন অনুসূচীত জন জাতিৰ ডাক্তৰেৰে। তিনিওজনে উচ্চ শিক্ষা লৈ আহি, এজন ডাক্তৰ অনুপ বড়ো, এজন ডাক্তৰ ঘনশ্যাম বসুমতাৰী আৰু এজন ডাক্তৰ অনিল দেউৰী ভড়ালী। তিনিও জন অনুসূচীত জন জাতিৰ। আমি তাত অনুসূচীত জাতি- জন জাতিৰ বিচাৰ কৰিবলৈ যোৱা নাই। কিন্তু এই কথাটো পৰ্য্যবেক্ষণ কৰি দেখা যায় যে তেওঁলোকে সুযোগ পাইছে, পঢ়িছে আৰু পঢ়ি তেওঁলোকে আজি এই সেৱা আগবঢ়াবলৈ সক্ষম হৈছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এটা ভাল কথা কলে, মইয়ো এই কথাটো আগতে ভবা নাই। এইযে কলে পৰীক্ষাত টো পাছ কৰিবলৈ কোনো reservation নাই।

**ডাঃ ৰনোজ পেগু (ধেমাজী) ঃ-** বেকলগৰ কথাখিনি আগতে উল্লেখ কৰি গৈছে সেয়েহে মই আৰু উল্লেখ নকৰো। আজি অসমত বড়ো ভাষা অষ্টম অনুসূচীলৈকে গ'ল। ক্ষুদ্ৰ ক্ষুদ্ৰ বহু জাতি আছে,জনগোষ্ঠী আছে, জনজাতীয় লোক আছে আৰু তেওঁলোকৰ নিজা ভাষা আছে আৰু সংবিধানৰ ৩৫০ (ক) ত কৈছে যে মাতৃভাষাৰ মাধ্যমেৰে শিক্ষাদান কৰিব লাগে। বৰেণ্য শিক্ষাবিদ সকলেও কৈছে, যে প্ৰাথমিক শিক্ষা সদায় মাতৃভাষাৰ জৰিয়তে হ'ব লাগে। প্ৰাথমিক শিক্ষা মাতৃভাষাৰ মাধ্যমেৰে কিয় হ'ব লাগে, এবাৰ এটা ঘটনাৰ পৰা ময়ো এইটো গভীৰভাৱে অনুধাৱন কৰিবলৈ সক্ষম হলো। এজন Block Elementary Education Officer য়ে এবাৰ মোলৈ ফোন কৰি সুধিলে যে ছাৰ, মেনজেক মানে কি? মই পটকে থত মত খালো যে কি কথা সুধিলে তেতিয়া কলে যে মেনজেক শব্দটোৰ অৰ্থটো কি মই কলো এইটো ম'হ, Buffalo. কৈছে এটা ঘটনা হৈছে, সেই কাৰণে মই আপোনাক সুধিছো। পিছত তেখেত মোৰ ওচৰলৈ আহিল। তেখেতে ক'লে এখন প্ৰাথমিক বিদ্যালয়লৈ তেওঁ গৈছিল, তাত ছবি চাই সেইটো কি, তাৰ নামটো লিখিব লাগে। তাতে মিচিং ছাত্ৰ এজনে ছবি চাই ফলিত লিখিলে, ছবিটো আছিল এটা ম'হৰ ছবি আৰু ছাত্ৰজনে লিখিলে মেনজেক এতিয়া এইটো শুদ্ধ নে অশুদ্ধ। মই ছাৰ ইয়াত নম্বৰ দিমনে নিদিম? তেওঁ ক'লে যে মোৰ ফালৰ পৰা অসমীয়া ভাষাত মেনজেক বুলিটো কোনো শব্দ নাই। গতিকে মই মেনজেক মানে কি মই নাজানো। যদি ম'হ বুলি লিখিলে হেতেন মই তাত দহৰ ভিতৰত দহ নম্বৰ দিলো হয়, কিন্তু মেনজেক বুলি লিখিছে আৰু মেনজেক বুলি লিখাৰ কাৰণে আৰু সেয়েহে মই তাত নম্বৰ দিব নোৱাৰিলো। তেতিয়া মই কলো মেনজেক শব্দটো অসমীয়া ভাষাত নাই যদি সেইটো ভাষাৰ সমস্যা। মেনজেক শব্দটোৰ অৰ্থ আপুনি যদি নাজানে শিক্ষক হিচাপে সেইটো আপোনাৰ সমস্যা। কিন্তু এই ফুলকুমলীয়া ছাত্ৰজনে ঠিকেই বুজিছে। ছবি চাই যেতিয়া তেওঁ লিখিছে, তেওঁ ঠিকেই ধৰিছে, আৰু তেওঁৰ মাতৃভাষাত তেওঁ লিখিছে এইটো ম'হ মানে Buffalo. তাৰ মানে মেনজেক। গতিকে ছাত্ৰজনে দহৰ ভিতৰ

দহ নম্বৰ পাবই লাগিব। মাতৃভাষাত শিক্ষাদানৰ সুযোগটো, তাৰ সুবিধাটো সেইখিনিয়ে আৰু সেই কাৰণে আমি সদায় কৈ থাকো কিন্তু আজি বহু ছাত্ৰ-ছাত্ৰী বিশেষকৈ জনজাতি সমাজৰ ছাত্ৰ-ছাত্ৰী বিশেষকৈ তেওঁলোকে মাতৃভাষাত প্ৰাথমিক শিক্ষা লাভ কৰাৰ পৰা বঞ্চিত হৈ আছিল। এই বঞ্চনাৰ ওৰ পেলোৱাৰ এটা ব্যৱস্থা কৰিব লাগিব। সেয়েহে প্ৰাথমিক শিক্ষা মাতৃভাষাত আৰম্ভ কৰি তাৰ পাছত আঞ্চলিক ভাষালৈ তাৰ transition ৰ এটা ব্যৱস্থা কৰোৱাৰ এটা শিক্ষানীতি বা ভাষা নীতি যদি আমাৰ চৰকাৰখনে গ্ৰহণ কৰে তেতিয়া হ'লে খুব উপকৃত হ'ব, আৰু আমাৰ বাকীসকল সন্মানীয় সদস্যই তেওঁলোকৰ সমস্যা বিলাক ইয়াত দাঙি ধৰাৰ কাৰণে সুযোগ পাব লাগিব। এই পইন্ট কেইটা কৈ অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আৰ্কষণ কৰি মই মোৰ বক্তব্য ইয়াতে সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Thank you. ইয়াৰ পাছত ডাঃ নোমল মমিনে ক'ব, কিন্তু আপুনি যিটো এটা experience দিলে, প্ৰথমবাৰ MLA হওঁতে আজিৰ পৰা প্ৰায় ৩০ বছৰ আগতে বাগানত যাওঁতে বাগানৰ ল'ৰা-ছোৱালী বিলাকে পইতাচোৰাটোক টেলপিয়া বুলি কয়, সেই কথাটো এজন শিক্ষকে তাত মোকো সুধিছিল। আমি যদি বাগানীয়া ভাষাটোৰ ওপৰত দখল থকা মানুহক বাগানত শিক্ষক দিওঁ তেতিয়া হ'লে প্ৰাথমিক বিদ্যালয়ত বহুতখিনি ভাল হ'ব। আমাৰ যিখিনিয়ে তেওঁলোকৰ ভাষাটো নাজানি তাত গৈ শিক্ষা দিয়ে, ঠিক একেধৰণে বেংগলী মাধ্যমৰ স্কুলত অসমীয়া শিক্ষকজন যোৱাতকৈ বেংগলী মাধ্যমৰ হ'লে, সুবিধা হয়। সেই কাৰণে আপুনি এইটো বৰ ভাল কথা ক'লে। ময়ো ভাবো যে মাধ্যমটো সৰু কালত নিজৰ ভাষা হ'ব লাগে। তাৰ পাছত ইংৰাজী শিকক ভালকৈ. এইটো খুব জৰুৰী কথা এতিয়া ডাঃ নোমল মমিন।

**ডাঃ নোমল মমিন (বোকাজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ Speaker Initiative ত এটা visionary step আপুনি লৈছে, আৰু তাৰ অধীনত আজি অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি সকলৰ আৰ্থ সামাজিক উন্নয়নৰ ওপৰত আলোচনাৰ বিষয়টো লৈ তাৰ ওপৰত মোক দু-আষাৰ কবলৈ দিয়াৰ বাবে ধন্যবাদ জনাই মোৰ বক্তব্য আৰম্ভ কৰিব খুজিছো। অধ্যক্ষ মহোদয়, আমাৰ কোটা ব্যৱস্থাটো কিয় আহিল ? সংবিধান কিয় দিব লগীয়া হ'ল ? ১৯৫০ চনৰ ২৬ জানুৱাৰীত যেতিয়া আমাৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি ডাঃ ৰাজেন্দ্ৰ প্ৰসাদ ডাঙৰীয়াই চহী কৰাৰ পাছতেই সংবিধানখন বলবৎ হ'ল আৰু তাৰ লগে লগে আমাৰ কোটা ব্যৱস্থাও আহিল। এইটো কাৰণে আহিবলগীয়া হ'ল যে জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধী, তেখেতে কৈছিল যে অস্পৃশ্যতা বৰ্জন কৰিব লাগে। এই অস্পৃশ্যতা থকাৰ কাৰণে, কোটা ব্যৱস্থাটো সংবিধানত আনিব লগা হ'ল, যিবিলাক বেকৱাৰ্ড ক্লাছৰ লোক সকলক ফৰৱাৰ্ড কৰিব কাৰণে, আৰু initially ইয়াত ১০ বছৰৰ কাৰণে প্ৰভিজন দিয়া হৈছিল, আৰু এই ১০ বছৰত এই পিছ পৰা লোক সকলক সমাজত আগুৱাই লৈ আহিব লাগিব, মুল সূতীলৈ লৈ আনিব লাগিব । কিন্তু আমি অসমত দেখিবলৈ পাওঁ এই অস্পৃশ্যতা। এটা সময়ত ইমান বেছি আছিল যে যদি কোনোবা ট্ৰাইবেল লোকে চোতালত ধান শুকুৱাই থোৱা অৱস্থাত পাৰ হৈ যায়, তেওঁৰ ছাঁটো পৰিলে সেই ধান আৰু নাখায়। হাঁহ কুকুৰাক বিলাই দিয়া হৈছিল। তেনে ধৰণৰ অস্পৃশ্যতা আছিল আৰু আমি যদি দেখো ডাঙৰ খহু এটা হৈছে আৰু চিকিৎসা কৰিলে ভাল হয়, তেতিয়া হ'লে তাক নাম দিয়া হয় নগা খহু, আৰু সকলোতকৈ দেখিবলৈ বেয়া দাখন হ'লে কোৱা হয় নগা দা আৰু ঢাৰিটো বেয়া হ'লে তাক কোৱা হয় নগাঢাৰী। তেনেধৰণৰ অস্পৃশ্যতা এটা আছিল। আজি এইক্ষেত্ৰত আমি বহু আগবাঢ়িছো, এনেধৰণৰ অস্পৃশ্যতা বিলাক অসমৰ পৰা দূৰ হৈছে আৰু তথাপিও কিছু কিছু সংখ্যক ৰৈ গৈছে। আমাৰ পেগু ডাঙৰীয়াই সুন্দৰকৈ

কৈছে, যে কোটা ব্যৱস্থাত কেৱল এডমিশ্যনটোহে পায়, পাছ কৰিবৰ কাৰণে কোটা ব্যৱস্থাত কোনো নম্বৰ অতিৰিক্তকৈ নাথাকে। তৎস্বত্তেও আজি আমি অনুভৱ কৰো, বহু ক্ষেত্ৰত ডাক্তৰ এজনে পাছ কৰি যেতিয়া গাঁওত প্ৰেক্তিচ কৰিবলৈ যায়, তেতিয়া বহু ঠাইত কোৱা হয় ট্ৰাইবেল ডাক্তৰ নালাগে অভিজ্ঞতা কম। তেনে ধৰণৰ মানুহৰ মাজত এটা ভুল ধাৰণা আছে। কিন্তু মই ১১ বছৰ চাকৰি কৰিছিলো মেডিকেল কলেজত, তেনে ধৰণৰ সমস্যাৰ মই সন্মুখীন হ'ব লগা হোৱা নাছিল বৰঞ্চ বিভাগে হওঁক বা মেডিকেল কলেজত থকা বেছিভাগ মানুহে মোৰ তালৈ আহিছিল আপোনাক দেখুৱাই যাওঁ বুলি। গতিকে সেইটো কথাওঁ শুদ্ধ নহয়। গতিকে Quota System ৰ যিটো ST/ SC/OBC বহু কথা তেওঁ সকলে ক'ব। কেইটামান পইণ্ট মই ক'বলৈ বিচাৰিছো ইয়াৰ ওপৰত যে এইটোৰ কাৰণে লাভ হৈছেনে নে লোকচান হৈছে? Quota System ৰ কাৰণে শতকৰা ১৫-২০ ভাগ এই সম্প্ৰদায়ক সামৰি লোৱা লোকেহে ইয়াৰ বেনিফিটটো পাইছে। আমাৰ ভুলটো ক'ত। আমি কিয় এশ শতাংশৰ ওচৰত যাব পৰা নাই। আজি মেডিকেল কলেজত ৰিজাৰ্ভেশ্যন ৰাখিছো 7% ST Plain, 5% ST Hills, SC 10%-15%, অৰশ্যে 27% তেনেকুৱাকৈ ৰাখিছো। কিন্তু মোৰ প্ৰশ্ন আমি এইসকল লোকক যিসকলক অন্ত্যোদয়া বুলি মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই এটা প্ৰজেক্ট লৈছে যে, সকলোতকৈ দুখীয়া লোকজনক আমি সমাজৰ main stream লৈ আনিবৰ কাৰণে আগবাঢ়ি আহিছো। আমি এইসকল ব্যক্তিক আগবঢ়াই আনিবৰ কাৰণে প্ৰচেষ্টা কৰোতে আমাৰ ভুলটো ক'ত হৈছে। আজি Quota Systeam দিছে, ঠিকেই আছে, কিন্তু লাভ কোনে পাইছে। ডাক্তৰ, ইঞ্জিনীয়াৰ, ব্যৱসায়ীক, মিনিষ্টাৰ, এম এ ল যাৰ যাৰ পইচা আছে, তেখেতসকলৰ ল'ৰা-ছোৱালীক ভাল স্কুলত পঢ়িব দিছে আৰু কম্পিটিশ্যনত তেখেতসকলে কমপ্লিট কৰাৰ পিছত তেখেত সকলৰ ল'ৰা-ছোৱালীয়ে এই Quota System ত পায়। আজি আমি সেই দুখীয়াতকৈ দুখীয়া লোকক উঠাবৰ কাৰণে আমাক সংবিধানে এই ৰক্ষা কৱচটো দিছিল। কিন্তু দুখীয়াতকৈ দুখীয়া সকলক আমি উঠাবলৈ কাৰণে চেষ্টা কৰিছোনে? নিশ্চয় হোৱা নাই। ভুল তাতেই হৈছে আৰু মেডিকেল কলেজ বা ইঞ্জিনীয়াৰিং কলেজত এডমিশ্যন ল'বলৈ হ'লে হাইয়াৰ চেকেণ্ডাৰীত চাইন্স পাছ কৰিব লাগিব আৰু ভাল মাৰ্ক লৈ পাছ কৰিব লাগিব। কিন্তু সেই ভাল মাৰ্ক লৈ পাছ কৰিবৰ কাৰণে এই backward area ত ভাল স্কুল আমি দিছো জানো? স্কুল দিছো, ভাল শিক্ষক দিছো জানো? শিক্ষক দিছো, সেই স্কুলৰ পাৰচেণ্টটেজ কেনেকুৱা? ভালকৈ ল'ৰা-ছোৱালী পাছ কৰিছেনে নাই। প্ৰথম বিভাগত কিমানে পাইছে, প্ৰথম বিভাগ পোৱাৰ পাছত এই ST/SC ৰ ল'ৰা-ছোৱালীয়ে প্ৰথম বিভাগত লেটাৰ মাৰ্ক লোৱা কেইজন আছে? খুব কম। আমি স্বাধীনতাৰ ৭২ টা বছৰ পাৰ হ'লো, কাপোৰ নিপিন্ধাৰ পৰা কাপোৰ পিন্ধিব শিকিলো। পোন্ধৰ-বিশ শতাংশ লাভ হৈছে। কিন্তু এই community খিনিয়ে লাভ কৰিব পৰা হোৱা নাই আৰু সেইটোৰ কাৰণে Quota System আৰু পাঁচশ বছৰ দিলেও আমি আগবাঢ়িব নোৱৰিম যদি আমাৰ পলিচিবিলাক সলনি নকৰো, আমি পলিচি সলনি কৰিব লাগিব তেতিয়াহে ই দুখীয়াতকৈ দুখীয়া সকলৰ কল্যাণ হ'ব, তেতিয়া ST/SC ৰ যিটো ৰিজাৰ্ভেশ্যন সেইটো প্ৰকৃতাৰ্থত সাৰ্থক হ'ব বুলি মই ভাবো। আজি জেনেৰেল কাষ্টৰ ল'ৰা-ছোৱালী আছে। তেওঁলোকে যেতিয়া এডমিশ্যন নাপায়, কাষ্টৰ ল'ৰা-ছোৱালী বিলাকক হিংসা কৰে আৰু কয় Quota থকাৰ কাৰণে পালে। এই কথাবিলাকো মনত আহে, কেতিয়াবা মনত আঘাত দিয়ে। সচাঁকৈ পাৰচেণ্যটেজ বেছি পোৱা ল'ৰা-ছোৱালীতকৈ তলৰ এটা Quota ত আহি যোৱাৰ লগে লগে তেতিয়া পাৰচেণ্টেজ বেছি পোৱা ল'ৰা-ছোৱালীৰ মনত এটা দুখ আহে, degradation হয় আৰু তেওঁৰ মনত এটা বেয়া ভাৱ সোমাই পৰে। আমাৰ সমাজত যিটো

অস্পৃশ্যতা, দেখুৱাই নকলেওঁ অন্তৰত সোমাই থাকে। আমাৰ কিছুমান প্লেনিঙত ভুল, এইটোৰ কাৰণে কৈছো। এডুকেশ্যন চিষ্টেম ঠিক কৰিব লাগিব। য'ত য'ত দুখীয়া মানুহ আছে, এই পিছপৰা জাতি জনজাতি লোকসকলক আগবঢ়াই আনিবৰ কাৰণে এই চিষ্টেমটো প্ৰথমতে আমি গুৰিতেই uplift কৰিব লাগিব। তেতিয়াহে next step আমি যোৱাৰ প্ৰয়োজন আছে আৰু sucess হ'ম। ¯ এনেকুৱাকৈ কথা কোৱা হয়, এনেকুৱাকৈ পলিচি বনোৱা হয়, যিটো ST/SC সকলক deprive কৰে। আমি SC/ST ৰ কমিশ্যনাৰত আমাৰ যিখন এচেম্বলী কমিটি, সেইখনৰ মই মেম্বাৰ। এটা Chief Engineer ৰ post create কৰিছে কিন্তু Additional Chief Engineer ৰ post নাই। যদি Additional Chief Engineer ৰ post নাই তেতিয়া হ'লে Chief Engineer য়ে কাক দিব। দিছো মানে আঙুৰটো ইয়াত আছে, খাব আহো কিন্তু ঢুকি নাপায়। তেনেকুৱা ধৰণৰ পলিচি বিলাক বনোৱা হয়, এইবিলাকত কেৰোণ বিলাক চাব লাগিব। Special Drive দি যিবিলাক ST Hills ৰ ৩৩ শ back log আৰু ST Plains ৰ ১২ হাজাৰ back log, SC ৰো তেনেকৈ back log এইবিলাক কৰা কাৰণে চুপ্ৰিম কৰ্টে ভাৰডিক্ট দিছে। তাৰ পাছতো আমাৰ ফলপ্ৰসু হোৱা নাই আৰু এটা কথা সংবিধানৰ মতে আমাৰ যিটো Quota System ৰ যিমান চিট আছে, এইকেইটা back log হৈ থাকিব। কেতিয়াও এইকেইটা পুৰণ কৰিব নোৱাৰে। কিন্তু বহু ক্ষেত্ৰত দেখা যায় এইবিলাক convert কৰি নিযুক্তি দিয়া যায়। এইটো এটা এই সম্প্ৰদায়ৰ লোকসকলক deprive কৰাৰ এটা উদাহৰণ। এটা উদাহৰণ দিছো মই, মেডিকেল কলেজত পঢ়ি থাকোতে মোৰ অনুভৱ হৈছিল, free clinical subject physiology, biochemistry, anatomy  ত্ৰইবিলাক বিষয়ত দিয়া হয় Register post advertisement। কিন্তু কথা হয় এই advertisement টো Register ৰ কাৰণে দিয়া হৈছে কিন্তু Post Graduate Seat ইয়াত Quota ত নাই। তাৰমানে এজনো ষ্টুডেণ্টৰ Post Graduation হৈ ওলোৱা নাই কিন্তু Register Post টোৰ কাৰণে এপ্লাই কৰিব দিছে advertise ত, কিন্তু মিনিমাম কোৱালিফিকেশ্যন দিছে MD বা MS. Master Degree লাগিব। এই পলিচি বিলাক বনাওতে আমি শুদ্ধকৈ পলিচি বিলাক বনাব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, আমি যিটো দেখিছো, যে পিছ পৰা লোক সকলক আগবঢ়াই নিবলৈ এই যিটো অস্পৃশ্যতাৰ কথা আমি কৈ আহিলো, ST/SC সকলক মনত আঘাত পোৱাকৈ মানুহে কথা কয়, তেতিয়া বেয়া লাগে। গতিকে আজি ST/SC আমি কওঁ বেয়া, কিন্তু প্ৰৱণতা এটা আছে সমাজত যে কেনেবাকে আমি ST/SC ৰ চাৰ্টিফিকেট এখন উলিয়াই লৈ আমি এডমিশ্যন ল'ব পাৰো নেকি? হয়, ST/SC ইমান বেয়া, তথাপিও আমি প্ৰৱণতা এটা এইটো যে, এখন চাৰ্টিফিকেট কেনেবাকে ল'ব পাৰো নেকি। সমাজৰ প্ৰতি এই লোকসকলক আগবঢ়াই নিবৰ কাৰণে আমি সকলোৱে চেষ্টা কৰিব লাগিব। তেতিয়াহে হ'ব আৰু এটা কথা মই উপলব্ধি কৰিছো, মোৰ ব্যক্তিগত, সেইটোত কোনোৱে বেয়া পাব নালাগে, বেলেগভাৱে ভাবিব নালাগে যে, Tribal Welfare ক ডেভলপ কৰিব লাগে। এটা বিভাগ আছে, আৰু মিনিষ্ট্ৰীটো আকৌ Tribal মানুহকে দিয়া হয়। মই ভাৱো, আমি বেকৱাৰ্ড, আমাক ডেভলপ্ কৰিব লাগিব। আমাৰ কাৰণে এটা ভাল বিভাগ, ভাল মন্ত্ৰী দিব লাগিব। আমি নকওঁ যে, আমাৰ Tribal Affair Minister inactive তেওঁ কাম কৰা নাই, তেওঁও কৰিছে। কিন্তু আমাৰ মনোভাৱটো এনেকুৱা হ'ব লাগে যে Tribal Welfare ক ডেভেলপ কৰিবলৈ অলপ Inteligent Minister দি আৰু আগবঢ়াব লাগিব। অসমত মাননীয় মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ডাঙৰীয়াক Tribal Affair Minister দিলে বহুত খিনি কথা আমি আগবঢ়িবলৈ

সক্ষম হ'ম। মাননীয় অধ্যক্ষ মহোদয়, তেনেধৰণৰ আমি চিন্তা কৰিব লাগিব, শিক্ষা ব্যৱস্থাৰ কথা চিন্তা কৰিব লাগিব, আৰু শেষত মই এটা কথা ক'ব বিচাৰিছো যে আমাৰ এইটো ST/SC/OBC ৰ এনেকুৱাকে যদি Categorise কৰি দিছো এইটো কাৰণে সমাজত মানুহৰ মাজত দুৰত্ব বাঢ়ি গৈছে আৰু দুৰত্ব বাঢ়ি যোৱাৰ কাৰণে মানুহ বিলাকৰ মাজত ইটো সিটো অকণমান ভিতৰুৱা ভিতৰুৱাকৈ মনত এটা বেয়া ভাৱ থাকে। মই ভাৱো, এটা বড়ো কমিউনিটিক কেনেকৈ ৰিভাইভ কৰিব লাগে, তেখেতসকলক কেনেকৈ আৰ্থসামাজিক, শৈক্ষিকভাৱে আগবঢ়াব লাগে, তেনেকুৱা এটা পদ্ধতি আমি ডিভাইচ কৰিব লাগে। গাৰো সকলোকো uplift কৰিবলৈ ডিভাইচ কৰিব লাগে। SC সকলৰ ক্ষেত্ৰতো কৰিব লাগে, তেনে ধৰণৰ ST/SC যিমান আছে, আদিবাসী লোক সকলো আছে, হাজং, কোচ, সৰু সৰু জাতি জনগোষ্ঠী আছে, তেখেতসকলোকো uplift কৰিবৰ কাৰণে আমি এটা চিষ্টেম ডিভাইচ কৰিব লাগে য'ত Economically backward । তেখেতসকলক uplift কৰক। এই ST/SC চাপটো পিঠিত লগাই নিদি এনেকুৱাকে Economically আগবাঢ়িবৰ কাৰণে এটা প্ৰচেচ যদি লয় তেতিয়া হ'লে আমাৰ পিঠিত লাগি থকা ST/SC এইবিলাক কথা নাইকিয়া হ'ব আৰু সেইটোৰ ক্ষেত্ৰত এটা উন্নতি হ'ব। কিন্তু এইটো ক্ষেত্ৰত চাবলৈ যাওঁতে যাতে যি সকল মিচিং, বড়ো, কাৰ্বি, গাৰো মানুহেই কওঁক, deprive নহয়। এওঁলোকক uplift কৰিবৰ কাৰণে এই চিষ্টেমটো ডিভাইচ কৰিব লাগে। যদিও মই ST Hills ৰ কথাটো ইয়াত নাহে তথাপি এটা লাইন মই কবলৈ বিচাৰিছো। কাৰ্বি আংলঙৰ যিটো চিষ্টেম আমাৰ ইয়াত কোৱা হয় uplift কৰিবৰ কাৰণে কাউঞ্চিল দিছো। কাউঞ্চিল দিয়াৰ কাৰণে পইচা দিছো, বহুত পইচা মিচইউজ হয় বুলি কয়, কিন্তু কাৰ্বি আংলঙৰ বাজেট ৩৫০ কোটি টকা এতিয়া হৈছে গৈ আগতে আছিল ১৫০-২০০ কোটি টকা। বাজেট বঢ়োৱাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। কিন্তু কথা হৈছে ২৮ টা বিভাগ আছে আৰু এই ২৮ টা বিভাগৰ মাজত ভগাই দিয়া হয়, তেতিয়া এটা এটা বিভাগে ১২ কোটি টকাকৈ পাব। আকৌ ১২ কোটি টকাকৈ ২৬ টা এম. এছ, ই সমষ্টিত ভগাই দিলে মাত্ৰ ৪১ লাখ টকাকৈহে পৰে। এটা সমষ্টি যত ২৫/৩০ হাজাৰ ভোটাৰ আছে তেনেকুৱা অঞ্চলত ৪১ লাখ টকাৰে উন্নতি সাধন কৰিব পাৰিব বুলি ভাবিব নোৱাৰি আৰু আমি যদি ৰাজ্যৰ পৰা টকা বিচাৰিবলৈ কওঁ তেতিয়া কয় এইটো কাৰ্বি-আংলঙৰ ট্ৰান্সফাৰ চাবজেক্ট, আপোনালোকক অলপ অলপকৈ বাজেট দিয়া হৈছে গতিকে অতিৰিক্ত পইচা নাপাব। অধ্যক্ষ মহোদয়, যদি আমি জলসম্পদ বিভাগৰ পৰা বান্ধ দিবলৈ যাওঁ, তেতিয়াহলে আমি ৪০ মিটাৰ পৰ্যন্ত বান্ধ দিব পাৰিম। বেলেগ বেলেগ সমষ্টিত ৭০০ কিঃ মিঃ লৈ বান্ধ নিৰ্মাণ কৰিবলৈ টকাকৈ পায়। যোৱা কালি আমি পাইছো ৭৭৭ লাখ টকা তেখেত সকলৰ এটা সমষ্টিত নদী বান্ধৰ বাবে দিছে আৰু আমি মাত্ৰ ৪০ লাখ টকা পাইছো। গতিকে এনেকুৱা অ-বিচাৰ হৈ আছে। শিক্ষা ব্যৱস্থাটো যদি উন্নত কৰিব লগীয়া হয় তেতিয়া হলে ব'ৰ্ডিং স্কুলৰ যিটো কনচেপ্ত এম. এছ, ডি, পিয়ে আনিছে সেই ব'ৰ্ডিং স্কুল বিলাকত লব লাগে। আমাৰ পাহাৰত দূৰত থকা স্কুল বিলাকত য'ত লৰা ছোৱালী যাব নোৱাৰে সেই বিলাকক ব'ৰ্ডিং স্কুলত পঢ়াই ভাল সুবিধা দি সিহঁতৰ মানসিক বিকাশ কৰিব লাগে আৰু শিক্ষাৰ ক্ষেত্ৰত আগবঢ়াই নিব লাগে। মই ভাবো ১৫/২০ বছৰৰ পিচত কাৰ্বি-আংলঙ আৰু ডিমাহাচাও আদি ঠাই সমূহ পিচ পৰি নাথাকে। এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয়া সদস্যা শ্ৰীমতী নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস (বকো)ঃ** মাননীয় অধ্যক্ষ মহোদয়, "অধ্যক্ষৰ পদক্ষেপ"ত আপুনি খুউব ভাল বিষয় এটা সামৰি লৈছে তাৰ বাবে প্ৰথমে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। অনুসূচিত জাতি

আৰু অনুসূচিত জনজাতিৰ যিসকল মানুহ আছে তেওঁলোকৰ আৰ্থ-সামাজিক উন্নয়ণৰ ক্ষেত্ৰত আলোচনা যোৱা ০৩-১২-২০১৯ তাৰিখে হৈছে আৰু আজিওঁ হ'ব। এই পদক্ষেপ খুবেই ভাল। অধ্যক্ষ মহোদয়, অসমৰ বিভিন্ন অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ বিভিন্ন সংগঠনে যোৱা ০৩-১২-২০১৯ তাৰিখে অনুস্থিত হোৱা বৈঠকত তেঁওলোকৰ সকলোখিনি সমস্যা ব্যক্ত কৰিছে, মেমৰেণ্ডামো দাখিল কৰিছে। প্ৰত্যেকৰে নিজা নিজা জাতিগত সমস্যা আছে। সকলোখিনি কথা যে কব পাৰিম সেইটো সম্ভৱ বুলি ভবা নাই। মই কিছু কথা উল্লেখ কৰিব বিচাৰিছো যে - ময়ো এগৰাকী আনুসূচীত জাতিৰ মহিলা। ময়ো ১৫ বছৰে সংগঠনৰ লগত জড়িত আছিলো আৰু সেই সময়ত বিভিন্ন ঠাই পৰিদৰ্শন কৰিছিলো। এই অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ মানুহখিনিৰ যি সমস্যা দেখিছিলো তেতিয়া মৰ্মে মৰ্মে উপলব্ধি কৰিছিলো যে - এই সকলক যদি আমি কেতিয়াবা সহায় কৰিব পাৰো তেতিয়া নিজকে ধন্য মানিম। আজি অতি কষ্টৰ বিনিময়ত, ত্যাগ আৰু চেষ্টাৰ ফলত আজি সদনৰ মজিয়াত এই মানুহখিনিৰ সমস্যাৰ কথা কবলৈ সুযোগ পাইছো। মই প্ৰথমে ধন্যবাদ জনাব বিচাৰিছো আমাৰ সংবিধানৰ প্ৰণেতা ডঃ বি আৰ আম্বেদকাৰক। তেখেতে সংবিধানৰ জৰিয়তে যদি সংৰক্ষণৰ ব্যৱস্থাটো কৰি থৈ নগলহেঁতেন, তেতিয়াহলে হয়তো আজি আমি যিসকলে আজি সংৰক্ষণৰ যোগেদি জয়যুক্ত হৈ বিধান সভালৈ আহিছো সেই সুযোগটো নাপালোহেঁতেন। সেয়েহে মই ডঃ বি, আৰ আমবেদকাৰৰ এটা উক্তি কবলৈ বিচাৰিছো। তেখেতে কৈছে - **"সকলো মানুহ একেই মাটিৰে তৈয়াৰী। তেওঁলোকৰ এয়া অধিকাৰ যে তেওঁলোকৰ লগত ভাল ব্যৱহাৰ কৰক। যেতিয়ালৈকে বৰ্ণহীন সমাজৰ স্থাপনা নহয় তেতিয়ালৈকে স্বতন্ত্ৰতাৰ মহত্ব নাই।"** আজিৰ যি বাতাবৰণ, আজিৰ সমাজ ব্যৱস্থাত আমি এই কথাখিনি উপলব্ধি কৰো যে ডঃ বি, আৰ আমবেদকাৰে যিখিনি কথা সংবিধানত লিপিবদ্ধ কৰিছিল। তাৰ বাহিৰেওঁ তেখেতৰ যিখিনি চিন্তা চৰ্চা, যি আদৰ্শ -নিদৰ্শন, সমাজৰ ঐক্যতা-বান্ধোনৰ বা উন্নয়ণৰ ক্ষেত্ৰত যিখিনি কথা কৈছিল, আজিৰ সময়ত কিন্তু ইয়াৰ প্ৰাসংগিকতা আছে। মই তেখেতক ধন্যবাদ জনাই দুই এযাৰ কথা কবলৈ বিচাৰিছো। মোৰ আগৰ বক্তা সকলে বহুখিনি কথা কৈছে, তাৰ লগতে কিছু নতুন কথা সংযোজন কৰিব বিচাৰিছো - অধ্যক্ষ মহোদয, আমাৰ ইয়াত বিট্ৰিছ চৰকাৰৰ দিনত ১৯৩১ চনত পিচপৰা শ্ৰেণীৰ লোক সকলক অনুসূচিত জাতি বুলি নামাকৰণ কৰা হৈছিল আৰু পৰবৰ্তী সময়ত ১৯৩৫ চনত বিট্ৰিছ চৰকাৰে ইয়াক আইনত পৰিণত কৰি নামাকৰণ কৰিছিল "ডিপ্ৰেছড ক্লাছ" বুলি আৰু তাৰ পৰবৰ্তী সময়ত ১৯৫৬ চনত ভাৰত চৰকাৰে এক অধিসূচনাৰ যোগেদি ১৬ টা উপজাতিক সামৰি অনুসূচিত জাতি বুলি নিৰ্দেশনা দিয়ে।

অধ্যক্ষ মহোদয়, আমাৰ মাজৰ বহু সময়ত আলোচনা হয় যে বহুতো উচ্চ জাতিৰ মানুহে সংৰক্ষিত জাতি বা জনজাতিৰ প্ৰমাণপত্ৰ উলিয়াই লৈ চৰকাৰী সুবিধা বিলাক লৈ আছে, ফলত আমাৰ বহুতো অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ অন্তৰ্ভুক্ত মানুহখিনিয়ে এই সুবিধা লাভৰ পৰা বঞ্চিত হৈ আহিছে। এই ক্ষেত্ৰত মই এটা কথা উনুকিয়াব বিচাৰিছো যে ১৯৩৫ চনত বিট্ৰিছ কাউঞ্চিলে যি অধিসূচনা জাৰি কৰিছিল (সেই সময়ত অৱশ্যে অবিভক্তঅসম আছিল) সেই সময়ত অসম ভেলী আৰু সুৰমা ভেলী বুলি নামাকৰণ কৰা হৈছিল, যিটোক এতিয়া আমি অসম ভেলী আৰু বৰাক ভেলী বুলি কোৱা হয়। সুৰমা ভেলী বা বৰাক ভেলীত ১৩ টা উপজাতি আছিল যেনে - কৈবৰ্ত, নমসূদ্ৰ, হীৰা, বনিয়া, বাচফৰ, লালবেগী, মেটৰ বা ভংগী, মালী বা ভূমালী, সুত্ৰধৰ, ধুবী বা দুবী, দুবলা বা বাউভলী, কাথানি, ঝালৌ. মালৌ বা মহাৰ। ঠিক তেনেদৰে ব্ৰহ্মপুত্ৰ উপত্যকাত ৭ টা উপ-জাতি আছিলে যেনে - কৈৱৰ্ত্ত, নমঃসূদ্ৰ, হীৰা, বনিয়া, বাচফৰ, লালবেগী, মেটৰ বা

ভংগী। গতিকে বৰাক ভেলীত ১৩ টা উপজাতি আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত ৭ টা উপ-জাতি আছিল। কিন্তু পৰবৰ্তী সময়ত ১৯৫৬ চনত অধিসূচনা জাৰি হোৱাৰ সময়ত ১৬ টা উপজাতিক সামৰি অনুসূচিত জাতি বুলি নিৰ্দেশনা দি প্ৰমাণপত্ৰ দিয়াৰ সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাত কিছু জনগোষ্ঠী নাছিল যেনে - মালী বা ভূমালী, সুত্ৰধৰ, ধুবী বা দুবী , দুবলা বা বাউভলী, পাতনি, ঝালৌ. মালৌ বা মহাৰা। কিন্তু আমাৰ ইয়াত খেলি মেলি বিলাক আৰম্ভ হয় যেতিয়া ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাত্ৰ ৩ টা আৰু অসম ভেলী ৭টা উপজাতিৰ মাজত প্ৰমাণপত্ৰ বিতৰণ কৰে। কাৰণ আমি আমাৰ জীৱিকা বা বৃত্তি হিচাপেহে প্ৰমাণপত্ৰ লাভ কৰো। পৰবৰ্তী সময়ত যিকেইটা উপজাতিক সামৰি লোৱা হোৱা নাছিল, তেখেত সকলেওঁ এই প্ৰমাণপত্ৰ সংগ্ৰহ কৰিব ধৰিলে। এই অসাংবিধানিক বা অসৎ উপায়েৰে সংগ্ৰহ কৰা প্ৰমাণপত্ৰ বাবেই নকল প্ৰমাণপত্ৰৰ প্ৰয়োভৰ হব ধৰিলে। গতিকে মই এইটোকে অনুৰোধ কৰিব বিচাৰিছো যে আগতে যি বৰাক ভেলীত ১৩ টা উপজাতি আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত ৭ টা উপ-জাতিক লৈ যদি প্ৰমাণপত্ৰ বিতৰণ কৰাৰ ব্যৱস্থা কৰে তেতিয়াহলে কিছু পৰিমাণে এই সমস্যাটো সমাধান হব।

অধ্যক্ষ মহোদয়, আমাৰ অনুসূচিত জাতি আৰু উপজাতিৰ মানুহৰ মাজত মাটিৰ সমস্যা আছে। আজি অনুসূচিত জাতি আৰু অনুসূচিতজনজাতিৰ মানুহখিনি ভূমিপুত্ৰ হোৱাৰ পাচতো কিন্তু আমাৰ মাটি নাই। বিশেষকৈ অনুসূচিত জাতিৰ মানুহ খিনিৰ মাটি নথকা বাবে তেখেত সকলে নদী, খাল বিল আদিৰ কাষৰীয়া অঞ্চল বিলাকত বসবাস কৰে আৰু এই অঞ্চল বিলাক গড়াখহনীয়া-প্ৰৱণ। প্ৰতি বছৰে প্ৰাকৃতিক দুৰ্যোগৰ বাবে এই লোক সকল নানা আহুকালৰ কৱলত পৰি এঠাইৰ পৰা আন ঠাইলৈ যাব লগা হয় আৰু এইটোও উদাহৰণ আছে যে - যেতিয়া তেখেত সকলে মাটি প্ৰদানৰ বাবে আবেদন কৰে তেতিয়া চৰকাৰে মাটিও প্ৰদান কৰে। আজি অসমত এনে কিছুমান ঠাই আছে য'ত হাজাৰ হাজাৰ মানুহ বসবাস কৰে কিন্তু তেখেত সকলৰ মাটিৰ পট্টা নাই। উদাহৰণ স্বৰূপে ১৯৬৭ চনতে ওদালগুৰিৰ তাৰাবাৰী অঞ্চলত অনুসূচিত জাতিৰ অন্তৰ্গত মানুহক ১০০০ বিঘা মাটি প্ৰদান কৰা হয়, কিন্তু আজিলৈকে তেখেত সকলক মাটিৰ পট্টা প্ৰদান কৰা হোৱা নাই। তেনেকৈ তেওঁলোকে বসবাস কৰি আছে। এই ক্ষেত্ৰত চৰকাৰে যদি অতি সোনকালে এটা জৰীপৰ ব্যৱস্থা কৰি Schedule Caste ৰ মানুহ ক'ত ক'ত আছে, কি অৱস্থাত আছে, তেওঁলোকক জৰীপ কৰি উলিয়াই মাটি আৱন্টন কৰি দিয়াৰ ব্যৱস্থা কৰি দিয়া হয়, মই ভাৱো এইটো তেওঁলোকৰ আৰ্থ-সামাজিক উন্নয়ন ক্ষেত্ৰত এক ডাঙৰ অৰিহণা হ'ব। ইয়াৰ বাহিৰেও আমি সকলোৱে জানো যে Forest Right Act, 2005 এখন আছে। সেই Act খনৰ জৰিয়তে Schedule Caste ৰ মানুহসকলক মাটি প্ৰদান কৰা হয়। যিটো বিগত চৰকাৰৰ দিনৰ পৰাই এতিয়াও চলি আছে। ঠিক তেনেদৰে মই মাননীয় মন্ত্ৰী মহোদয়ক দৃষ্টিআকৰ্ষণ কৰিব বিচাৰো যে যিহেতু এখন সংবিধানৰ দ্বাৰা Schedule Castes আৰু Schedule Tribes মানুহৰ সা-সুবিধাবিলাক দিয়া হৈ আছে। তেতিয়াহলে আমাৰ যিখিনি Schedule Caste মানুহ আছে, তেওঁলোকক এই অধিকাৰ প্ৰদান কৰিব লাগে। যদি ২০ বছৰ ধৰি Schedule Caste ৰ মানুহ এটা অঞ্চলত এডৰা মাটিৰ ওপৰত তেওঁলোকে ভূ-দখল কৰি আছে, তেতিয়া হ'লে তেওঁলোককো মাটিৰ পট্টা প্ৰদান কৰি মাটিৰ অধিকাৰ দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, নিৰনুৱা সমস্যা Schedule Castes আৰু Schedule Tribes মানুহৰ ক্ষেত্ৰত এটা ডাঙৰ সমস্যা। বহুক্ষেত্ৰত বহু সংগঠনে ৰাষ্টাত আন্দোলন কৰিছে backlog পূৰণ কৰিব লাগে, নিৰনুৱা সমস্যা সমাধান কৰিব লাগে। আজি এই সমস্যাটোৰ ওপৰত

বহুত বাৰ আলোচনা কৰা হৈছে, আমি বিচাৰিছো যে backlog ৰ সমস্যাটো সমাধান হ'ব লাগে। backlog ৰ ক্ষেত্ৰত এটা তথ্য পাইছিলো আজিৰ পৰা দহ বাৰ বছৰ আগতে যে প্ৰায় ২৯ হাজাৰ backlog অসমত আছে। পৰবৰ্তী সময়ত এক হাজাৰ backlog পূৰণ কৰা হ'ল আৰু বাকী ২৯ হাজাৰ backlog কি হ'ল। এইটোৰ কোনো সঠিক তথ্য আজিলৈকে আমি পোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, আমি কেইদিনমান আগতে আমাৰ Schedule Caste আৰু Schedule Tribe ৰ মিটিং হৈছিলে। সেই মিটিঙত আমাৰ issue এটাই আছিলে যে backlog কিমান আছে। আমাৰ মাননীয় সদস্য শ্ৰী কমলসিং নাৰ্জাৰী ডাঙৰীয়া, তেখেতে সভাপতি, শ্ৰী চন্দন ব্ৰহ্ম ডাঙৰীয়া মন্ত্ৰী হৈ প্ৰথম গুৰুত্ব দেখুৱাইছিল, আমি তেখেতক ভিজিট কৰি backlog কিমান আছে বাহিৰ কৰি দিবলৈ কলে। মই তেখেতৰ আগ্ৰহক ধন্যবাদ জনাইছো। আমি যেতিয়া সাত আঠদিন মিটিং কৰি তথ্য বিচাৰিছিলো যে backlog কিমান আছে দিয়ক। কিন্তু অতি দুৰ্ভাগ্যৰ কথা যে আজিলৈকে backlog কিমান সেই তথ্যটো বিভাগে আমাক দিব নোৱাৰিলে। গতিকে মই মাননীয় অধ্যক্ষ মহোদয়ক অনুৰোধ জনাইছো যে প্ৰকৃত তথ্যটো কিমান আছে আৰু ইয়াৰ সমাধানৰ ব্যৱস্থা কৰিব লাগে। কাৰণ মোৰ হাতত বহুতবোৰ advertisement ৰ notice আছে, যি বিভিন্ন বিভাগৰ advertisement হৈছিলে, সেই advertisement বোৰত Schedule Caste আৰু Schedule Tribe ৰ reservation ৰ ব্যৱস্থাটো ৰখা হোৱা নাছিল। মোৰ হাতত তথ্য আছে আপোনাক দিব পাৰো। গতিকে এনেকৈ বঞ্চিত কৰি থাকে। আমাৰ কথাটো হ'ল backlog খিনি পূৰণ কৰিব লাগে আৰু এই সমস্যাটো সমাধান কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা সমস্যা আছে duplicate certificate লৈ, এই duplicate certificate ৰ কাৰণে Supreme Court য়ে 1994 ত এখন Committee কৰি দিছিলে, যিটোৰ নাম হ'ল State Level Caste Scrutiny Committee আৰু সেই Committee ত State level ত গঠন হৈছে। কিন্তু বিভিন্ন সময়ত আমি যিবিলাক অভিযোগ দিছো তাৰ সদ্ উত্তৰ এতিয়ালৈকে পোৱা নাই। বহুত Non- Schedule Caste আৰু non-Schedule Tribe মানুহ আজি বিভিন্ন চৰকাৰী পদত এই সুবিধাবোৰ লৈ আছে। এই সকলক নাকী লগোৱাৰ কাৰণে বা এই duplicate certificate ৰ সমস্যাটো স্থায়ীভাৱে সমাধান কৰিবৰ কাৰণে State Level Caste Scrutiny Committee খনৰ কাৰ্য্যক্ষম হ'ব লাগে আৰু সভাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে এই কমিটিত কিমান বোৰ case register হৈছে আৰু কিমান নিষ্পত্তি হৈছে তাৰ যাতে তথ্য লয়। কাৰণ এনেকৈ activity কৰিলেহে মানুহে ভয় খাব বা duplicate certificate লোৱাৰ পৰা তেওঁলোক বিৰত থাকিব।

মাননীয় অধ্যক্ষ মহোদয়, Scheduled caste ৰ মানুহখিনি বেছিভাগ মৎস্যজীৱি। তাৰ কৈৱৰ্ত্ত সম্প্ৰাদায় মানুহৰ সংখ্যাটো বেছি আৰু তেওঁলোকে মাছৰ ব্যৱসায়ৰ ভিত্তিতহে জীয়াই থাকে। ১৯৫৩ চনৰ এখন মীন আইন আছিলে। এই মীন আইনখনৰ ধাৰামতে যিহেতু মাছৰ বংশবৃদ্ধিৰ ক্ষেত্ৰত মাছ মৰা কাম ১ এপ্ৰিলৰ পৰা ১৫ জুলাই লৈকে বন্ধ কৰি ৰাখিব লাগে। এই আইনখনে আৰু এটা সুবিধা দিছে যে এই তিনি চাৰি মাহ সেই মানুহখিনিয়ে যাতে জীয়াই থাকিব পাৰে, ভালকৈ খাব পাৰে তাৰকাৰণে তিনিশ টকাৰ এটা ভাট্টা প্ৰদান কৰা হৈছিল। কিন্তু আমি দেখিবলৈ পাইছো যে এই আঁচনিটো বন্ধ হৈ আছে। মই চৰকাৰক আপোনাৰ জৰিয়তে অনুৰোধ কৰিব বিচাৰিছো

যে যদি সচাঁকৈ লোকেল মাছ বৃদ্ধি হব লাগে, তেতিয়া হলে এই আইনখনৰ মতে Scheduled Caste ৰ মানুহখিনিক এই ভাট্টাটো দিব লাগে ।

মাননীয় অধ্যক্ষ মহোদয়, Govt. notification ৰ ক্ষেত্ৰত আৰু এটা কথা সংলগ্ন কৰিব খুজিছো যে মৎস্যজীৱি আৰু মাছ মৰীয়াৰ মাজত পাৰ্থক্য আছে। মৎস্যজীৱি এইসকল লোক যি মাছৰ ওপৰত ভিত্তি কৰি জীয়াই আছে। সেইকাৰণে SC ৰ কৈবৰ্ত্ত বা অন্য সম্প্ৰাদায়ৰ মানুহে যদি কৰি আছে, তেওঁলোকে এই সুবিধাটো পাব লাগে। মাছ মৰীয়া বুলি কলে বিভিন্ন জাতিৰ মানুহে মাছ মাৰিব পাৰে। বিশেষকৈ notification ৰ ক্ষেত্ৰত এই কথাটো স্পষ্টকৈ দিয়া হয়।

মাননীয় অধ্যক্ষ মহোদয়, নিযুক্তিৰ ক্ষেত্ৰত আমি জানো যে University ৰ যিটো level সেইটো হ'ল highest level of education আৰু এই University বিলাকত আজি কালি তেওঁলোকে নিজে চাকৰি দিব পাৰে। তাত Executive Council এখন আছে আৰু চাকৰিৰ ক্ষেত্ৰত তেওঁলোকে সৰ্বেসৰ্ব্বা। এই University বিলাকত 3rd Grade, 4th Grade ৰ প্ৰত্যেক বিভাগতে বহুত চাকৰি ওলায়। এই ক্ষেত্ৰত SC/ST ৰ reservation টো follow ৰ কৰা নহয়। মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে এই University ৰ Executive Council ত SC/ST ৰ যিবিলাক বিধায়ক আছে, তেওঁলোকক অন্তৰ্ভূক্ত কৰিব লাগে যাতে আমাৰ স্থানীয় যিখিনি খিলঞ্জীয়া SC/ST আছে, তেওঁলোকে যাতে এই চাকৰিৰ পৰা বঞ্চিত নহয়। অন্যথা তেওঁলোকে কাক চাকৰি দি আছে, কিমান চাকৰি দি আছে, SC/ST সকলে পাইছে নে নাই সেই তথ্য বিলাক আমি নাজানো। কাৰণ তেওঁলোকে তেওঁলোকৰ ভিতৰতে সকলো খিনি হয় । তেওঁলোকে চাকৰি দিব পাৰে । Scheduled Caste মহিলাৰ উন্নয়নৰ কাৰণে বহুতে মাছ মাৰি বিক্ৰী কৰিবলৈ আহে, হয়তো ৰাতিপুৱাই আপোনালোকৰ ঘৰ আহি ওলায়। তেওঁলোকৰ আজিলৈকে কোনোৰে চৰকাৰী সুবিধা পোৱা নাই। মহিলা বিলাকৰ ক্ষেত্ৰত চৰকাৰী সবলীকৰণৰ আঁচনি কিছু ল'ব লাগে। তেওঁলোকক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। যি সকলে মাছ বিক্ৰী কৰি জীৱিকা অৰ্জন কৰি আছে তেওঁলোকৰ কাৰণে কিছু আঁচনি ল'ব লাগে । মহিলাৰ ক্ষেত্ৰত আৰু এটা কথা ক'ব বিচাৰো যে ডাইনী হত্যাটো বেছিভাগ হৈ আছে ট্ৰাইবেল এৰিয়াত। মই কেইদিন মান আগতে এটা প্ৰশ্ন কৰিছিলো তাত তথ্য পোৱা হিচাপে চিৰাং, কোকৰাঝাৰ বা ওদালগুৰি জিলাতে বেছিভাগ ডাইনী হত্যাৰ নিচিনা ঘটনাবোৰ ঘটি থাকে। এইক্ষেত্ৰত এটা সজাগতা আনিব লাগে । যিহেতু Scheduled Caste and Scheduled Tribe Act এখন আছে। এই আইন খনৰ জৰিয়তে আমি যিবোৰ আঁচনি ল'লে এই অপসংস্কাৰ বা এই যিটো অপকৰ্ম বন্ধ হয় তাৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। আপুনি বেয়া নাপালে ইমানতে সামৰিব খুজিছো । বাকী পইন্ট বিলাক তিনিজন আছে তেওঁলোকক দি দিব পাৰিব । আপোনাৰ পইন্ট কেইটা ল'ব পাৰিব । মই আপোনাৰ শেষ কৰা বুলি ক'ব পাৰো নে ?

**শ্ৰীমতী নন্দিতা দাস (বকো)ঃ**- চাৰ আমাৰ Scheduled Caste and Scheduled Tribe জনসংখ্যাটো অসমত ৩ কোটি ১২ লাখৰ ভিতৰত ৮৪.৩৭১ লাখ হৈছে আমাৰ SC, ২৮.৩১ লাখ ST সেইমতে জনসংখ্যা বৃদ্ধি হৈছে। প্ৰায় ৭. ১৫ হৈছে । Scheduled Caste ৰ কথা কৈছো। Cheduled Tribe 12.4 হৈ আছে । সেই ক্ষেত্ৰত আমাৰ সংৰক্ষিত যিখিনি আসন আছে ৮ খন আসন আমাৰ আছিলে, মইও তাৰেই এটা। এই হিচাপে চাবলৈ গ'লে এটা আসন বাঢ়িব লাগে ।

**মাননীয় অধ্যক্ষঃ** please conclude.

**শ্ৰীমতী নন্দিতা দাস (বকো)ঃ-** অধ্যক্ষ মহোদয় মই আপোনাক ধন্যবাদ জনাইছো যিহেতু এইটো গুৰুত্বপূৰ্ণ বিষয় আপুনি লৈছে আৰু পৰৱৰ্তী বিধান সভাৰ অধিবেশনতো যেন এনেকুৱা কথা বিলাক আলোচনা কৰে । লগতে আৰু এটা অনুৰোধ জনাইছো অধ্যক্ষ মহোদয়, যে আপুনি অধ্যক্ষৰ পদক্ষেপ শিতানত বহুতো বিষয় ৰাইজৰ ওচৰত দাঙি ধৰিছে। মই আশা কৰো যে বিষয় বিলাক অকল আলোচনাতে শেষ নহয়, ইয়াৰ সমাধানৰো ব্যৱস্থা কৰে আৰু এই ক্ষেত্ৰত আপোনাৰ পদক্ষেপ যিহেতু এইটো, আপুনি যাতে বেছি গুৰুত্ব দিয়ে এইটো যাতে সমস্যা বিলাকৰ সমাধান ইয়াতে ওলায় । শেষত মই এটা কথা কওঁ যে আমাৰ সদস্য নোমল মমিন ডাঙৰীয়াই কৈছিলে যে Scheduled Tribe Department ত চোকা মন্ত্ৰী লাগে। মই এইটো তেখেতৰ বিৰোধীতা কৰিব বিচাৰো। কাৰণ আমাৰ সকলো বিধায়কৰে নিশ্চয় কিবা এটা গুণ আছে, যাৰ কাৰণে আজি সদনৰ মজিয়াত আহিছো। আৰু এই বিভাগ Scheduled Caste বা Scheduled Tribes ৰ মন্ত্ৰীয়ে আমাক লাগিব। কাৰণ আমাৰ যিবিলাক সমস্যা আছে সেই বিলাক অনুধাবন কৰি আহিছো। সেইবাবে আমিহে এই কথাবিলাক উত্থাপন কৰিব পাৰিম । Non-Scheduled Caste বা Non-Scheduled Tribes বিলাক যিমানেই চোকা নহওঁক কিয় তেওঁলোকে এইটো বিভাগ পাব নালাগে ।

**(সময়ৰ অভাৱৰ বাবে মাননীয় অধ্যক্ষ মহোদয়ৰ নিৰ্দেশ মৰ্মে মাননীয় সদস্যা শ্ৰীমতী নন্দিতা দাসে অনুসূচিত জাতিৰ সমস্যাসমূহৰ সন্দৰ্ভত লিখিত ভাৱে আগবঢ়োৱা প্ৰস্তাৱ সমূহ তলত উল্লেখ কৰা হ'ল)**

(১) অসমৰ ৩৩ খন জিলাত থকা প্ৰায় ৪০ লাখ অনুসূচিত জাতিৰ লোকৰ জনগণনাৰ লগতে আৰ্থ-সামাজিক স্থিতিৰ ওপৰত এক চৰকাৰী জৰীপ হওঁক। উল্লেখযোগ্য যে এই আৰ্থ-সামাজিক জৰীপে বিগত সময়ৰ অনুসূচিত জাতিৰ উন্নয়নৰ আচল ছবিখন স্পষ্ট কৰিব আৰু সংৰক্ষণ ব্যৱস্থা তথা সাংবিধানিক সুৰক্ষাৰ প্ৰাসংগিকতা, প্ৰয়োজনীয়তাক দৃঢ়তাৰে পুনৰ প্ৰতিষ্ঠা কৰিব।

(২) একেৰাহে ২০ বছৰ একেডৰা মাটি ভোগ বা দখল কৰি থকা লোকক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰক।

(৩) বনাঞ্চল, নদীৰ পাৰ, মঠাউৰী আদিত বাস কৰা অনুসূচিত জাতিৰ লোকখিনিক ভূমিৰ অধিকাৰ দিয়াৰ ব্যৱস্থা কৰক।

(৪) চৰকাৰে পূৰ্বতে বিভিন্ন সময়ত বিভিন্ন ঠাই সংৰক্ষণমুক্ত কৰি কিছুমান চৰকাৰী ভূমি অনুসূচিত জাতিৰ লোকক আৱণ্টন দিছিল। উদাহৰণ স্বৰূপে ১৯৬৭ চনত ওদালগুৰি জিলাৰ টাৰাবাৰী গাঁৱত ১০০০ বিঘা মাটি আৱণ্টন দিয়া হৈছিল যদিও আজিলৈকে সেই ভূমিত বসবাস কৰা অনুসূচিত জাতিৰ লোকসকলক মাটিৰ পট্টা দিয়া হোৱা নাই। চৰকাৰে বিভিন্ন ঠাইত আৱণ্টন দিয়া ভূমিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰক।

(৫) নিবনুৱা সমস্যাই অনুসূচীত জাতিৰ ক্ষেত্ৰত ভয়াৱহ ৰূপ ধাৰণ কৰিছে। চৰকাৰী বিভিন্ন বিভাগত অনুসূচিত জাতিৰ লোকৰ বাবে চাকৰি সংৰক্ষণৰ ব্যৱস্থা আছে যদিও চৰকাৰৰ কিছুমান অ-অনুসূচিত জাতিৰ বিষয়াৰ মইমতালীৰ বাবে অনুসূচিত জাতিৰ নিবনুৱা যুৱক-যুৱতীসকল চাকৰিৰ পৰা বঞ্চিত হৈ আছে। ফলত বিভিন্ন বিভাগত বিভিন্ন পদবীত যথেষ্ট সংখ্যক Backlog সৃষ্টি হৈছে। তথ্য সহকাৰে জনাওঁ যে চৰকাৰৰ পৰিবহন, মীন তথা বিভিন্ন জিলা উপায়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত নিয়োগ পৰিক্ৰমাত সংৰক্ষণ নীতি মানি চলা

নাই। (বিভিন্ন বিভাগৰ বিজ্ঞাপনৰ কপিসমূহ তলত গাঠি দিয়া হ'ল)

(৬) তথ্যমতে আজি প্ৰায় ১০/১২ বছৰ আগতে অসমত প্ৰায় ২৯৩০৩ টা Backlog আছিল। সেইবোৰ পূৰণৰ ক্ষেত্ৰত কিছুমান নীতি নিৰ্দেশনা প্ৰস্তুত কৰা হৈছিল যদিও তাৰ কোনো বাস্তৱ ৰূপায়ণ দেখা নগ'ল।

(৭) অনুসূচিত জাতিৰ লোকৰ Backlog সমূহ Special Drive ৰ যোগে পূৰণৰ ব্যৱস্থা কৰা হওঁক।

(৮) অনুসূচিত জাতিৰ লোকসকল মৎস্যজীৱি। অসমৰ বিভিন্ন প্ৰান্তত মাছ উৎপন্ন হোৱা চৰকাৰী নদ-নদী, খাল-বিল আদি তথা মৎস্য বিক্ৰী কেন্দ্ৰ সমূহ অ-অনুসূচিত জাতিৰ লোকৰ নামত আৱণ্টন বন্ধ কৰি অনুসূচিত জাতিৰ লোকৰ নামত আৱণ্টন দিয়াৰ ব্যৱস্থা কৰা হওঁক।

(৯) মৎস্যজীৱি অনুসূচিত জাতিৰ মহিলা সকলক বিশষ ভাট্টা প্ৰদানৰ ব্যৱস্থা কৰা হওঁক।

(১০) ১৯৫৩ চনৰ মীন আইন অনুসৰি মৎস্যজীৱি প্ৰতিটো (কৈৱৰ্ত্ত্য) পৰিয়ালক (১ এপ্ৰিলৰ পৰা ১৫ জুলাইলৈ) মাছৰ বংশ বিস্তাৰ বা কণীপৰা সময়ছোৱাত ৩০০ টকাকৈ আৰ্থিক সাহাৰ্য্য প্ৰদান কৰাৰ ব্যৱস্থা আছিল। সেই একেইখন আইনৰ আওতাত বৰ্তমান সময়ত উক্ত ৩০০ টকাৰ পৰিৱৰ্ত্তে ৩৫০০০ টকাৰ টকাৰ অৰ্থ সাহাৰ্য্য প্ৰদান কৰা হওক।

(১১) অনুসূচিত জাতিৰ মহিলাসকলৰ সৱলীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হওক।

(১২) অনুসূচিত জাতিৰ মহিলা সমূহক স্কিল ডেভলপমেণ্টৰ জৰিয়তে প্ৰশিক্ষণৰ ব্যৱস্থা গ্ৰহণ ও মহিলাসকলৰ স্বাস্থ্যৰ উন্নতিকৰণৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হওঁক।

(১৩) অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ যোগেদি সুদীৰ্ঘদিন চলি থকা পৰম্পৰাগত আঁচনিসমূহৰ পৰিৱৰ্তন ঘটায় সময়োপযোগী আঁচনি গ্ৰহণ কৰি আৱণ্টিত পুঁজিৰে অনুসূচিত জাতিৰ প্ৰকৃত হিতাধিকাৰীক উপকৃত কৰক।

(১৪) অসম চৰকাৰৰ ২৯ টা বিভাগৰ অনুসূচিত জাতিৰ সংযোগী আঁচনি (SCSP) সমূহ বিগত প্ৰায় এটা দশক ধৰি একেবাৰে স্থবীৰ হৈ আছে। উক্ত আঁচনি সমূহ তৎকালীন ভাৱে কাৰ্য্যকৰী কৰিবলৈ বিভাগ সমূহলৈ নিৰ্দ্দিষ্ট পুঁজি যোগান ধৰক।

(১৫) অনুসূচিত জাতিৰ বৰ্ধিত জনসংখ্যাৰ ভিত্তিত বাজেট নিৰ্দ্ধাৰণ কৰা হওঁক।

(১৬) অসমৰ বিশ্ববিদ্যালয় সমূহৰ পৰিচালনা আৰু নিয়ন্ত্ৰণৰ দায়িত্বত থকা Executive Council ৰ সদস্য পদত অনুসূচিত জাতিৰ প্ৰতিনিধি ৰখাটো বাধ্যতামূলক হ'ব লাগে। যিহেতু স্বাধীনোত্তৰ কালৰ পৰা আজিলৈকে বিশ্ববিদ্যালয়ৰ বিভিন্ন পদ আৰু সেৱা সমূহত অনুসূচিত জাতিৰ লোক সকলে সংৰক্ষণৰ আধাৰত নিযুক্তি লাভ কৰা নাই আৰু সংৰক্ষণ আইন মানি চলা নাই। ৰাজ্যখনৰ ভিতৰত আটাইতকৈ উচ্চ শিক্ষা প্ৰতিষ্ঠান সমূহে যদি দেশৰ সংবিধান আৰু আইন মানি নচলে তেতিয়া হ'লে ৰাজ্যৰ উন্নতি সাধন কেনেকৈ হ'ব।

(১৭) অনুসূচিত জাতিৰ ছাত্ৰ-ছাত্ৰীসকলৰ স্কুল-কলেজত দিয়া জলপানি নিয়মীয়া কৰা হওক।

(১৮) অনুসূচিত জাতিৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উচ্চ শিক্ষা অনুষ্ঠান সমূহত থকা ছাত্ৰ-ছাত্ৰী নিবাস সংৰক্ষণ অনুযায়ী আৱণ্টন দিয়া হওক।

**মাননীয় অধ্যক্ষ ঃ** Thank you. মই কৈছো যে আমাৰ ভৰেন্দ্ৰ নাথ ভড়ালীয়ে কেইটামান কথা কৈছে। মই সেইকেইটা ক'ব মানা কৰিছো । নহ'লে আমাৰ ১৭ জন সদস্যৰ নাম তালিকাত আছে। এতিয়ালৈকে মই ৫ জন শেষ কৰিব পাৰিছো । পিছত আমি দিব নোৱাৰিম বাকী সকলক। তেখেতে

কৈছে যে এটা Commission হ'ব লাগে শুদ্ধ ভাবে সংৰক্ষণৰ প্ৰবৰ্তন কৰাৰ কাৰণে। back-log ব্যৱস্থাৰ ক্ষেত্ৰত কমিতি দি প্ৰকৃত backlog কিমান পাব এই কথা কেইটা কথা আগতে কৈছে । socio-economic ৰ কথা কৈছে, প্ৰমাণ -পত্ৰ সমূহ বৈজ্ঞানিক দৃষ্টিভংগীৰে নবীকৰণ কৰিবলৈ কৈছে । যাতে এইবিলাক ওলাই পৰে। মই সেই কাৰণে কৈছে যে একেটা কথা কৈ থাকিলে পিছত সময় নিমিলিব । মই সেই কাৰণে কৈছো যে কিছুমান principle repeat নকৰিব । তেতিয়াহে আলোচনা বিলাক ফলপ্ৰসু হ'ব । এতিয়া আমাৰ ১৭-১৮ জন আছে। ১০ মিনিটৰ পিছত মই বেল বজাম । গতিকে কোন কেইটা কথা ক'ব উলিয়াই ল'ব। তাৰ পিছত শেষ কৰিবলৈ চেষ্টা কৰিব । এতিয়া মামুন ইমদাদুল হ'ক চৌধুৰী।

**শ্ৰী মামুন ইমদাদুল হ'ক চৌধুৰী (নাওবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কেইটামান অনুৰোধ কৰিব বিচাৰিছো যে আমাৰ এজন মাননীয় বিধায়কে মোক এটা কথা কৈছিল ।

**মাননীয় অধ্যক্ষঃ** সময় চাই কথা ক'ব ।

**শ্ৰী মামুন ইমদাদুল হ'ক চৌধুৰী (নাওবৈচা) ঃ** মই আপোনাক আশ্বাস দিছো যে মই বিতৰ্কিত কথা নকওঁ। আচল কথা হ'ল যে Government এখন collective responsibility ত চলে। আটাইকেইজন মন্ত্ৰীয়ে উপযুক্ত, এই কথাটো মানি লোৱা ভাল। এইটো democratic protocol.

**মাননীয় অধ্যক্ষঃ** এই কথাবোৰ পাতি থাকিলে শেষ নহ'ব । Why are you not come to the subject? We are interested to the subject not by the conflict. This is not the debate. মই আপোনাক debate কৰিবলৈ মতা নাই ।

**শ্ৰী মামুন ইমদাদুল হ'ক চৌধুৰী (নাওবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো বিষয় উত্থাপন কৰিবলৈ আমাক সুযোগ দিছে, অসমৰ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি সকলৰ আৰ্থ-সামাজিক উন্নয়ন। এই বিষয়টো আমাৰ দেশ স্বাধীন হোৱাৰ ৭০ বছৰ পাৰে হৈ গ'ল আৰু এই বিষয়টোৰ ওপৰত আপুনি যিটো পদক্ষেপ লৈছে এই পদ্ধতিটো আগত নাছিল। এতিয়া আপুনি প্ৰত্যেকটো অধিবেশনতে এনেকুৱা ধৰণৰ বিষয় আলোচনাৰ কাৰণে আনি আছে । অতি ভাল হৈছে আৰু আমিও জানিব পাৰিছো। এতিয়া যদি আমি এই বিষয়টো ভাগ কৰি তিনিটা বিষয় কৰো তেতিয়াহ'লে অসমৰ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি ইয়াৰ সংজ্ঞা কি ? তাৰ পিছত আহিল আৰ্থ-সামাজিক উন্নয়ন মানে social status আৰু economic status যদি চাওঁ তেতিয়াহ'লে তেওঁলোকৰ social আৰু economical development ৰ আলোচনা কৰিব পাৰো । এতিয়া আমি যদি সংজ্ঞা চাওঁ অনুসূচীত জাতি কাক কয় আৰু অনুসূচীত জনজাতি কাক কয়। Scheduled Caste, Scheduled মানে listed, মানে এটা limited criteria থাকে। তাৰ কোনো limitation নাই যে এইটো criteria থাকিব লাগিব । এইটো কেন্দ্ৰীয় চৰকাৰে স্পষ্ট ভাবে ক'বলৈ গ'লে Article 341 আৰু Article 342 । ভাৰতৰ সংবিধানে Article 341টো অনুসূচীত জাতিক অন্তৰ্ভূক্ত কৰিছে আৰু Article 342 (ক) অনুসূচীত জনজাতিক অন্তৰ্ভুক্তি কৰিছে । স্বয়ং ভাৰতৰ ৰাষ্টপতিক empower কৰিছে যে যেতিয়া প্ৰয়োজন হয় এই জাতি আৰু জনগোষ্ঠী পিছপৰা জনগোষ্ঠী সকলক আৰ্থ-সামাজিক দিশটো living standard এইবিলাক চাই তেওঁলোকে এইটো কৰে। আৰু সেই মতে এইটো তাৰ সংজ্ঞা। তাৰ মানে এই সংজ্ঞাটো স্থায়ী নহয়। আজি যিটো caste বা sub-caste SC হৈ আছে, কাইলৈ নাথাকিব পাৰে। তাত হয়তো কমিবও পাৰে, হয়তো বাঢ়িব পাৰে আৰু চাৰ আমি যদি social status টো

চাওঁ আমাৰ SC ৰ ক্ষেত্ৰত। ২৯ মে', ২০১৫ চনৰ Economic Times newspaper খনত ওলাইছিল । অসমত ৭.২ শতাংশ SC population আৰু যদি আমি এইটো decentralization কৰো আৰু আমাৰ কোন কোন ১৬ টা sub-caste আছে, আমাৰ কেইজনমান মাননীয় বিধায়কে কৈগৈছে। sub-caste means উপ-জাতি। এই অনুসূচীত জাতিৰ ভিতৰত তেওঁলোক উপ-জাতি। তাৰ ভিতৰত বাচফ'ৰ আছে-০.৮ শতাংশ, এইটো চাৰ ২০১১ চনৰ নহয় । মই যিটো কৈ আছো ৭.২ শতাংশ এইটো ২০১১ চনৰ আৰু আনটো ২০০১ চনৰ ।

**মাননীয় অধ্যক্ষঃ** আপুনি আচল কথাটোলৈ আহক ।

**শ্ৰী মামুন ইমদাদুল হ'ক চৌধুৰী (নাওবৈচা) ঃ** এইটো চাৰ Authority Registrar General of India ৰ census ৰিপোৰ্ট। এইটো চাৰ ২০০১ ৰ ৰিপোৰ্ট। sub-caste আছে- বাচফ'ৰ ০.৮ শতাংশ, বুনি মালি আছে ৩.২ শতাংশ, বৃট্টাল বনিয়া ২.৬ শতাংশ, ধুবি ২.৭ শতাংশ, দোকলা ০.৩ শতাংশ, হীৰা ৩.০ শতাংশ, জালেকোট ১.৩ শতাংশ, জালু ৪.২ শতাংশ, কৈৱৰ্ত্ত্য ৩১.৮ শতাংশ আৰু লালবেগি ০ শতাংশ। কোনো মানুহ নাই অসমত । আপোনাৰ মহৰা ০.১ শতাংশ, মেহতাৰ ০.৭ শতাংশ. মুছি ৩.৯ শতাংশ আৰু নমঃশূদ্ৰ ৩০.৪ শতাংশ। তাৰমানে কৈৱৰ্ত্ত্য আৰু নমঃশূদ্ৰ highest sub-caste. তাৰ পিছত পত্নী আছে ৮.৩ শতাংশ, শুত্ৰধাৰ আছে ৩.৪ শতাংশ। এইটো হ'ল চেঞ্চাচ ৰিপোৰ্ট। আমি যদি জিলা ভিত্তিক চাওঁ আটাইকেইটা জিলাত sub caste আছে।

**মাননীয় অধ্যক্ষ ঃ** সেইখিনি মই ৰেকৰ্ডত ৰাখি দিম, ভৰাই দিম বাকী বেলেগ কওঁক।

**শ্ৰীমামুন ইমদাদুল হক চৌধুৰী (নাওবৈচা) ঃ** মই ১০ মিনিটত শেষ কৰিম। কাছাৰত বেছি এচ চি ৰ জনসংখ্যা আছে - ১৪.৪ শতাংশ, তাৰ পিছত কৰিমগঞ্জত আছে ১৩ শতাংশ আৰু মৰিগাঁৱত আছে ১২.৯ শতাংশ। এইটো চাৰ, চৰকাৰে কৈ আছে। পিছপৰাৰ কাৰণেটো তেওঁলোকক ৰিজাৰ্ভেশ্যন দিয়া হৈছে, কিন্তু শিক্ষাৰ ক্ষেত্ৰত যদি আমি চাওঁ আমাৰ এচ চি ৰ status, national level ত কৈ আমাৰ ভাল, এইটো চৰকাৰে কৈ আছে বা Register General of India ই কৈ আছে গোটেই ভাৰত বৰ্ষত ৫৪.৭ শতাংশ এচ চি ৰ মানুহ শিক্ষিত আৰু অসমত এইটোৰ শতাংশ ৬৬.৮, তাৰমানে অসমৰ status national level ত কৈ ভাল as per Register General of India. তাৰপিছত আমাৰ যে কোৱা হয় যে আমাৰ জীৱন ধাৰণাৰ প্ৰক্ৰিয়াৰ ওপৰত মানদণ্ডৰ ওপৰত তেওঁলোকক দিয়া হয় জীৱন জীৱিকাৰ statusটো, work perticipation rate, জীয়াই থাকিবৰ কাৰণে কিন্তু সংগ্ৰাম কৰা হয় তাৰ কাৰণে মানুহে জীৱিকা অৰ্জন কৰে। সেইটোক work Participatory rate বুলি যদি আমি চামাৰ হিচাপে কৈ লওঁ ৩৪.৪ শতাংশ মানুহ স্বচ্ছভাৱে জীৱিকা অৰ্জন কৰে as per Register General of India. ইয়াতো sub cast wise ও আছে, এইটো আৰু দীঘলীয়াকৈ নকওঁ। তাৰপিছত Category of works এই যে ৩৪.৪ শতাংশ মানুহ well established, তাৰ ভিতৰত কি কি কাম তেওঁলোকে কৰে, তাৰে ৩২.৭ শতাংশ মানুহ কৃষিজীৱি, এচ চি ৰ ক্ষেত্ৰত কৈ আছো, ৮.১ শতাংশ কৃষিৰ লগত জড়িত শ্ৰমিক আৰু 5.1% household category and 54% other works কৰে, তেওঁলোকে অন্যান্য কাম কৰে, মাছ মাৰে আদি। আৰু বৈবাহিক status বা sex ratio যিটো কথা এইটো এচ চি ৰ বহুত উন্নত অসমত। মই ৰিপোৰ্ট মতে কৈ আছো। Child Marriage rate only 1.8%, তাৰমানে এচ চি ৰ মানুহ শিক্ষিত। সেই কাৰণে Child Marriage এচ চিত সকলোতকৈ কম 1.8%, as per Register General of India. তাৰপিছত Reli-

gious Status. যদি চাওঁ অকল হিন্দু মানুহে যে এচ চি আছে সেইটো নহয়, বুদ্ধিষ্ট মানুহো এচ চি আছে, আপোনাৰ শিখ মানুহো এচ চি আছে। আপোনাৰ ৯৯.৯ শতাংশ হিন্দু, সেইটো হয়। কিন্তু ০.১ শতাংশ হলেও বুদ্ধিষ্ট আৰু শিখ মানুহ আছে। এতিয়া থাকিল reservation, এইটো Indian Expresses য়ে লিখিছে আজি যোৱা কালি চেন্ট্ৰেল কেবিনেটে reservationটো আকৌ extend কৰিছে আৰু এইটো কৰিবও লাগে। তেওঁলোকৰ উন্নয়নৰ কাৰণে দৰকাৰ আছে, reservationটো সকলোৱে জানে, reservation systemটো মই আনিছিলো, ক'ৰ পৰা কেনেকৈ আহিলে মই নকওঁ, প্ৰত্যেক ১০ বছৰৰ মূৰে মূৰে এইটো নবীকৰণ কৰিব লাগে। গতিকে অহা বছৰ reservation systemটো abolish হৈ গ'ল হয়। সেই কাৰণে যোৱাকালি ০৪-১২-২০১৯ তাৰিখে কেন্দ্ৰীয় মন্ত্ৰীসভাই আকৌ extend কৰিছে, এইটো ভাল হৈছে। গতিকে reservation systemটো থাকিব। তাৰপিছত সাংবিধানিক ৰক্ষাকবচ Article 330 মতে এচ চি সকলে লোকসভাত reservation পায়, Article 332 মতে বিধান সভাত আসন সংৰক্ষিত থাকে, Article 243(D) মতে তেওঁলোকৰ পঞ্চায়তত আসন সংৰক্ষিত থাকে, Article 243(T) মতে তেওঁলোকৰ পৌৰনিগমত আসন সংৰক্ষিত থাকে, এনেকৈ বহুত provision আছে আৰু থাকিবও লাগে। তাৰপিছত Ministry of Welfare আছেই এচ চি আৰু এচ টি ৰ কাৰণে, National Commission for SC & ST Article 338 & Article 338(A) তেওঁলোকক এই সুবিধাটো দিছে। এইবাৰ এচ টি ৰ বিষয়ে কওঁ, Article 342 এইটো মই লৈ আনিছিলো দীঘলীয়া হ'ব কাৰণে মই নকওঁ, Article 342 মতে এচ টি নিৰ্দ্ধাৰণ কৰা হয়, কোনটো জাতি এচ টি হ'ব কোনটো জাতি এচ টি নহ'ব। অসমত এচ টি জনসংখ্যা আছে Register General of India ই ২৭ মে' ২০১৬ তাৰিখে কোৱা মতে ১২.৫ শতাংশ Plain ST আছে, মই Hills ST ৰ কথাটো নকওঁ, ইতিমধ্যে Hills ST ৰ ওপৰত এদিন আমাৰ আলোচনা হৈ গৈছে। তাৰ পিছত আমাৰ ১৫ জন বিধায়কৰ এচ টি ৰ আসন সংৰক্ষিত আছে অসমত, ১৫ জন বিধায়ক এচ টি ৰ পৰা আহিব পাৰে। এতিয়া সাংবিধানিক ৰক্ষাকবচৰ সুযোগ সুবিধা তেখেতসকলৰ কি আছে এই ক্ষেত্ৰত তেওঁলোকৰ শিক্ষাগত, অৰ্থনৈতিক আৰু পাব্লিক এমপ্লইমেন্ট জড়িত বহুতো ৰক্ষাকবচ আছে। এই ক্ষেত্ৰত মই আটাইবোৰ Article ১৫ ৰ পৰা ৪৬ লৈ লৈ আহিছো। Article 335 য়ে কৈ আছে আৰু তাৰপিছত ৰাজনৈতিক ৰক্ষাকবচ আছে Article ক্ৰমে ৩৩০, ৩৩২, ৩৩৪ আৰু ৩৪৩(ডি) ইয়াৰোপৰি জনজাতি সকলৰ কাৰণে ৰাষ্ট্ৰীয় আয়োগ আছে। এতিয়া কথা হৈছে আমাৰ অসমত কি আছে, সেইখিনিও আমাৰ অসমত আছে আৰু ইয়াৰোপৰি অসমৰ জনজাতি সকলে এটা সুযোগ পায় Article 371(B), এই Article মতে জনজাতিৰ ঠাইবোৰত অজনজাতীয় লোক সকলে মাটি কিনা বেচা কৰিব নোৱাৰে আৰু বহুতো সুযোগ অজনজাতীয় লোক সকলে নাপায় আৰু পাবও নালাগে। সংবিধানে ঠিকেই কৈছে। এতিয়া মই এই কথাটো কিয় কলো ইয়াৰ লগতে লাইন এটাৰ কথা জড়িত আছে, সেইদিনাৰ বৈঠকত মই এক, ডেৰ ঘন্টা আছিলো, Line Systemৰ ওপৰত এটা ভুল ধাৰণা লোৱা যায়, যাৰ কাৰণে আমাৰ অলপ বিবাদ হয়, এইটো সেইটো জাতি জনগোষ্ঠীৰ মাজত সেইটো হ'ব নালাগে। Line Systemটো আছিল এটা চৰকাৰী পলিচি, ইংৰাজ চৰকাৰৰ পলিচি আছিল, তিনিটা System তেওঁলোকে বনাইছিল। মই পঢ়ি দিম। প্ৰথমটো, Lands where the immigrants from East Bengal could settle. এইটোকে আমি Line System বুলি কওঁ।

2. Lands where the immigrants from East Bengal could not settle.

3. Lands where both the immigrants and the indigenious people could settle with a line between the two side. এইটো চৰকাৰী পলিচিত তেতিয়াৰ ইংৰাজ চৰকাৰৰ অসম চৰকাৰৰ মুখ্য মন্ত্ৰী যিয়েই নাথাকক তেওঁলোকেই implement কৰিছিল। এই Systemটো ৰ কাৰণে বিশেষকৈ এজন তেতিয়াৰ প্ৰাক্তন মুখ্যমন্ত্ৰীক দায়ী কৰা হয়। মই নামটো নকওঁ। কিন্তু, মই বিধান সভাৰ প্ৰচিডিং মতে কৈ আছো ১৯২৬ চনৰ প্ৰচিডিং মতে তাত উল্লেখ কৰা আছে যে বৃটিছ চৰকাৰৰ এনে সাম্প্ৰদায়িক চক্ৰান্তৰ কথা উমান পাই ১৯২৬ চনত অসম বিধান সভাত স্ব-ৰাজ্য পাৰ্টিৰ উপ-দলপতি বলেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে লাইন প্ৰথাই হিন্দু-মুছলিমৰ মাজত সাম্প্ৰদায়িক বিষবাষ্প বিয়পাইছে বুলি কৈছিল। তাৰমানে লাইন প্ৰথা বাদ দিব লাগে বুলি ১৯২৬ চনত স্ব-ৰাজ্য পাৰ্টি, স্ব-ৰাজ্য পাৰ্টি আছিল কংগ্ৰেছৰ এটা পৃথক গ্ৰুপ। তেওঁলোকে এইটো প্ৰস্তাৱ ৰাখিছিল, বিধায়ক জনৰ নাম আছিল বলেন্দ্ৰ নাৰায়ণ চৌধুৰী আৰু তেখেত এই পাৰ্টিৰ গ্ৰুপ লিডাৰ আছিল। কিন্তু এটা বিশেষ মানুহৰ নাম কৈ বিভিন্ন জাতি জনজাতিৰ মানুহৰ মাজত এটা ভুল বুজাবুজি কৰে। এইখিনি সাংবিধানিক কথা কলো, এতিয়া আপুনি যে সেই অনুস্থান পাতিলে আমাৰ বিধায়িনী দলৰ পৰা তিনি চাৰিটা পৰামৰ্শ দিওঁ। এইটো কেৱল মোৰ পৰামৰ্শ নহয়,আমাৰ বিধায়িনী দলৰ। এই যিবিলাক সাংবিধানিক provision, সাংবিধানিক ৰক্ষাকবচ এচ চি আৰু এচ টি সকলৰ বাবে দিছে এই বিলাক কঠোৰ ভাৱে অনুসৰণ কৰিব লাগে। বহুত ক্ষেত্ৰত কঠোৰ ভাৱে অনুসৰণ হোৱা নাই বাবে তেখেত সকলে আপত্তি কৰিছে। দ্বিতীয় পৰামৰ্শটো হ'ল - To draw a policy of co-existance, tribal আছে ১২.৫ শতাংশ, এচ চি আছে ৭.২ শতাংশ বাকী মানুহখিনি non SC, non ST মানুহবিলাকৰ লগত co-existance হ'ব লাগে। আমাৰ চৰকাৰে এইটো পলিচি বনোৱা ভাল To draw a policy of co-existance between the communities. আৰু এটা কথা আপুনি সেইদিনা যিটো অনুষ্ঠান পাতিছিল interaction তাত এজন বক্তাই খুবভাল কথা কৈছিল, সেই মানুহখিনিক অৰ্থনৈতিকভাৱে কেনেকৈ আগুৱাই লৈ যাব পাৰো। কাৰণ এইবোৰ বাচনি কৰোতে প্ৰায়খিনিতে অৰ্থনীতিকো ধৰা হয়। Caste base economic policy যদি চৰকাৰে বনাই, যিটো Casteৰ বা sub-Caste ৰ মানুহে কি কৰি তেওঁলোকে জীৱন নিৰ্বাহ কৰে, এই সৰু সুৰা বস্তু বা এইবিলাক নিদি তেওঁলোকক তেওঁলোকৰ অৰ্থনীতি, যিটোক লৈ তেওঁলোকে জীৱন নিৰ্বাহ কৰে Caste base economic policy যদি চৰকাৰে বনাই, দীঘলীয়া পলিচি হ'ব এদিনতে চৰকাৰে নোৱাৰে এইটো মইও বুজি পাইছো। কিন্তু এনেকুৱা এটা যদি পদক্ষেপ লয় মোৰ বোধৰে এই এচ চি, এচ টি ৰ যিটো হীনমন্যতা এইটো নাথাকিব। কাৰণ তেওঁলোক অৰ্থনৈতিক ভাৱে empower হ'ল। তাৰ পিছত আমাৰ আৰু এটা পৰামৰ্শ আছে, এই যে জাতিগত প্ৰমাণ পত্ৰ দিওঁতে, আমাৰ ভড়ালী দাই কলে, নন্দিতা বাইদেউৱেও কলে আমাৰ কেইবাজনেও কলে, জাতিগত প্ৰমাণ পত্ৰ দিওঁতে যিটো খেলি মেলি হয়, এই খেলিমেলিটো হ'ব নালাগে। এচ টি ৰ ক্ষেত্ৰত সাধৰণতে নহয়, কাৰণ তেওঁলোকৰ Face value তে হৈ যায়। কিন্তু এচ চি ৰ ক্ষেত্ৰত হয় কাৰণ উপাধিও মিলি যায় জেনেৰেল মানুহৰ লগত, সেইকাৰণে এচ চি ৰ ক্ষেত্ৰত কঠোৰ ভাৱে অনুসৰণ কৰিব লাগে। Scheduled Caste ৰ ক্ষেত্ৰত ছাৰ এই কথাটো Strictly follow কৰিব লাগে। এই যে Reservation System ত Scheduled Caste আৰু Scheduled Tribe এম এল এ , মন্ত্ৰী, আই এ এছ, এ চি এছ যিসকল অফিছাৰ আহে তেওঁলোক familiar. মই বাদ দিবলৈ কোৱা নাই কিন্তু First preference টো মই গৰীব মানুহক দিবলৈ কৈছো। এজন আই এ এছ , এ চি এছ অফিছাৰ এচ টি - এচ

চি হ'ব পাৰে। এজন এম এল এ- মন্ত্ৰী এচ টি- এচ চি হ'ব পাৰে , কিন্তু এচ চি- এচটি হ'ল বুলিয়ে পাব নালাগে ৰিৰ্জাভেশ্যন বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত, গৰীৱ -দুখীয়া মানুহখিনি প্ৰথমে পাব লাগে। এইটো ছাৰ মই suggestion হিচাপে আগবঢ়ালো। এই কথা ক'বলৈ সুবিধা দিয়া বাবে আপোনাক ধন্যবাদ জনাই বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া গুৰুজ্যোতি দাস ।

**শ্ৰীগুৰুজ্যোতি দাস (মঙ্গলদৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। আপুনি যি Speaker's Initiative গ্ৰহণ কৰিছে এইবাৰ অসম বিধান সভাত নামটি সোনালী আখৰে লিপিবদ্ধ হৈ থাকিব। স্বাধীনতাৰ ৭৫ বছৰলৈকে কোনো এগৰাকী অধ্যক্ষই অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ কথা ইমান বহলভাবে চিন্তা চৰ্চা কৰা নাছিল। আপুনি যেতিয়া চাহ জনগোষ্ঠীৰ ওপৰত আলোচনা ৰাখে তেতিয়া মই আপোনাক এবাৰ অনুৰোধ জনাইছিলো যে, অনুসুচীত জাতি-জনজাতিৰ ওপৰত এবাৰ বিষদ আলোচনা হ'ব লাগে আৰু যোৱা তিনি তাৰিখে ইতিমধ্যে আমাৰ অনুসুচীতজাতি- জনজাতিৰ বিভিন্ন দল সংগঠনৰ লগত মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰিছে। বিভিন্নজনে ইতিমধ্যে মত আগবঢ়াইছে। সন্মানীয় বিধায়কসকলেও মত আগবঢ়াইছে। মই অনুসুচিত জাতি ক'ৰ পৰা কেনেকৈ আহিল সেইখিনি অলপ বৰ্ণনা দাঙি ধৰিব বিচাৰিছো।

" বহু পণ্ডিতৰ মতে সাম্প্ৰতিক কালত অনুসুচীত জাতি বুলি পৰিচিতি লাভ কৰা লোকসকলেই ভাৰতবৰ্ষৰ ভূমিপুত্ৰ। আৰ্য্যসকল ভাৰতলৈ অহাৰ বহু আগৰে পৰাই এওঁলোকে ভাৰতবৰ্ষত বসতি বিস্তাৰ কৰিছিল।

১৯৩২ চনৰ বিখ্যাত পুণা চুক্তিৰ আগতে ভাৰতবৰ্ষত অনুসুচীত জাতি বুলি কোনো জাতি নাছিল। বৈদিক যুগৰ পৰা ভিন্ন নামেৰে পৰিচিতি লাভ কৰি অহা কিছুমান জাতিক সামাজিক, অধ্যাত্মিক, শৈক্ষিক আৰু আৰ্থিকভাবে অৱহেলিত কৰি মানবীয় অধিকাৰ উপভোগ কৰাৰ পৰা বঞ্চিত কৰি অহা পৰিণতি স্বৰূপে স্বাধীন ভাৰতৰ ৰূপকাৰ ডঃ বি আৰ আম্বেদকাৰৰ প্ৰচেষ্টাত এক ঐতিহাসিক ক্ষণত ভাৰতত 'অনুসুচিত জাতি' নামৰ এক নতুন জাতিৰ সৃষ্টি হয়। মহত্মা গান্ধী আৰু ডঃ বি আৰ আম্বেদকাৰৰ মাজত হোৱা ঐতিহাসিক পুণা চুক্তিৰ (Poona Pact) ৰ চৰ্ত্তসমূহ আইনত পৰিণত কৰাৰ বাবে বৃচিছ চৰকাৰে দলিত নেতা ডঃ বি আৰ আম্বেদকাৰক বৃটিছ একজিকিউটিভ কাউন্সিলৰ সভ্য নিৰ্বাচিত কৰিছিল। বৃটিছ চৰকাৰে সেই সময়ত সামাজিকভাৱে অৱহেলিত, আৰ্থিকভাবে অনগ্ৰসৰ, শিক্ষা-দীক্ষাত পিছপৰা তথা উচ্চ হিন্দুৰ দ্বৰা অস্পৃশ্য বুলি গণ্য কৰি অহা জাতৰ লোকসকলক কিছু সকাহ দিব পৰাকৈ কিছু সুবিধা দিবলৈ বাছি উলিয়াই এখন তালিকা প্ৰস্তুত কৰাৰ দায়িত্বত বি আৰ আম্বেদকাৰৰ ওপৰত ন্যস্ত কৰিছিল। তেওঁৰ নেতৃত্বই ভাৰতৰ সকলো প্ৰদেশৰ পিছপৰা, অৱহেলিত, অৱনমিত আৰু অস্পৃশ্য লোকসকলৰ সাক্ষ্য গ্ৰহণ কৰি এখন তালিকা অৰ্থাৎ অনুসূচী তৈয়াৰ কৰা হয়। এই তালিকাভুক্ত জাতিসমূহকেই একেলগে 'অনুসুচীত জাতি' বুলি অভিহিত কৰি ১৯৩৫ চনত ভাৰতীয় আইনৰ অন্তৰ্ভূক্ত কৰি পৰৱৰ্ত্তী সময়ত স্বাধীন নৱ ভাৰতৰ সংবিধানত অন্তৰ্ভূক্ত কৰা হয়। ১৯৫০ চনত ভাৰতবৰ্ষৰ ২৯ খন ৰাজ্যৰ সৰ্ববমুঠ ১১০৮ টা জাতিক ভাৰত চৰকাৰে অনুসুচিত জাতি বুলি ঘোষণা কৰে। এই ঘোষিত জাতিৰ ভিতৰত অসমৰ ১৬ টা জাতিও অন্তৰ্ভুক্ত হয়। এই জাতিসমূহ হ'ল কৈৱৰ্ত্ত (জালিয়া) নমঃশূদ্ৰ, পাটনি, মুছি বা ৰিছি, হীৰা, সুত্ৰধৰ, বনিয়া , মালি বা ভূইঁমালি, ধুবী বা বাছফৰ, ভাংগী, জেলী, ভগা জালো-মালো, জাল , কেওঁট ,লালবেগী। এই ১৬ টা জাতিৰ ভিতৰত কৈৱৰ্ত্ত আৰু নমশূদ্ৰ জনসংখ্যাই অধিক। অসমত বসবাস কৰা অনুসুচিত জাতি লোকসকলো অসমৰ অতি প্ৰাচীন বাসিন্দা। বিশেষকৈ কৈৱৰ্ত্তসকলক বহু পণ্ডিতে চতুৰ্থ শতিকাৰ

আগতে অসমত বসবাস কৰা জাতি বুলি মত পোষণ কৰিছে। বহু পণ্ডিতৰ মতে অসমৰ কৈৱৰ্ত্তসকলেই প্ৰাগজ্যোতিষপুৰ, কামৰূপ বা অসম ৰাজ্য ৰাজ্যলৈ কঢ়িয়াই আনিছিল অসমীয়া ভাষাৰ বোঁৰতী সুঁতি। অসমীয়া ভাষাৰ জাঁজিডাল পোনতে কৈৱৰ্ত্তসকলেই কঢ়িয়াই আনিছিল বুলি শ্ৰদ্ধাৰ মেদিনী মোহন চৌধুৰী দেৱে তেখেতৰ লিখনিত উল্লেখ কৰিছে। এই প্ৰসঙ্গত বিশিষ্ট চিন্তাবিদ ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তীয়ে অসমত বেহা বেপাৰৰ সুত্ৰে ব্ৰহ্মপুত্ৰৰ মাজেদি উজনি-নামনি একাকাৰ কৰি সঘনাই আহ যাহ কৰা কৈৱৰ্ত্তসকলৰ মুখৰ ভাষাই কালক্ৰমে সংযোগী ভাষা ৰূপ লাভ কৰে আৰু এইদৰে অসমীয়া ভাষাৰ বীজ ৰোপিত হয় বুলি প্ৰায়বোৰ সভাত বক্তব্য প্ৰদান কৰি আহিছে।

বহু পণ্ডিতৰ মতে 'চৰ্যাপদ' সমূহেই অসমীয়া ভাষাৰ প্ৰথম লিখিত লিপি। সেই চৰ্য্যাপদসমূহৰ ৰচয়িতাসকলৰ ভিতৰত মীণ নাথ বা ' মৎস্যেন্দ্ৰনাথ' লুইপাদ আদি কৈৱৰ্ত্ত জাতিৰ লোক আছিল। ইয়াৰোপৰি এসময়ৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজ শাস্ত্ৰ বিভাগৰ মুৰব্বী অধ্যাপক দুৰ্গেশ্বৰ দলেৰ মতে কৈৱৰ্ত্তসকলেই অসমত প্ৰবেশ কৰা প্ৰথম দ্ৰাৱিড় জাতিৰ লোক।

উৎপত্তিগতভাৱেও কৈৱৰ্ত্তসকল ভাৰতবৰ্ষৰ এটা প্ৰাচীন জাতি। মনুসংহিতাৰ দশম অধ্যায়ৰ ৩৪ শ্লোকত কৈৱৰ্ত্ত জাতিৰ উৎপত্তি সৰ্ম্পৰ্কে তথ্য আছে। মনুসংহিতাৰ দশম অধ্যায়মতে ৩৪ শ্লোকত কৈৱৰ্ত্ত জাতিৰ উৎপত্তি সৰ্ম্পৰ্কে তথ্য আছে। মনুসংহিতামতে নিষাদ পিতৃ আৰু আয়োগৱী মাতৃৰ দৈহিক সৰ্ম্পৰ্কৰ ফলত কৈৱৰ্ত্তৰ জন্ম। বৌদ্ধ জাতকত কৈৱৰ্ত্তসকলক মৎস্যমায়া আৰু কৈৱৰ্ত্ত বুলি উল্লেখ কৰিছে। ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ গৌতম স্মৃতি আৰু যাজ্ঞবল্কৰ মতে ক্ষত্ৰিয় পিতৃ আৰু বৈশ্য মাতৃৰ পৰা জন্ম হোৱা সকলেই কৈৱৰ্ত্ত জাতিৰ পূৰ্বপুৰুষ।

ঐতিহাসিকভাৱে অসমৰ কৈৱৰ্ত্তসকলৰ প্ৰথম উল্লেখ পোৱা যায় তেজপুৰৰ ধেনুখনা পাহাৰত অৱস্থিত ৮২৯ খ্ৰীষ্টব্দত শালস্তম্ভীয় বংশীয় ৰজা হৰ্য বৰ্মাৰ নশৰীয়া শিলালিপিত। সাত ফুট আঠ ইঞ্চি দীঘল আৰু চাৰি ফুট বহল শিলালিপিখনৰ পাঠ উদ্ধাৰ কৰি ১৯১৫ খ্ৰীষ্টাব্দত প্ৰচ্য বিদ্যামহানৰ নগেন্দ্ৰ নাথ বসুৱে এই দুৰ্বোধ্য শিলালিপিখন পৰীক্ষা কৰি Social History of Assam ত বিৰৰণ দাঙি ধৰিছিল । এনে মহামূল্যবান সম্পদক আজিও আমি পৰ্য্যটকৰ আকৰ্ষণৰ স্থলী হিচাপে নিৰ্মাণ কৰিব পৰা নাই সেইটো চিন্তনীয় বিষয়। ১৮৯৪ চনৰ দৰং জিলাৰ পথৰু ঘাটৰ কৃষক বিদ্ৰোহত হতাহত হোৱা সকলৰ ভিতৰত বহুতো কৈৱৰ্ত্ত জাতিৰ লোক আছিল। কৈৱৰ্ত্তসকলৰ নেতৃত্বতেই ফুলগুৰি নামে ঠাইত প্ৰথম ৰাইজ মেল পাতি বৃটিছ বিৰোধী আন্দোলন গঢ়ি তোলা হৈছিল। এই ক্ষেত্ৰত বহু কৈৱৰ্ত্তৰ নাম উল্লেখযোগ্য। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ পৰা ১৯৪২ চনলৈকে অবিভক্ত অসমৰ ভালেকেইজন কৈৱৰ্ত্ত দেশপ্ৰেমিকে মৃত্যুবৰণ কৰা আৰু সোণাৰাম কৈৱৰ্ত্ত অন্যতম আছিল। অসমীয়া জাতিৰ জনক, অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেবৰ প্ৰিয় শিষ্য আতৈ, পূৰ্ণানন্দ আৰু ৰাধিকা শান্তিৰ পৰা আৰম্ভ কৰি আচাৰ্য্য ইলাৰাম দাসলৈকে বহু কেইগৰাকী কৈৱৰ্ত্ত জাতিৰ ধৰ্ম প্ৰচাৰকে অসমৰ আধ্যাত্মিক জগতলৈ অনবদ্য আৰিহণা আগবঢ়াই গৈছে। অসমীয়া বোলছবি উদ্যোগ আৰু নাটক থিয়েটাৰ বা সংগীতৰ ক্ষেত্ৰত কৈৱৰ্ত্ত সম্প্ৰদায়ৰ শিল্পী, কলাকাৰ , সুৰকাৰ নাট্য পৰিচালক আৰু প্ৰযোজক আদিৰ অৱদানো নিচেই কম নহয়। সংগীত জগতৰ বিশ্ব বিশ্ৰুত সুৰকাৰ, গীতিকাৰ ডঃ ভূপেন হাজৰিকাৰ নাম সকলোৱে বিদিত। ইন্দিৰা মিৰি , ক্ৰীড়া ক্ষেত্ৰত হিমা দাস ডাঙৰীয়ানীকে আদি কৰি বহুতে ভাৰতলৈ সুনাম কঢ়িয়াই আনিছে। হিমা দাস অসমৰ মৰিগাওঁ জিলাৰ ধিঙৰ আটাইতকৈ ভিতৰুৱা গাওঁৰ সন্তান ।

"অধ্যক্ষ মহোদয়, অনুসূচীত জাতিৰ বহু কেইগৰাকী বিধায়কে মন্তব্য ৰাখিছে।

আৰ্থসামাজিকৰ ওপৰত গুৰুত্ব যদি প্ৰদান কৰিব লাগে তেনেহ'লে ভূমিৰ ওপৰত গুৰুত্ব দিব লাগিব আমি যদি চাওঁ অনুসূচীত জাতিৰ লোকসকল নদীৰ পাৰত বাস কৰে। মই কেইদিনমান আগতে বিশ্বনাথ চাৰিআলিত গৈছিলো তাত নদীৰ ঘাটত অনুসুচীত জাতিৰ এখন গাওঁ আছে। তেওঁলোকক নৈপৰীয়া বুলিও কোৱা হয়। তেওঁলোকে থকা গাওঁখিনিত নদীৰ গড়া খহাই পেলাই অধ্যক্ষ মহোদয়।

কিন্তু পৰিতাপৰ বিষয় এইয়ে যে এনেধৰণৰ অতীত গৰিমাৰে গৰিমামণ্ডিত অনুসুচিত জাতিৰ লোকসকলে স্বাধীনোত্তৰ কালত যিদৰে উন্নতি জখলাত আগবাঢ়িব লাগিছিল সেইদৰে আগবাঢ়িব পৰা নাই । ১৯১১ চনৰ লোকপিয়ল মতে অসমৰ মুঠ অনুসুচীত জাতি লোকৰ জনসংখ্যা হ'ল- ২২,৩২,৩২১ জন । জিলা অনুযায়ী অনুসুচিত জাতিৰ জনসংখ্যা তলত দিয়া হ'ল।

মাননীয় অধ্যক্ষ মহোদয়, যদি আমাৰ আৰ্থ-সামাজিক দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে তেন্তে ভূমিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে। আমি যদি চাওঁ অসমত অনুসূচীত জাতিৰ লোক নদীৰ পাৰত বাস কৰে। বিশ্বনাথ ঘাটত অনুসূচীত জাতিৰ এখন গাওঁ আছে। তেওঁলোক নৈ ৰ পাৰত বাস কৰে আৰু নৈ ৰ গড়াখহনীয়াই তেওঁলোকক ক্ষতিগ্ৰস্ত কৰে। সেয়ে মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে অনুসূচীত জাতি সকলৰ ভূমিহীন লোক সকলৰ এটা চাৰ্ভে কৰি মাটি প্ৰদানৰ ব্যৱস্থা কৰিব লাগে। যি ভূমিনীতিৰ চৰকাৰে ইতিমধ্যে নিৰ্ণায়ণ কৰিছে তাৰবাবে চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। মই পবিত্ৰ বিধান সভাৰ মজিয়াত অনুৰোধ কৰিম যাতে যিখিনি অনুসূচীত জাতি- জনজাতিৰ লোক আছে তেওঁলোকক ভূমি প্ৰদানৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে কাৰণ আমি আৰ্থ-সামাজিক দিশৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলৈ হ'লে আমি ভূমিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগিব কাৰণ ভূমিহীন মানুহে একো কৰিব নোৱাৰে। ইতিমধ্যে মীন বিভাগৰ পৰা যথেষ্ট পৰিমাণৰ আঁচনি ৰূপায়ণ কৰা হৈছে । অনুসূচীত জাতি সকলৰ লোকক প্ৰায় এক হেক্টৰকৈ মাটি একোটাকৈ ফিচাৰী খান্দিবৰ বাবে আৰ্থিক ভাৱে সুবিধা প্ৰদান কৰা হৈছে। কিন্তু আমি দেখিছো যে অনুসূচীত জাতি সকলৰ লোকসকলৰ ১ বিঘাতকৈ অধিক মাটিয়েই নাই। সেয়ে মই মীন বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে যিসকলৰ মাটি নাই তেওঁলোকে যাতে টেংক বনাই অত্যাধুনিক প্ৰযুক্তিৰে বিজ্ঞান সন্মত ভাৱে কাৰৈ, মাগুৰ আদি মাছৰ পোহপাল কৰি উৎপাদন বৃদ্ধি কৰি অৰ্থনৈতিক ভাৱে যাতে অধিক স্বাৱলম্বী হ'ব পাৰে তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।ইতিমধ্যে আমাৰ আগৰ বক্তা ভৰালী ডাঙৰীয়াই কৈছে যে অনুসূচীত জাতিৰ বাবে বিশেষভাৱে সুকীয়া মন্ত্ৰী, সুকীয়া চেক্ৰেটেৰিয়েটৰ প্ৰয়োজন। মাননীয় অধ্যক্ষ মহোদয়, আপোনাক মই এই পবিত্ৰ সদনত বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিম যে আপুনি কেৰেলাৰ বিধান সভাৰ ডাইমণ্ড জুবিলীত এচ টি, এচ চি ৰ দুগৰাকী প্ৰতিনিধি পঠিয়াইছিল। তাতে মই ও এগৰাকী প্ৰতিনিধি হিচাবে যাবলৈ সৌভাগ্য লাভ কৰিছিলো। তাত স্কলাৰ সকলে এচ টি, এচ চি ৰ ওপৰত বিস্তৃত বৰ্ণনা কৰিছিল। তাত চাৰি গৰাকী মান স্কলাৰৰ এটা কথায়েই কমন আছিল যে আমাৰ সাংবিধানিক ভাৱে ব্যক্তিগত বা চৰকাৰী হওঁক সকলো অনুষ্ঠান প্ৰতিষ্ঠানতেই ৰিৰ্জাভেশনৰ ব্যৱস্থা আছে। কিন্তু আমি দেখিবলৈ পাওঁ যে ব্যক্তিগত অনুষ্ঠান সমূহত এতিয়ালৈকে সেই ব্যৱস্থা গ্ৰহণ কৰা নাই। আমাৰ চৰকাৰখনে যাতে অনাগত দিনত ব্যক্তিগত প্ৰতিটো অনুষ্ঠানত ইয়াৰ ব্যৱস্থা গ্ৰহণ কৰে তেতিয়া হয়তো আমি সাংবিধানিক ভাৱে সেইখিনি লাভ কৰিবলৈ সক্ষম হ'ম। তাৰোপৰি আমাৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ যি জলপানিৰ ব্যৱস্থা গ্ৰহণৰ কথা ইতিমধ্যে বিভিন্ন দল সংগঠনে ইতিমধ্যে সিদিনাখন হোৱা বৈঠকত আগবঢ়াইছে। সেই জলপানি দিয়াৰ যাতে

ব্যৱস্থা গ্ৰহণ কৰে। ইতিমধ্যে বিশেষ ভাৱে সক্ষম লোক সকলৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিয়োগৰ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু খুব কম সময়ৰ ভিতৰত যাতে অনুসূচীত জাতি জনজাতিৰ লোক সকলৰ বেকল'গ সমূহ পূৰণৰ ব্যৱস্থা কৰে ...............

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ যদি আৰু বেছি পইণ্ট আছে আপুনি চৰ্ত কৈ মোক দিব মই ৰেকৰ্ডত দি দিম।

**শ্ৰীগুৰুজ্যোতি দাস (মঙ্গলদৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইখিনিকে কৈ মই আপোনাক বিশেষ ভাৱে ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্য সামৰনি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰীকমল সিং নাৰ্জাৰী।

**শ্ৰীকমল সিং নাৰ্জাৰী (বিজনী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ নেতৃত্বত অনুষ্ঠিত অনুসূচীত জাতি আৰু জনজাতিৰ লোক সকলক মৰ্য্যদা দি বিশেষ আলোচনাৰ বাবে সদনৰ মজিয়াত আপুনি বিশেষ ভাৱে স্থান দিছে তাৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। ক'বলগীয়া সমস্যা বহুতো আছে। প্ৰথম কথা মই আপোনাক ক'ব বিচাৰিছো যে আমাৰ ১৮৮৬ চনত যি ভূমি আইন "Assam Land and Revenue Regulation Act, 1986" ত Chapter 10 ৰ সঠিক ব্যৱহাৰ আজিৰ দিনটোলৈকে হোৱাটো আমি দেখিবলৈ পোৱা নাই। সময়ে সময়ে নতুন নতুন ভূমি নীতি বা লেণ্ড পলিচী লোৱা হয়। ২০১৯ ত যি নতুন ভূমি নীতি, এই ভূমি নীতিৰ দশম অধ্যায়ক সন্মান জনাই আকৌ strengthen কৰাৰ কাৰণে এটি সিদ্ধান্ত লোৱা হৈছে কিন্তু তাত যিটো মনিটৰিং ব্যৱস্থা সেই মনিটৰিং ব্যৱস্থাটো সঠিক ভাৱে নোহোৱাৰ ফলত সেই আইনবোৰ আইন হিচাবেই থাকি যায়। গতিকে সেই আইনৰ সুৰুঙাৰ মাজেদি ট্ৰাইবেল বেল্টচ্ এণ্ড ব্লকচ্ ত অনা-ট্ৰাইবেল বোৰ সোমাই গৈছে। গতিকে যিবোৰ ভূমিহীন অনুসূচীত জাতি-জনজাতিৰ লোক আছে তেওঁলোকে যাতে নিজৰ ভূমিৰ অধিকাৰ সাব্যস্ত কৰি থাকিব পাৰে তাৰবাবে ব্যৱস্থা লবৰ বাবে আপোনাক অনুৰোধ জনাইছো। ইতিমধ্যে বেকল'গ আৰু ৰিৰ্জাভেশ্যন সম্পৰ্কত বিভিন্নজন বক্তাই বিভিন্ন ধৰণে বক্তব্য ৰাখিছে। ২০১২ চনত চাকৰি আৰু প্ৰমোচনৰ ক্ষেত্ৰত আমাৰ যিটো ৰিৰ্জাভেশ্যন এই সন্দৰ্ভত আপোনাৰ জৰিয়তে গঠন কৰি দিয়া অসম বিধান সভাৰ এচ চি আৰু এচ টি ৰ ৱেল ফেয়াৰৰ এখন সমিতি আছে। এই সমিতিৰ দ্বাৰা এখন নতুন সংশোধনী কৰি নতুন ও এম গঠন কৰিবৰ কাৰণে আমি দুটা বছৰত প্ৰায় ১০ বাৰ সভাত বহিলো। এই সভাৰ জৰিয়তে সংশোধীয় ৰূপত আমি যেনেদৰে ও এম খন পাব লাগিছিলে সেই ও এম খন আমি আজিলৈকে পাবলৈ সক্ষম নহ'লো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকো আমি এই সম্পৰ্কত অৱগত কৰিছিলো। তেওঁ ২০১৮ চনতেই আমাক এই ও এম খন উলিয়াই দিয়াৰ কথা কৈছিলে কিন্তু আজি ২০১৯ চন পাৰ হ'বলৈ গৈ আছে তথাপিটো আমি এইখন পাবলৈ সক্ষম নহ'লো। গতিকে এইখন সোনকালে পাম বুলি সদনৰ মজিয়াত আপোনাৰ জৰিয়তে আশা কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, কোনোধৰণৰ ৱেব চাইট নোহোৱাৰ কাৰণে কোনটো বিভাগৰ কিমান বেকল'গ আছে এই বিষয়ত আমি সম্পূৰ্ণ অজ্ঞাত। যদিহে ৱেব চাইট এটা মুকলি কৰি দিয়া হয় বেকল'গ সম্পৰ্কত আমি জানিব পাৰিম আৰু কোন বিভাগে কিমান বেকল'গ পূৰণ কৰিছে এই সম্পৰ্কে আমি সম্পূৰ্ণভাৱে জ্ঞাত হ'ব পাৰিম। এইক্ষেত্ৰত সদৌ অসম অনুসূচীত জাতি গোৰ্খা পৰিষদে আমালৈ এখন মেমোৰেণ্ডাম দিছিলে। বৰ্তমান এন আৰ চি ৰ নামত প্ৰকৃত অনুসূচীত জাতি-জনজাতিৰ লোক সকলক হাৰাশাস্তি কৰি থকা হৈছে আৰু এই এন আৰ চিত বহুতো অনুসূচীত জাতি-জনজাতিৰ লোক সকলৰ নাম বাদ পৰিছে। আমি নিজকে ভূমিপুত্ৰ বুলি কৈ ভূমিৰ ক্ষেত্ৰত সেই ভূমি যে ম্যাদী কৰি ল'ব লাগে, কাগজ পত্ৰ ঠিক কৰি যে ল'ব লাগে আমি নিজকে ভূমিপুত্ৰ

বুলি কৈ অনুসূচীত জাতি-জনজাতিৰ লোক সকলে নথি পত্ৰ ঠিকমতে নৰখাত এই NRC ত বহু লাখ মানুহৰ নাম বাদ পৰি গৈছে। সেই লাখ লাখ মানুহৰ মাজত আমাৰ থলুৱা জনজাতিৰ মানুহবোৰ আছে। তেওঁলোকৰ পৰিয়াল সকলক ডিটেনচন কেম্পত থাকিবলৈ দিয়াটো আমাৰ দৃষ্টিগোচৰ হৈছে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া ইয়াত আছে, মই আপোনাৰ জৰিয়তে অসম চৰকাৰক মই অনুৰোধ কৰিছো যে আইনী মেৰপেচত পৰি কিম্বা বিদেশীৰ গোচৰত ডিটেনচন কেম্পত বন্দী হৈ থকা অনুসূচিত জাতি আৰু অনুসুচিত জনজাতিৰ লোকসকলক সংবিধানৰ ৩৩৮ নং অনুচ্ছেদ অনুসৰি বিনাচৰ্তে মুকলি কৰি দিয়ে যাতে তেওঁলোকেও সুন্দৰকৈ এটা জীৱন যাপন কৰিব পাৰে তাৰ কাৰণে আপোনাৰ জৰিয়তে চৰকাৰলৈ অনুৰোধ থাকিল।

অধ্যক্ষ ডাঙৰীয়া, অনুসূচিত জাতি আৰু অনুসুচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰী সকলৰ যি জলপানী, সেই জলপানী একেবাৰে নিম্নতম হৈছে। বৰ্তমানৰ দিনত চলিব পৰাকৈ যদি বৃদ্ধি কৰি দিয়ে, স্কুলীয়া শিক্ষা গ্ৰহন কৰিব পৰাকৈ এই জলপানী যদি বৃদ্ধি কৰি দিয়ে তেন্তে নতুন প্ৰজন্মখিনি উপকৃত হ'ব বুলি আমি ক'ব পাৰো। লগতে প্ৰকৃত ভাৰতীয় অনুসূচিত জাতিৰ লোকক ভূমি পুত্ৰ মৰ্য্যাদা প্ৰদান কৰি যিহেতু আমাৰ জনজাতীয় লোকসকলক সম অধিকাৰ দিয়া হৈছে ঠিক একেদৰে এই সম অধিকাৰটো সম্পূৰ্ণভাৱে অনুসূচিত জাতিৰ লোক সকলকো মৰ্য্যাদা সহকাৰে দিবৰ বাবে মই আপোনাক অনুৰোধ কৰিছো।

অধ্যক্ষ ডাঙৰীয়া, যোৱা ২০১৯ চনৰ ৬ ফ্ৰেব্ৰুৱাৰীত যিটো বাজেট অধিবেশন হৈছিল, সেই অধিবেশনত আমাৰ শ্ৰদ্ধাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই এটা সুন্দৰ কথা কৈছিল যে অসমত যি সকল জনজাতীয় ভূমিপুত্ৰ আছে সেই সকলক সুৰক্ষাৰ বাবে আমাৰ BTC ৰ সৃষ্টি কৰি দিয়া হৈছে ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰীত। বাকী যিসকল থাকি গ'ল, যি দিছপুৰ বৰ্তমান অসমৰ ৰাজধানী হৈ আছে সেই দিছপুৰত কছাৰী, ট্ৰাইবেলকে আদি কৰি বিভিন্ন জাতিৰ লোকে বসবাস কৰি আছিল, ৰাজধানী বনোৱাৰ নামত সিহঁতক উচ্ছেদ কৰি সিহঁতক বাধ্য কৰোৱা হৈছিল পাহাৰে ভৈয়ামে বসবাস কৰিবলৈ। সিহঁতে আজি দিছপুৰৰ পৰা গোলাঘাটলৈকে নিজৰ নিজৰ জীৱন ধাৰণৰ বাবে অৰ্থনৈতিক বুনিয়াদ গঠণ কৰিবলৈ নিজৰ লৰা-ছোৱালীৰ কথা চিন্তা কৰি বিভিন্ন ঠাইত মাটি বিচাৰি বসবাস কৰি থাকিবলগা হৈছে। অৰ্থনৈতিক উন্নয়নৰ বাবে আমাৰ অসম চৰকাৰে যোৱা ২০১৯ চনৰ ৬ ফ্ৰেব্ৰুৱাৰীত বড়ো, কছাৰী Autonomous Council ঘোষনা কৰিছিল। কিন্তু সেই ঘোষণা আছিল ২০১৯ চনৰ ৬ ফেব্ৰুৱাৰী, আজি হ'ল ২০১৯ ৰ ৫ ডিচেম্বৰ। প্ৰায় ১ বছৰ হ'বলৈ গৈ আছে। আজিলৈকে আমি সেই Autonomous Council ৰ মুখ দেখিবলৈ নাপালো। গতিকে তেওঁলোকৰ আৰ্থ সামাজিক উন্নয়নৰ বাবে সেই Concept টো তৰুণ গগৈ ছাৰৰ নেতৃত্বত অসম চৰকাৰৰ আছিল, সেই চৰকাৰৰ দিনত Concept টো আনি দিয়া হৈছিল। সেই Concept টো extend কৰিবৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া, আমাৰ মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত সম্পূৰ্ণভাৱে কাৰ্য্যকৰী কৰাৰ বাবে কথা দিছিল, সেইটো আজিৰ তাৰিখলৈ দেখিবলৈ নাপালো।

অধ্যক্ষ ডাঙৰীয়া যদি সচাঁকৈয়ে এই বড়ো-কছাৰী Autonomous Council দিয়া হয়, তেনেহলে মোৰ এটা অনুৰোধ যে আমি সম্পূৰ্ণকৈ Modify System ত বৰ্তমান যি বড়ো, কছাৰী Autonomous Council আছে এই ৬ টা Autonomous Council নিদিয়াকৈ অলপ partial modification কৰি যদি Council ত দিয়া হয়, তেন্তে ইয়াৰ দ্বাৰা আমাৰ দিছপুৰত বসবাস কৰি থকা যিসকল বড়ো বা কছাৰী আছে তেওঁলোকে বহুতখিনি লাভান্বিত হ'ব।

গতিকে তেওঁলোকেকো যদি আৰ্থ সামাজিক দিশত উন্নয়নৰ কথা চিন্তা কৰি partial modification কৰি দিয়া হয়, তেন্তে সুন্দৰ পদক্ষেপ হ'ব বুলি আপেনাৰ জৰিয়তে আমাৰ চৰকাৰক অনুৰোধ কৰিলো।

ছাৰ, ২০০৬ চনত Forest Dwellers Act খন পাছ কৰা হৈছিল। সেইমতে আমাৰ আজি যিসকল Traditional Forest Dweller আছে আমি সেইসকলক মাটি দিবলৈ সক্ষম হোৱা নাই। আজিৰ দিনত স্কুল প্ৰাদেশীকৰণ কৰিবৰ বাবে আমাৰ শিক্ষা বিভাগে মাটিৰ প্ৰমান পত্ৰ বিচাৰে। যিসকলে সেই Forest অঞ্চলত বহুবছৰ ধৰি বসবাস কৰি আছিল তেওঁলোকে কাগজ -পত্ৰ দিব নোৱাৰাৰ বাবে স্কুলবিলাক সঠিকভাৱে প্ৰাদেশীকৰণৰ আওঁতালৈ আনিব পৰা নাই। ঠিক তেনেকৈ আমি শোণিতপুৰ, তেজপুৰ, ঢেকীয়াজুলি ইত্যাদি ঠাইত যথেষ্ঠ অসুবিধাৰ সন্মুখীন হৈছো।

এই সংক্ৰান্তত আমাৰ যিবোৰ অনুসূচিত জাতি আৰু জনজাতিৰ কল্যাণ পৰিষদ আছে, সেই পৰিষদে শোণিতপুৰৰ DFO,DC ক মাতি আনি এই সন্দৰ্ভত এটা সু-ব্যৱস্থা গ্ৰহণ কৰিবলৈ আমি অনুৰোধ কৰিছিলো। তেওঁলোকে আমাক কথা দি গৈছিল যে মাটিৰ প্ৰমান পত্ৰ দিব বুলি। আজিলৈ সেই ব্যৱস্থাটো আমি দেখিবলৈ পোৱা নাই। গতিকে আপোনাৰ জৰিয়তে অসম চৰকাৰৰ Forest Department ক এই ব্যৱস্থাটো লোৱাৰ বাবে অনুৰোধ কৰিম।

মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ নেতৃত্বত বিভিন্ন NGO সকলক মাতি বা Organization সকলক মাতি যি আলোচনা প্ৰক্ৰিয়া চলিছিল, সেই আলোচনা প্ৰক্ৰিয়াৰ সময়ত আমাৰ সদৌ অসম Tribal সংঘৰ পৰা আপোনাক এটা অনুৰোধ কৰা হৈছিল। সেই অনুৰোধটো হৈছে আমাৰ বড়ো কছাৰী সকলৰ, ইতিমধ্যে উল্লেখ কৰিছোৱেই। হাজোং , গাৰুজ, শৰণীয়া আৰু মদাহী। সেই মদাহী সকলৰ আৰ্থ সামাজিক উন্নয়ন কৰিবৰ কাৰণে একো একোটা সুকীয়া Council গঠন কৰা হয়। তেওঁলোকক আৰ্থ সামাজিক দিশত আগুৱাই লৈ যাব পাৰিম বুলি আশা ৰাখিছো। গতিকে মই আপোনাৰ জৰিয়তে ক'ব বিচাৰো যে আপুনি নিশ্চয় সেইটো monitoring কৰিব। আমাৰ মুখ্যমন্ত্ৰী মহোদয় যিহেতু ইয়াত উপস্থিত আছে। গতিকে আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো নিশ্চয় চৰকাৰে এই জনগোষ্ঠী সকলক আগুৱাই লৈ আহিব। লগতে Council দিয়াৰ বাবে অনুৰোধ জনালো।

ছাৰ, সকলোৱে কৈছে যিটো আমাৰ Cast Certificate দিয়াৰ system ,এই system টো আঁসোৱাহ থকাৰ ফলত আজি যিসকল অনুসূচিত জাতি নহয়, তেওঁলোকে অনুসুচিত জাতিৰ প্ৰমান-পত্ৰ লৈছে। ST Certificate লৈ তেওঁলোক বহুত উন্নত মানদণ্ডৰ জীৱন যাপন কৰি থকা আমাৰ দৃষ্টি গোচৰ হৈছে।

অধ্যক্ষ মহোদয়, আপুনি বাৰম্বাৰ controversial কথাবোৰ ক'ব নালাগে বুলি কয়। অনুসূচিত জাতি আৰু জনজাতিৰ যিটো কল্যাণ পৰিষদ, কল্যাণ সমিতিয়ে এজন মহিলা, নামটো বৰ্ণালী তামুলী। আমি Co-operation Department ক মাতি আলোচনা কৰিছো। বহুত আলোচনা হ'ল। আমি বিভাগক বহুবাৰ অনুৰোধ কৰিছো, Supreme Court, High Court ও ৰায় দিলে, আকৌ DC ৰ নেতৃত্বত অনুসূচিত জাতিৰ প্ৰমান পত্ৰ দিয়াৰো ব্যৱস্থা হৈছিল। তেখেতেও ক'লৈ তেওঁ অনুসূচিত জাতিৰ নহয়। তেওঁ Certificate খন উঠাই লোৱাৰ পিছতো আজিলৈকে তেওঁক সেই বিভাগৰ পৰা বৰ্খাস্ত কৰা নাই। কাৰণটো আমি জানিব পৰা নাই। APSC ত তেখেতে হীৰা সম্প্ৰদায়ৰ লোক বুলি অনুসুচিত জাতিৰ প্ৰমান পত্ৰ লৈ চাকৰি লৈছে। সেই চাকৰি

লোৱাৰ পিছতো আজিলৈকে তেখেতক আমি চাকৰিৰ পৰা বৰ্খাস্ত কৰিবলৈ কোনোধৰণৰ পদক্ষেপ লোৱাটো দেখা নাই।

এইক্ষেত্ৰত মই আপোনাক ক'ব বিচাৰিছো যে আমাৰ Caste Certificate বোৰ issue কৰাৰ সময়ত বহুতো আঁসোৰাহ ৰৈ গৈছে, সেয়েহে, এই আসোঁৰাহবোৰ আমি যাতে সুন্দৰকৈ পৰিচালনা কৰিব পাৰো তাৰ বাবে সময়ে সময়ে Caste Certificate বোৰৰ renewal ৰ ব্যৱস্থা কৰিলে ভাল হ য়, অধ্যক্ষ মহোদয়। Renewal নকৰাৰ ফলত Caste Certificate বোৰ সঁচা হয় নে নহয় আমি ধৰিব নোৱাৰো। Caste Certificate issue কৰাৰ ক্ষেত্ৰত ভাৰতীয় সংবিধানে এটা নিয়ম বান্ধি দিছে যে -জন্ম সূত্ৰে যিসকল অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ লোক আছে তেখেতসকলেহে সেই জাতিৰ প্ৰমাণ পত্ৰ পোৱাৰ যোগ্যতা অৰ্জন কৰে। কিন্তু, আমি দেখিবলৈ পাইছো যে বহুতো লোকে টকা দি অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ ভুৱা প্ৰমাণ পত্ৰ উলিয়াই ৰাজনৈতিক তথা চাকৰিৰ সুবিধা লৈ দপ্‌দপাই ফুৰিছে। গতিকে অধ্যক্ষ মহোদয়, মই আশা ৰাখিছো যে আপোনাৰ এই initiation ৰ জৰিয়তে আমাৰ এই সমস্যাবোৰ সমাধান হ'ব আৰু যিসকল লোক জন্ম সূত্ৰে অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি নহয় তেওঁলোকৰ Caste Certificate সমূহ বাতিল কৰাৰ বাবে বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশনা জাৰি কৰিব। মোৰ আৰু বহুতো ক'বলগীয়া আছিল যদিও মোক এইখিনিকে ক'বলৈ সুযোগ দিয়াৰ বাবে মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া নৰেণ সোণোৱোল।

মোৰ ওচৰত বহুতো নাম আহিছে। সেয়েহে চমুকৈ ক'লে মোৰ সুবিধা হ'ব।

**শ্ৰী নৰেণ সোণোৱাল (নাহৰকটীয়া)ঃ** অধ্যক্ষ মহোদয়, মই ১২০ নং নাহৰকটীয়া সমষ্টিৰ বিধায়ক হিচাপে জনাওঁ যে অসম এখন বিভিন্ন জাতি-জনগোষ্ঠী, ধৰ্ম, বৰ্ণ আৰু ভাষা ভাষীৰ লোকে বাস কৰা বৈচিত্ৰময় দেশ। অসমত বসবাস কৰা জাতি জনগোষ্ঠী লোকসকলৰ ভিতৰত অনুসূচীত জনজাতিৰ লোকসকল অন্যতম। এই জনজাতিৰ লোকসকলে প্ৰায় ১২ % তকৈও অধিক জনসংখ্যাৰে এইখন অসমত অতীতৰে পৰা নিজৰ পৰম্পৰা কৃষ্টি-সংস্কৃতি বজাই ৰাখি বসবাস কৰি নিজৰ পৰিচয় দাঙি ধৰি আহিছে। এই জনজাতি সকল বিভিন্ন ভাগত বিভক্ত, যেনে- সোণোৱাল-কছাৰী, মেছ-কছাৰী, ঠেঙাল-কছাৰী, দেউৰী, মিচিং, বড়ো-কছাৰী, ৰাভা, হাজং, টিৱা ইত্যাদি। এই জনজাতীয় লোক সকল গাওঁ অঞ্চলৰ অতি পিছ পৰা অঞ্চলত বসবাস কৰা কাৰণে শিক্ষা-দীক্ষাকে ধৰি আৰ্থিক দিশতো পিছ পৰা। গতিকে, মই এজন জনজাতীয় বিধায়ক হিচাপে চৰকাৰৰ ওচৰত আবেদন জনাওঁ যে এই লোকসকলৰ উন্নয়নৰ হকে চৰকাৰে গুৰুত্ব প্ৰদান কৰা উচিত। অৱশ্যে, বৰ্তমান তাৰিখত জনজাতি উন্নয়নৰ বাবে ব্যৱস্থা ল'বলৈ চৰকাৰৰ সুকীয়া মন্ত্ৰালয় আৰু জনজাতি সমূহৰ বিভিন্ন স্বায়ত্ত পৰিষদো গঠন কৰি দিয়া হৈছে, যেনে-

১) সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ

২) দেউৰী স্বায়ত্ত শাসিত পৰিষদ

৩) ঠেঙাল-কছাৰী স্বায়ত্ত শাসিত পৰিষদ

৪) মিচিং স্বায়ত্ত শাসিত পৰিষদ

৫) ৰাভা হাজং স্বায়ত্ত শাসিত পৰিষদ

৬) টিৱা স্বায়ত্ত শাসিত পৰিষদ

ইমানবোৰ স্বায়ত্ত শাসিত পৰিষদ আৰু মন্ত্ৰালয় থকাৰ পিছতো এই জনজাতীয় লোকৰ

উন্নয়নৰ বাবে চৰকাৰে ভালেমান আঁচনি ৰূপায়ণ কৰিছে। কিন্তু, এই আঁচনিসমূহ সঠিক ৰূপত ৰাইজৰ মাজলৈ আগুৱাই লৈ যাব পাৰিছে নে নাই সেইটো লক্ষণীয়।

মই সোণোৱাল-কছাৰী জনজাতিৰ এজন বিধায়ক হিচাপে কওঁ যে অসমৰ এটি আদিম খিলঞ্জীয়া জনগোষ্ঠী সোণোৱাল -কছাৰী সকলেও তেওঁলোকৰ পৰম্পৰাগত কৃষ্টি-সংস্কৃতি বুকুত বান্ধি লৈ নিজকে অসমৰ ভূমি পুত্ৰ জনজাতি হিচাপে পৰিচয় দি আহিছে। অসমৰ জনজাতি সকলৰ ভিতৰত তৃতীয় সৰ্ববৃহৎ জনজাতি সোণোৱাল-কছাৰী সকল, তিব্বতৰ ধৰ্মীয় ভাষা আৰু বড়ো-কছাৰী মূলৰ এটা ঠাল। অসমৰ ধেমাজি, ডিব্ৰুগড়, লখিমপুৰ, তিনিচুকীয়া জিলাত বিস্তাৰিত ভাৱে সোণোৱাল কছাৰী লোকসকল বসবাস কৰি আহিছে।

আজিৰ তাৰিখত মই নাহৰকটীয়া সমষ্টিৰ জনজাতিৰ লোকসকলৰ কথাকে ক'ব বিচাৰিছো যে নাহৰকটীয়া সমষ্টিত জনজাতি লোকৰ সংখ্যা প্ৰায় ২৫ হাজাৰৰো অধিক। কিন্তু, চৰকাৰী আঁচনি লাভ কৰা লোক বা জনজাতীয় এলেকাধীন অঞ্চল সমূহৰ কিমান উন্নয়ন হৈছে সেইটো আঙুলি মূৰত হিচাপ কৰিব পৰা যায়। গতিকে, এনেবোৰ ক্ষেত্ৰত চৰকাৰে উন্নয়নৰ সঠিক সফলতা পাবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাটো অতি প্ৰয়োজনীয়। বৰ্তমানত যিবোৰ জনজাতি প্ৰমাণ-পত্ৰ প্ৰদান কৰা হৈছে সেই প্ৰমাণ-পত্ৰ প্ৰদান কৰোতে ভালদৰে নিৰীক্ষণ কৰাটো অতি প্ৰয়োজনীয়। কাৰণ কেতিয়াবা অজনজাতীয় লোকসকলেও ভুৱাভাৱে প্ৰমাণপত্ৰ উলিয়াই লৈ চৰকাৰৰ পৰা সুবিধা আদায় কৰিছে ফলত প্ৰকৃত জনজাতীয় লোকসকল সেই সুবিধাৰ পৰা বাদ পৰি গৈছে। গতিকে, এই ক্ষেত্ৰত চৰকাৰে পদক্ষেপ লোৱাটো উচিত।

মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে চৰকাৰলৈ মোৰ ফালৰ পৰা কেইটামান অনুৰোধ জনাব বিচাৰিছো-

১) সোণোৱাল-কছাৰী স্বায়ত্ত পৰিষদ যিহেতুকে ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত নহয় তথাপিও কিন্তু ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত হোৱাৰ প্ৰয়োজন আছে।

২) সোণোৱাল-কছাৰী ট্ৰাইবেল বেল্ট আৰু ব্লক আছিল কিন্তু চৰকাৰে সেইবোৰ কৰ্তন কৰিলে। গতিকে সেইবোৰ পুনৰ নিৰীক্ষণ কৰি ট্ৰাইবেল বেল্ট আৰু ব্লক দিব লাগে।

৩) যিসকল কছাৰী লোকে চৰকাৰী মাটি অথবা Forest (Reserve) মাটিত বহুদিন ধৰি বসবাস কৰি আহিছে সেইসকল লোকক ম্যাদী পট্টা প্ৰদান কৰিব লাগে।

৪) সোণোৱাল-কছাৰীৰ নিজস্ব সংস্কৃতি আছে আৰু এই সংস্কৃতিক সুৰক্ষা প্ৰদানৰ বাবে চৰকাৰে ব্যৱস্থা ল'ব লাগে।

৫) সোণোৱাল-কছাৰীসকলৰ এটা নিজস্ব ভাষা আছে। এই ভাষাটো পুনৰ উদ্ধাৰ কৰি প্ৰশিক্ষণ দিবৰ বাবে চৰকাৰে অতি সোনকালে বিত্তীয় পুঁজি মোকলাই দিয়াৰ ব্যৱস্থা কৰিব লাগে।

সদৌ শেষত কওঁ যে, জনজাতীয় লোকসকল সহজ-সৰল আৰু তেওঁলোকে ভগৱানৰ প্ৰতি অগাধ ভক্তি আৰু প্ৰেম ৰাখে। ভগৱানক সন্তুষ্ট কৰাৰ কাৰণে বাইথ' পূজা নামেৰে এভাগী মূল পূজা-সেৱাৰে সকলোৰে মংগল কামনা কৰে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। আপুনি একেবাৰে সময়মতে শেষ কৰিছে। এতিয়া চুম ৰংহাং।

**শ্ৰী চুম ৰংহাং (পাৰ্বত্য অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ উদ্যোগত আজিৰ আলোচনাৰ বিষয়-'অসমৰ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি সকলৰ আৰ্থ-সামাজিক উন্নয়ন'-এই পদক্ষেপ লোৱাৰ বাবে পোন প্ৰথমে ধন্যবাদ জ্ঞাপন কৰিছো।

প্ৰথমে মই অনুসূচীত জাতিৰ আৰ্থ-সামাজিক উন্নয়নৰ বিষয়ে ক'ব বিচাৰিছো ।আমি যিহেতুকে

Sixth Schedule area ত বসবাস কৰো, গতিকে মই কাৰ্বি আংলঙৰ কথা ক'ব লাগিব। কাৰ্বি আংলঙত Karbi Anglong Autonomous Council আৰু Dima-Hasao Autonomous Council আছে। আমাৰ Sixth Schedule area ত অনুসূচীত জনজাতিৰ উপৰিও বিভিন্ন জনগোষ্ঠীৰ লোকে বসবাস কৰি আছে। কিন্তু অনুসূচীত জাতি বা Other Backward Class ৰ যি আৰ্থ-সামাজিক উন্নয়নৰ ব্যৱস্থা থাকিব লাগে, তাত কিন্তু এই সুবিধাখিনি এতিয়ালৈকে পাবলৈ সক্ষম হোৱা নাই বুলি ক'বলৈ বিচাৰিছো। কিয়নো কাৰ্বি আংলং, ডিমাহাচও আৰু পাহাৰীয়া অঞ্চলত অনুসূচীত জাতিৰ মানুহ বহুত আছে। কিন্তু এইটো কেৱল ভৈয়ামৰ জিলা সমূহতে সীমাবদ্ধ হৈ আছে। সেয়েহে এইটো সদনৰ দৃষ্টিগোচৰ কৰিবলৈ বিচাৰিছো। আমাৰ কাৰ্বি আংলংবাসী ৰাইজসকল পাহাৰীয়া অঞ্চলৰ ৰাইজ তাত অনুসূচীত জাতিৰ লোক বসবাস কৰে। তেওঁলোকে যাতে এই সা-সুবিধাৰ পৰা বঞ্চিত নহয় তাৰ বাবে মই আপোনাৰ জৰিয়তে সদনৰ দৃষ্টিগোচৰ কৰিলো। ইয়াৰ পিছত অনুসূচীত জনজাতিৰ কথা ক'বলৈ গ'লে প্ৰথমতে ইয়াৰ আন্তঃগাঁথনিসমূহ জানি লোৱা ভাল হ'ব। কাৰণ অনুসূচীত জনজাতিৰ কথা যেতিয়া ক'বলৈ যাওঁ তেতিয়া অনুসূচীত জনজাতিৰ পাৰ্বত্য আৰু ভৈয়ামৰ কথা আহি পৰে। কাৰণ ন'ডেল ডিপাৰ্টমেণ্ট হ'ল WPT. Grant No. 38. আমাৰ Hill Area Department ৰ Grant No.হ'ল-70. আমাৰ কেৱল Hill Area Department ৰ কথা আলাপ-আলোচনা কৰিবলৈ হ'লে কেৱল WPT ৰ ওপৰতে ন্যস্ত থাকে। কাৰণ WPT বিভাগে গোটেইখিনি অনুসূচীত জাতি আৰু জনজাতিৰ বিষয়ে আলাপ - আলোচনা কৰে আৰু বিষয়সমূহ তাতেই সীমাবদ্ধ থাকে। যাৰ কাৰণে আমি পাহাৰীয়া জিলাৰ যিকেইটা অনুসূচীত জনজাতিৰ পাহাৰীয়া ST Hill হিচাপে আমাক Recognition দিয়া হৈছে কিন্তু ST Hill ৰ কথা পাহৰি যায়। যাৰ কাৰণে বহু জানিবলগীয়া কথাৰ পৰাও আমি বঞ্চিত হওঁ বা পাবলগীয়া বহু সা-সুবিধাৰ পৰাও আমি বঞ্চিত হ'বলগীয়া হয়। এই পাহাৰীয়া জনজাতি সকলৰ কাৰণে মই কিছু কথা ইয়াত জনাব বিচাৰিছো যে আমাৰ ট্ৰাইবেলৰ সংখ্যা গোটেই অসমত আছে ৩৮, ৮৪,৩৭১. তাৰে ভিতৰত ST Plains আছে ৩১,৯৩,৭৯০। ST Hills ৰ আছে ৬,৯০,৫৮১ জন। এই যি ST Hills ৰ জনসংখ্যা আছে ইয়াত আমাক কেৱল পাহাৰীয়া এলেকাত থকা ST Hills সকলকহে দেখুৱা হৈছে। ইয়াত কাৰ্বি সকলৰ আছে ৪,৩০,৪৫২। এইটো কেৱল পাহাৰীয়া জিলাত থকা নে অসমৰ বিভিন্ন অঞ্চলত সিঁচৰিত হৈ থকা কাৰ্বি সকলক লৈ কৰিছে, সেইটো স্পষ্ট নহয় কাৰণ কাৰ্বি জনগোষ্ঠীক যদিওবা আগতে মিকিৰ আছিল, পিছত মিকিৰৰ পৰা কাৰ্বি হ'ল। মিকিৰ হিচাপে জনজাতি স্বীকৃত তালিকাত ST হিচাপে আছে। কিন্তু ST Plains ত থকা কাৰ্বিসকল এই তালিকাত আছেনে নাই এইটো অস্পষ্ট হৈ আছে। ইয়াত ST Plains ৰ যিখন লিষ্ট আছে, তাত কাৰ্বিসকলৰ নাম জনজাতি হিচাপে অন্তৰ্ভুক্ত নাই। গতিকে ST Plains ৰ কমিউনিটি আছে ১৪টা। কিন্তু ST Hills ৰ লিষ্টত আছে ১৫ টা কমিউনিটি। গতিকে মই স্পষ্টকৈ জানিব বিচাৰিছো যে অসম চৰকাৰে এইটো স্পষ্ট কৰি দিব লাগে যে আমাৰ কাৰ্বি জনগোষ্ঠী অসমৰ পাৰ্বত্য অঞ্চলৰ বাহিৰে ভৈয়াম অঞ্চলৰ কাৰ্বি সকল জনজাতি নহয় নেকি? কিন্তু জানিব পৰা মতে যেতিয়া বৰ অসম আছিল, Latest ১৯৯১ census of India- মতে Others Tribes ৰ ভিতৰত Including ২০ লৈকে ট্ৰাইবচ আছিল আৰু অৰুণাচল প্ৰদেশত মই এইটো দেখিবলৈ পাইছো। কিন্তু আমাৰ অসমৰ ক্ষেত্ৰত লিষ্টখনত Others Tribes বুলি যিটো আছে, তাত কিন্তু এইটো সন্নিবিষ্ট নাই। অৰুণাচল প্ৰদেশৰ ৫৭ নম্বৰ লিষ্টতআছে। ১০১ টাৰ ভিতৰত ৫৭ লিষ্টতহে মিকিৰ অৰ্থাৎ কাৰ্বি জনগোষ্ঠীটোৰে জনজাতি হিচাপে

স্বীকৃতি পাইছে। কিন্তু অসমৰ ক্ষেত্রত এইটো স্পষ্ট নহয়। যেতিয়া সংবিধান ৰচনা কৰা হৈছিল আৰু কেন্দ্ৰীয় চৰকাৰে আৰম্ভণিতে যিখন লিষ্ট কৰিছিল তাত কিন্তু মিকিৰ অৰ্থাৎ কাৰ্বিসকলক জনজাতি হিচাপে স্বীকৃতি দিছিল। যদিও এতিয়া কাৰ্বিসকলক সময়ে সময়ে ট্ৰাইবেল হিচাপে স্বীকৃতি দিছে, কিন্তু সেই স্বীকৃতিটো ভৈয়াম অঞ্চলত থকা খুব সীমিত সংখ্যক কাৰ্বি লোককহে ট্ৰাইবেল হিচাপে স্বীকৃতি দিছে। এই যিটো অস্পষ্ট হৈ আছে যে পাহাৰীয়া এলেকাটো অসমৰ পাহাৰীয়া এলেকা হয়নে কাৰ্বি আংলং, ডিমাহাচাওৰ পাহাৰীয়া এলেকা হ'ব। এইটো স্পষ্ট নহয়। যদিওবা আজি পাহাৰীয়া জনজাতিৰ বিষয়ে আলোচনা নহয়, কেৱল ভৈয়াম জনজাতিৰ আৰ্থিক উন্নয়নৰ ক্ষেত্ৰত আলোচনা হ'ব কিন্তু মই ভাৱো যে ST Hills য়েই হওঁক বা ST Plains য়েই হওঁক জনজাতি সকলৰ আৰ্থিক উন্নয়নৰ বিষয়ে যেতিয়া কোৱা হৈছে, মই দেখিবলৈ পাইছো যে পাহাৰীয়া জনজাতি সকলৰ আৰ্থ-সমাজিক দিশত যিটো উন্নয়ন হ'ব লাগিছিল, তেওঁলোকে যিটো সা-সুবিধা জনজাতি হিচাপে পাব লাগিছিল সেইটো পোৱাৰ পৰা বঞ্চিত হৈ আছে। কাৰণ WPT ৰ গ্ৰ্যাণ্টৰ যি সা-সুবিধা দিয়া আছে তাত কেৱল নোডেল বিভাগ হিচাপে ট্ৰাইবেল সকলক ধৰা হৈছে। যিহেতু আগতে টি এ ডি আছিল। ১৯৭৬ চনৰ আগতে ট্ৰাইবেল এৰিয়া ডেভল'পমেণ্ট ডিপাৰ্টমেণ্ট হিচাপে আছিল আৰু ১৯৭৬ চনৰ পিছৰ পৰা এইটো বিভক্ত কৰা হ'ল। এটা হ'ল HAD আৰু এটা হ'ল WPT, এই HAD আৰু WPT, দুটা ভাগত বিভক্ত কৰা হোৱাৰ পিছত নোডেল বিভাগৰ, WPT গ্ৰ্যাণ্ট নম্বৰ হ'ল ৩৮ আৰু HAD ৰ গ্ৰ্যাণ্ট নম্বৰ হ'ল ৭০। গতিকে এই দুয়োটা ভাগত বিভক্ত কৰাৰ পাছত যিটো সা-সুবিধা আমি পাব লাগিছিল, ধৰি লওঁক যিখিনি ST(P) meritorious student এ stipend বা post- matric Scholarship ১৯৭৬ চনৰ আগতে পাই আছিল এইবোৰ এতিয়া কেতিয়াবা পায়, কেতিয়াবা নাপায়। এনেকৈ আমি কিছুক্ষেত্ৰত বঞ্চিত হ'ব লগা হৈছে গতিকে ট্ৰাইবেল যিহেতু অসমত পাহাৰীয়া জনজাতি আৰু ভৈয়াম জনজাতি হিচাপে চিহ্নিত কৰা হ'ল কিন্তু আমি জনজাতি হিচাপে যিটো পোৱাৰ অধিকাৰ আছিল, সেই অধিকাৰৰ পৰা আমি কিছু পৰিমানে হলেওঁ বঞ্চিত হৈছো। গতিকে সেইটো স্পষ্ট হ'ব লাগে আৰু এইটো যিহেতু আমি পাব লাগে। মুঠ জনজাতিৰ জনসংখ্যা ৰ পৰা ১৮ শতাংশ জনসংখ্যাৰ যিটো চেয়াৰ সেইটো আমাৰ পাহাৰীয়া জনজাতিক দিলে জনজাতিৰ বাবে ধাৰ্য্য কৰি দিয়া বাজেটৰ উন্নয়নৰ শিতানৰ টকাবিলাক আমি সময়মতে পাবলৈ সক্ষম হৈছো আৰু সকলোতে সমান ভাৱে বিতৰণ হৈছে বুলি বা কৰিব পাৰিছে বুলি আমি দাবী কৰিব পাৰো। কিন্তু আমি এইটো দেখিবলৈ পোৱা নাই। আমি দেখিবলৈ পাইছো যে, Article 275 (1) ত থকা যিটো ৮০ শতাংশ চেয়াৰ, সেইটো Tribal Affairs Ministry ৰ পৰা অহা টকা। এই Tribal Affairs Ministry ৰ পৰা অহা টকাখিনি যাতে ১৮ শতাংশ জনসংখ্যাৰ চেয়াৰ টকাটো আমাক দি দিয়া যায়, তেতিয়াহ'লে পাহাৰীয়া জনজাতিয়েও উপকৃত হ'ব বুলি মই ভাবো। কিন্তু আমি দেখিবলৈ পাইছো, কেৱল আজি দুটামান বছৰৰ পৰাহে আংশিক ভাৱে কিছু টকা Article 275 (1) ত দিয়া হৈছে। গতিকে মই ভাবো এইটো স্পষ্ট হ'লেহে গোটেই খিনি কথা আৰ্থ সামাজিক দিশত সমান ভাবে উপকৃত হ'ব। গতিকে এইখিনি কথা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কষণ কৰিবৰ কাৰণে মই বিশেষকৈ আজি অংশগ্ৰহণ কৰিছো। HAD Department ত কাৰ্বি আংলং আৰু ডিমা হাছাও Autonomous Council ক ছোৱাচিতা কৰাৰ বাহিৰে আমাক কোনোধৰণৰ ধন আৱন্টন কৰা নাই। Hill Areas Department ত কেৱল SOPD ৰ নামত ২ কোটি টকা দিয়া আছে Grant No-70 ত। whereas thousand of crores আমাৰ

WPT Department ত দিয়া আছে, BTAD Area, BTAD কাউঞ্চিল Bodoland Autonomous Council টো দিয়া আছে, তাত আমাৰ Grant no-76 ত আছে কাৰ্বি আংলং , Grant no-77 ত আছে ডিমাহাচাও , Grant no-78 ত অছে BTAD. কাৰ্বি আংলং ৰ সুকীয়া বাজেট আছে, Bodoland Autonomous Council ৰ সুকীয়া বাজেট আছে, ডিমাহাচাওৰো সুকীয়া বাজেট আছে। মুঠতে যিমানখিনি বিভাগ আছে তাৰ ভিতৰত মাত্ৰ ২৬ টা বিভাগহে হস্তান্তৰ কৰা হৈছে। বাকী যিমানখিনি অসম চৰকাৰৰ বিভাগ আছে, সকলো বিভাগৰ উন্নয়ন আমাৰ পাহাৰীয়া এলেকাটো প্ৰয়োজন আছে। গতিকে জেনেৰেল বাজেটৰ টকাও আমাৰ কাৰ্বিআংলংত বেলেগকৈ নাযায় কেৱল মাত্ৰ ৩৮০ কোটি আমাৰ কাৰ্বিআংলং Autonomous Council ক দিয়া হৈছে আৰু প্ৰায় ১৮০ কোটি ডিমা হাছাও Autonomous Council ক দিয়া হৈছে। WPTত Bodoland Autonomous Council ত প্ৰায় ৯০০ কোটি টকা দিয়া হৈছে। কিন্তু ১৮০ কোটি ডিমা হাছাও Autonomous Council ক দিয়া হৈছে। কিন্তু General Fund ৰ পৰাও যায়,General Budget ৰ টকাৰ পৰাও যায়,WPT ৰ পৰাও যায় Bodoland Autonomous Council ৰ টকাও যায়। কিন্তু কাৰ্বি আংলং জিলাৰ আমাৰ 6th Schedule Area ৰ পাহাৰীয়া অঞ্চলত কেৱল মাত্ৰ কাৰ্বি আংলং Autonomous Council Grant No-76, Grant No-77 হৈছে। এই দুটা বাজেটৰ টকাৰ বাহিৰে General বাজেটৰ টকা তাত নাযায়। গতিকে এইটোত আমাৰ ক্ষমতা সংকুচিত হোৱা বুলি অনুভৱ কৰিছো। গতিকে আমাৰ যিটো General SOPD ৰ টকা জেনেৰেল বাজেটৰ পৰাও যাতে তালৈ যায় তেতিয়াহে উন্নয়নৰ ক্ষেত্ৰত সকলো দিশতে সমান অধিকাৰ পাব বুলি বিশ্বাস। গতিকে এইখিনি দৃষ্টিগোচৰ কৰি অধ্যক্ষৰ উদ্দ্যোগ ত যিটো আলোচনাৰ বিষয় হিচাপে অসমৰ অনুসূচীত জাতি অনুসূচীত জনজাতিৰ আৰ্থসামাজিক দিশত উন্নয়নৰ কথা কবলৈ যিটো সুযোগ দিলে তাৰ বাবে মই অধ্যক্ষ আৰু আমাৰ উপাধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্য সামৰনি মাৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ- ধন্যবাদ। ইয়াৰ পিছত শ্ৰী ভুৱন পেগু।

**শ্ৰী ভূৱন পেগু (জোনাই)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰথমতে মই আমাৰ মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো, অধ্যক্ষৰ উদ্যোগ শিতানত এনেকুৱা বিষয়বোৰত এইবাৰ অসমৰ ভৈয়াম জনজাতি, জনজাতি আৰু Schedule caste খিনিৰ সকলো সংগঠনক লৈ আলোচনা কৰিছে আৰু আজি বিধান সভাত গোটেই দিনটো এই বিষয়ত উৎসৰ্গা কৰি আলোচনা কৰিছে। কাইলৈ গোটেই দিনটো অসম বিধান সভাই জাতিৰ পিতা মহাত্মা গান্ধীৰ নামত উৎসৰ্গা কৰিছে উপাধ্যক্ষ মহোদয়। সেই কাৰণে জাতিৰ পিতা মহাত্মা গান্ধীৰ নামত দিনতো উৎসৰ্গা কৰাৰ সময়ত মোৰ মনলৈ এটা কথা আহিছে - “A nation’s greatness is measured by how it treats its weakest members” বুলি কৈছে, তাৰ মানে এখন ৰাষ্ট্ৰ এখন সমাজ কিমান মহান কিমান শক্তিশালী এইটো যদি measure কৰিব লাগে, it measured by how it treats its weakest member বুলি কৈছে। ঠিক সেই দৰে আমেৰিকাৰ 33rd President আমাৰ H.S. Truman য়েও একেধৰণৰ কথা কৈছিল “A society will be judged by how it treats its weakest member” এতিয়া চাবলৈ গ’লে উপাধ্যক্ষ মহোদয়, দুই ঘন্টামান আলোচনা হৈছে। এই আলোচনাবোৰত যদি আমি লক্ষ্য কৰো অসমত জনজাতি সকল, ভৈয়াম জনজাতি সকল বা জনজাতি সকলৰ Percentage কিমান? চেনচাচে

কৈছে ১২.৪ শতাংশ। অসমৰ জনসংখ্যা যদি ১২.৪ শতাংশ হয় তেতিয়া হ'লে ইয়াৰ ১২ শতাংশত ৩১-৩২ লাখ মানুহ হ'ব। এতিয়া এই ৩১-৩২ লাখ single tribe হয় নে নহয় আমি যদি চাওঁ তেন্তে notified tribe আছে around 23 আৰু prominent tribe আছে ৯টা। ২৩ ৰ ভিতৰত যদি ৩১ লাখ জনসংখ্যাক ভগাই দিয়া হয়, তেতিয়া কিছুমান tribe ৰ জনসংখ্যা ২ লাখ হ'ব। কিন্তু prominent tribe খিনি যদি ৯ টা tribe ক যদি ভগাই দিয়া যায়, কাৰবাৰ ৬ লাখ আছে, কাৰবাৰ ৫ লাখ আছে, কাৰবাৰ ১২ লাখ হ'ব। ঠিক সেইদৰে এচ চি খিনিক যদি আমি চাওঁ ৭ শতাংশ সংৰক্ষণ দি থৈছে। Sub-caste কিমান আছে বুলি যদি কওঁ Sub-caste আছে ১৬ টা। এই ১৬ টা Sub-caste ৰ মাজত জনসংখ্যা কিমান বুলি কলে, অতি কমেও ২০ লাখ নোচোৰেই। সেই ১৬ টা tribe ত যদি ২০ লাখ ভগাই দিয়া যায়, Highest আমাৰ কৈৱৰ্ত্য সকল বুলি কৈছে, ৩ লাখ নে চাৰে তিনি লাখ বুলি কৈছে। বাকী ক'ৰবাত ৫০ হাজাৰ থাকিব ক'ৰবাত ৩০ হাজাৰ থাকিব। কঁৰবাত ২ লাখ থাকিব, কঁৰবাত ১ লাখ থাকিব। গতিকে উপাধ্যক্ষ মহোদয়, এইখনিৰ আমি আজিৰ আলোচনাত কোনখিনি জাতিৰ কথা কৈ আছো? অসমৰ ৩ কোটি ৩০ লাখ মানুহৰ মাজত এইসৰু সৰু ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি জনগোষ্ঠীৰ কথা পাতি আছো। মই লক্ষ্য কৰিছো বহুত কমিউনিটিয়ে গৌৰৱ কৰে আমাৰ ত্ৰিছ লাখ জনসংখ্যা আছে। আমাৰ আশী লাখ জনসংখ্যা আছে বুলি বহুতে কিমান শক্তিশালী বুলি কমপিট কৰে। আমি কেনেকৈ কমপিট কৰিম, এক লাখ জনসংখ্যাকলৈ। মাননীয় উপাধ্যক্ষ মহোদয়, সিদিনাখন যি আলোচনা আহ্বান কৰা হৈছিল, তাত যিমান মেম'ৰেণ্ডাম আহিছে এচ চি-এচ টি সংগঠনৰ প্ৰায়ভাগ মেম'ৰেণ্ডামৰ কমন বিষয়টো কি? কমন বিষয়টো হ'ল, লেণ্ড চাৰ্ভে হ'ব লাগে আমাৰ ঠাইসমূহত আৰু আমাৰ মাটিৰ পট্টাটো দিব লাগে। অনুসূচীত জাতি আৰু জনজাতি বসবাস কৰা ঠাইসমূহ সৰহ সংখ্যক চাৰ্ভে হোৱা নাই আৰু মাটিৰ পট্টা নাই। আমিতো মাটি অসমত বিচাৰিছো। কৰোবাৰ বেলেগ ঠাইত আমি মাটি বিচৰা নাই। আজি ভাৰত স্বাধীন হোৱা ৭৫ বছৰ হ'ব আৰু এতিয়াও আমি আমাৰ এডোখৰ ভূমিত আছো, সেই এডোখৰ ভূমিৰ আমাৰ চৰকাৰী কাগজ নাই। বেছি বিচ্ৰা নাই। তাৰ পিছত কেইটামান ট্ৰাইবেল সংগঠন-মিচিং সাহিত্য সভা মিচিং জাতীয় সংগঠন সমূহে বিচাৰিছে যে নিজৰ মাতৃভাষাত প্ৰাইমেৰী লেভেলত পঢ়িবলৈ সুযোগটো দিব লাগে। এইটো বহুত ডাঙৰ ডিমাণ্ড নহয়। সংবিধানৰ বাহিৰত নহয়। ইয়াত বিচাৰিছে যে, ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি জনজাতিয়ে বসবাস কৰা ভূমিবোৰৰ প্ৰৱৰ্জন হৈ কাইলৈ এই ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি-জনগোষ্ঠীবোৰে মাইনৰিটি হৈ নোহোৱা হৈ যোৱাৰ সম্ভাৱনা আছে, লুপ্ত হৈ যোৱাৰ সম্ভাৱনা আছে। এখেতসকলৰ ভূমিবোৰক সুৰক্ষা দিবৰ কাৰণে ট্ৰাইৱেল বেল্ট এণ্ড ব্লক বনাইছিল। সেই ট্ৰাইৱেল বেল্ট এণ্ড ব্লক বোৰত সুৰক্ষা বিচাৰিছে। সুৰক্ষাৰ কাৰণে আইন আছে। কিন্তু অসম চৰকাৰে আৰু বিভিন্ন চৰকাৰে সেইটো সুৰক্ষা দিয়া নাই। তাৰ পিছত বিচাৰিছে যে সংবিধানত ৰিজাৰ্ভেশ্যন পলিচি এটা ঘোষণা কৰি থৈছে। ৰিজাৰ্ভেশ্যন পলিচিতআমাক ৰিজাৰ্ভেশ্যন দিছে। শিক্ষা অনুষ্ঠানবোৰত ৰিজাৰ্ভ চিট থাকিব লাগে। দিছে আমাক। চাকৰিৰ ক্ষেত্ৰত আমাক ৰিজাৰ্ভেশ্যন দিছে, সেই ৰিজাৰ্ভেশ্যন পলিচিটো ভালকৈ ইমপ্লিমেণ্ট হ'ব লাগে। ইমপ্লিমেণ্ট নোহোৱাৰ কাৰণে এইটো শব্দ আহিলে "বেকলগ"। যুগ যুগ ধৰি এই ৰিজাৰৰ্ভেশ্যন পলিচি ফ'ল নকৰাৰ কাৰণে যিটো পৰিমাণত আমাৰ চাকৰিবোৰৰ সুযোগ পাব লাগিছিল, সেই সুযোগবোৰ আমাক নিদিয়াৰ কাৰণে সকলো এচ চি এচ টিৰ পদ খালী হৈ আছে। সেই খালী হৈ থকা পদসমূহ পুৰণ কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, দুখৰ বিষয় যে, প্ৰায় ভাগ ছাত্ৰসন্থাৰ মেম'ৰেণ্ডামত দেখিছো যে, জলপানীটো ২০১৬ চনৰ পৰা মোকোলাই দিয়া নাই। সেই ২০১৬ চনৰ পৰা আমাৰ পঢ়ি থকা

ল'ৰা-ছোৱালীবোৰে যিটো জলপানী পায়, সেই জলপানীটো আমাক মোকোলাই দিব লাগে বুলি কৈছে। অলপ আগতে ডাঃ ৰণোজ পেগু ডাঙৰীয়াই কৈছে, যদি কৰোবাত জংঘল, গছ-গছনি বাচি আছে, সেই ট্ৰাইবেলসকল বসবাস কৰা ঠাইসমূহত বাচি আছে। কিয়নো ট্ৰাইবেল সকলে জংঘলৰ লগত সহঅৱস্থান কৰে। আমি বচাই থৈছো। কিন্তু আমি বাস কৰা ঠাইসমূহত চৰকাৰে জংঘল আছে বুলি Proposed Reserve Forest ঘোষণা কৰিব বিচাৰে। তাৰ লগত যে মানুহখিনিও আছে, তাৰ সুৰক্ষাৰ কথা নকয়। জংঘল আছে হয়, সেইটো Reserve Forest কৰিব লাগে ভাল কথা, কিন্তু তাত সহৰস্থান কৰি যে ট্ৰাইবেল সকল যুগ যুগ ধৰি আছে, তাৰ কথাটো নকয়। এইকাৰণে Forest Right Act ত আহিলে ২০০৫ চনত। সেই Forest Right Act ইমপ্লিমেণ্ট কৰি তাত সহৰস্থান কৰি জংঘল খিনিক বচাই থকা ট্ৰাইবেল খিনিক সেই ভূমিৰ পট্টা দিব লাগে বা ভূমিৰ অধিকাৰ দিব লাগে বা কৰ'বাত কনভাৰশ্যন (convertion) কৰি দিব লাগে বুলি কৈছে। সেই ডিমাণ্ডবোৰ সংবিধানৰ বাহিৰত নেকি ? এই ডিমাণ্ডবোৰ আইনৰ বাহিৰত নেকি ? এই ডিমাণ্ডবোৰ যিখিনি ট্ৰাইবেল আৰু অনুসূচীত জাতি সকলে পাই আহিছে, পাই থকা বিষয়বোৰৰ প্ৰটেক্টশ্যন বিচাৰিছে। নতুন একো বিচৰা নাই। আইনত লিখা আছে আমি পাব লাগে। প্ৰায়ৰিটি পাব লাগে। তাৰ পাচত সামান্য কথাকেইটামান মেম'ৰেণ্ডামত দেখিলো, মিচিং মানুহখিনিয়ে ডিমাণ্ড এটা দিছে, অসম চৰকাৰৰ কাগজ পত্ৰত আমি মিচিং বুলি ব্যৱহাৰ হয়। সংবিধানত কিন্তু মিৰি বুলি আছে। সংবিধানত মিৰি থকাৰ কাৰণে বাহিৰত পঢ়িবলৈ গ'লে এই এচ টি চাৰ্টিফিকেট খনক লৈ অসুবিধা হয়। মিৰি শব্দটো সলাই মিচিং কৰি দিব লাগে। সেই নামটোৰ সলনি এটা বিচাৰিছে। কোনো স্বাধীন দেশ বিচৰা নাই। ভাৰত চৰকাৰে, অসম চৰকাৰে এইটো কৰিব নোৱাৰা কি কথা আছে মই বুজি নাপালো। ঠেঙালসকলৰ মেম'ৰেণ্ডাম চালো । তাত কছাৰী লিখা আছে, এচ টিৰ হিচাবে ঠেঙাল শব্দটো ভৰাই দিব কৈছে। আগতে আছিল গুচাই দিলে, এতিয়া ঠেঙাল শব্দটো ভৰাই দিব লাগে। অলপ আগতে মই শুনিলো এচ টিৰ লিষ্টত মিকিৰ শব্দ লিখা আছে। নিজৰ নামটো শুদ্ধ কৰি লিখি দিব বিচাৰিছে। সামান্য সামান্য ডিমাণ্ড। মোক জাতি সংগঠন বিলাকে লগ ধৰে আৰু কয় সংবিধানত মিৰিটো সংশোধন কৰাই মিচিং টো ভৰাই দিব লাগে। কেতিয়াবা মই ভাবো, আমাৰ চৰকাৰ সকলৰ ইমান ডাঙৰ পৰিকল্পনা চলে যেনে তেনে বা গোষ্ঠীৰ বা জাতিৰ নামটো যেনেতেনে সলাই দিয়া ডিমাণ্ডটো কিবা প্ৰায়'ৰিটি লিষ্টত আহিব জানো। সেইকাৰণে মাননীয় উপাধ্যক্ষ মহোদয়, কাইলৈ আলোচনা আছে মহামানৰ মহাত্মা গান্ধীৰ ওপৰত। জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল যে সকলো কথা দিশপুৰ দিল্লীৰ পৰা পৰিচালিত হ'ব নোৱাৰে। এইখন Decentralise হ'ব লাগে বুলি 73rd ammendment আনি পঞ্চায়তিৰাজ ব্যৱস্থাটো প্ৰৱৰ্ত্তন কৰিছিল Decentralisation of power সকলোকে দিশপুৰৰ পৰা নোৱাৰে, দিল্লীৰ পৰা নোৱাৰে। সেইকাৰণে ইয়াত কাউঞ্চিলবোৰ যেতিয়া দিছে, সেই কাউঞ্চিলসমূহক অলপ শক্তিশালী কৰি তুলিব লাগে যেনে মাটিৰ পট্টা দিয়া বিষয়টো কাউঞ্চিলক দি দিয়ক। জৰীপ কৰাৰ বিষয়টো কাউঞ্চিলক দি দিয়ক। স্ক'লাৰশ্বিপৰ বিষয়বোৰ কাউঞ্চিলক দি দিয়ক। এই যিখিনি আমাৰ ডাঙৰ ডাঙৰ কমিশ্যনাৰ, প্ৰিঞ্চিপাল চেক্ৰেটাৰী সকলৰ যিখিনি বিষয়ত সময় নাথাকে, যিখিনি ইয়াত গোটেই ৰাজ্যৰ সমস্যাটো চম্ভালিব নোৱাৰাকৈ ইমান ডাঙৰ ডাঙৰ বিষয়া সকলৰ সময় নাথাকে এই সৰু সৰু কামৰ দায়িত্ববোৰ আমাক দি দিয়ক বুলি কৈছো। শেষত stringent কৰিব লাগে সেই কাউঞ্চিলবোৰক। যিটো ইনষ্টিটিউশ্যন অসম চৰকাৰে ক্ৰিয়েট কৰিছে। এই ইনষ্টিটিউশ্যনটো শক্তিশালী হ'লে grass root level ৰ এডমিনিষ্ট্ৰেশ্যন শক্তিশালী হ'ব। মাননীয় উপাধ্যক্ষ মহোদয়, মই

শেষ কৰিছো, যেনেকৈ পঞ্চায়তীৰাজ ব্যৱস্থাক সদায় শক্তিশালী কৰিব লাগে বুলি জাতিৰ পিতাৰ সপোন আছিল, আমাৰ জনজাতী সকলৰ ডিমাণ্ড এটাই, আমাৰ যিখিনি কাউঞ্চিল এই চৰকাৰে ব্যৱস্থা কৰিছে সেইটো শক্তিশালী কৰক, সাংবিধানিক মৰ্য্যদা প্ৰদান কৰি Six Schedule প্ৰদান কৰক। Six Schedule যেতিয়া সৃষ্টি হ'ব বহুত তেতিয়া আমাৰ কাউঞ্চিলবোৰৰ পৰা সেই ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীবোৰ আহি দিশপুৰক দিগদাৰ কৰিব নালাগে মাটিৰ পট্টাৰ কাৰণে, সৰু সৰু কামৰ কাৰণে আৰু ইয়াত বৰ বৰ বিষয়া এই ক্ষেত্ৰত সোমাব নালাগে। এই ক্ষুদ্ৰ ক্ষুদ্ৰ বিষয়বোৰ সমাধান হ'ব নোৱাৰা বিষয় নহয়। সমাধান হ'ব। যিখিনি গুৰুত্ব অসম চৰকাৰ বা বিষয়া সকলে দিব লাগে সেই গুৰুত্বটো দিয়া নাই আৰু এই বিধান সভাই আপোনালোকৰ নেতৃত্বতমাননীয় অধ্যক্ষ ডাঙৰীয়াৰ নেতৃত্বত এইটো প্ৰায়'ৰিটি আলোচনাত অনাৰ কাৰণে মই ভাবো যে এটা signel যাব অসম চৰকাৰৰ machinery লৈ এই বিষয়বোৰক গুৰুত্ব দিব লাগে বুলি। এইখিনি ক'বলৈ সুযোগ দিয়াৰ কাৰণে মই ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ (উত্তর করিমগঞ্জ) ঃ** মাননীয় **উ**পাধ্যক্ষ মহোদয়, আজ স্পীকার ইনিসিয়েটিভ-এ তফশিলি জাতি, তফশিলি জনজাতির আর্থ-সামাজিক উন্নয়নের জন্য যে বির্তকের ব্যবস্থা করা হয়েছে, তার জন্য প্রথমেই আমি ধন্যবাদ এবং শুভেচ্ছা জ্ঞাপন করছি। উপাধ্যক্ষ মহোদয় আমরা সবাই সংবিধানের শপথ নিয়ে এই বিধানসভায় এসেছি এবং সংবিধান মতে আমরা কাজ করি। উপাধ্যক্ষ মহোদয় গতকাল আমার সমষ্টির তফশিলি ভাইদের সাথে কথা হয়। গতকাল আমাদের মাননীয় বিধায়ক আমিনুল ইসলাম বাংলা ভাষা নিয়ে একটা কথা বলেছিলেন, হয়তো উনার জানা নেই যে ভাষা সার্কুলার আইন মতে বরাকে বাংলা, বড়োল্যাণ্ডে বড়ো, এবং রেস্ট অফ দা অসমে অসমিয়া ভাষা প্রচলিত। আমি এই জন্যই এই কথাগুলো বলছি,যে ভাষা সার্কুলার আইন রয়েছে। শান্তি চুক্তি মতে সেই আইন প্রণয়ন করা হয়েছে। উপাধ্যক্ষ মহোদয় সবচেয়ে বড় বিষয় হচ্ছে সিকিমে **১১**টি রাজ্যিক ভাষা আছে। গুজরাটে **৪**টি, বিহারে **৪**টি রাজ্য ভাষা আছে। অর্থাৎ প্রত্যেকটি রাজ্যে নিজস্ব রাজ্য ভাষা আছে। এই কথাগুলো যারা বলেন আইন সভার সদস্য হয়েও আইন সম্বন্ধে তাদের জানা নেই। তারা যখন এরকম কথা বলেন সেটা দুঃখজনক এবং লজ্জাজনক । কথাগুলো আপনাকে জানিয়ে রাখলাম। উপাধ্যক্ষ মহোদয়, সব থেকে বড় বিষয় হচ্ছেতফসিলি জনজাতির আর্থ-সামাজিক উন্নয়নেক কথা। আমাদের এই দেশে তফশিলি জাতি এবং তফশিলি উপজাতি প্রায় **২৫** শতাংশ জনসাধারণ আছেন। আর্টিকেল **৪৬** অফ দি কনস্টিটিউশন, সেখানে স্পেশাল রির্জাভেশনের কথা বলা হয়েছে। এসসি এবং এসটিদের, এমপ্লয়মেন্ট এবং এডুকেশনের রির্জাভেশনের কথা বলা হয়েছে। উপাধ্যক্ষ মহোদয়, আজ আমার আগের প্রত্যেক বক্তাই বলেছেন যে সংবিধানে এসসি, এসটি ও ওবিসি-দের বিশেষ করে তাদের অধিকার--অর্থাৎ চাকরির অধিকার, শিক্ষার অধিকার অনেক অধিকার দেওয়া হয়েছে। কিন্তু সেই অধিকারগুলি তারা বাস্তবে পাচ্ছে কি না? উপাধ্যক্ষ মহোদয়, ভারতবর্ষে **০.০৩** শতাংশ এমপ্লয়মেন্ট এসসি দের জন্য রয়েছে। এই **০.০৩** শতাংশের মধ্যেও তারা অনেক সময় বঞ্চিত হচ্ছেন। যদি মিথ্যা সার্টিফিকেট দিয়ে এসসি সুযোগ সুবিধা লাভ করে তাহলে উপযুক্ত ব্যবস্থা নেওয়া দরকার। প্রত্যেক সদস্যই এই কথা বলেছেন আজ বিধানসভায়। যে এডুকেশনের অ্যাডমিশনের জন্য রির্জাভেশন, পাশ করার জন্য রির্জাভেশন নয় তা সত্যি কথা। সেটা আমরাও স্বীকার করছি। কিন্তু সেই এসসি মানুষদের শিক্ষিত করে মেইন স্ট্রিমে নিয়ে আসা আমাদের দায়িত্ব, আমদের কর্তব্য। তাই আমি মনে করি যে কমপিটেটিভ পরীক্ষা

গুলো আছে--আই.এ.এস,আই.পি.এস, এ.সি.এস সেগুলোর ক্ষেত্রে ওদেরকে কোচিং দেওয়া সরকারের তরফ থেকে কিছুটা ব্যবস্থা করা হোক। ওদেরকে যাতে কোচিং দিয়ে মেইন স্ট্রিমে আমরা আনতে পারি। আমরা অনেকেই বলছি যে সোসিয়াল ইকোনমিক্যাল ডেভেলপমেন্টর কথা, আর্থ-সামাজিক উন্নয়নের কথা বলছি । আমাদের সমাজে আমাদের দেশে সবচেয়ে বড় উইকার সেকশন যদি থাকে তাহলে সেটা হচ্ছে আমাদের তফশিলি জাতির জনসাধারণ। সেটা আমরা অস্বীকার করতে পারিনা।

উপাধ্যক্ষ মহোদয়, একজন বিধায়ক হিসাবে এবং আমরা প্রতিজন সদস্য প্রত্যেক কাজকে সম্মান করি। কেউ যদি ডে-লেবারের কাজ করে আমরা তাকেও সম্মান করি, কেউ যদি রিকশা চালায় আমরা তাকেও সম্মান করি। যে স্টেটাসেই আমরা কাজ করি প্রত্যেকেই আমরা প্রত্যেকের কাজকে সম্মান করি। এবং আমি মনে করি যে দেশপ্রেম বলতে আর অন্য কোনও জিনিস নয়, দেশপ্রেমের অন্য কোনো সংজ্ঞা নেই। দেশপ্রেমের সংজ্ঞা হচ্ছে যে আমরা যারা যেখানেই কাজ করছি মনযোগ সহকারে কাজ করা। ভালো করে কাজ করা সেটা হচ্ছে মুখ্য উদ্দেশ্য। উপাধ্যক্ষ মহোদয় দু-দিন আগে সকালে আমি বাইরে বেরিয়েছিলাম। কিছু মানুষ ড্রেন পরিষ্কার করছিল। বিগত এক মাস থেকে ওরা এই কাজগুলো করছে। আমি ওদের নাম জিজ্ঞেস করেছিলাম। ওদের মেক্সিমাম মানুষ বলছে ওরা তফশিলি সম্প্রাদয়ের মানুষ। আমরা বলছি ওদের আর্থ-সামাজিক উন্নয়নের কথা কিন্তু ওদেরকে মেইন স্ট্রিমে নিয়ে আসার জন্য যা করা দরকার, যে পলিসির দরকার তা কিন্তু নেই। স্বাধীনতার আগে বলুন বা স্বাধীনতার পরে যদি আমরা দেখি, তাহলে আমরা দেখতে পারব স্বাধীনতার আগে পরে বা আজ থেকে ৪০ বছর আগে এক বিভীষিকাময় পরিবেশ ছিল। আগে তফসিলি সম্প্রাদায়ের মানুষকে অনেকভাবে কটুক্তি করা হত। আজ হয়তো সেই পরিবেশটি নেই। কিন্তু ওদের জন্য আমরা কোনও পলিসি ট্রেইনড করতে পারিনি আজ অবধি। উপাধ্যক্ষ মহোদয়, তফশিলি সম্প্রদায়ের মহিলাদের শিক্ষার হার অনেক কম। ওদের মেইন স্ট্রিমে আনতে হলে মহিলাদের শিক্ষিত করতে হবে। তাই ওদের শিক্ষার হার বৃদ্ধির জন্য আমাদের কি করা দরকার সেদিকে নজর দিতে হবে। উপাধ্যক্ষ মহোদয়, আমার আগে অনেক বক্তাই বলেছেন যে এনআরসি-র ক্ষেএে ও তফশিলি সম্প্রদায়ের মানুষ অনেক ডিপ্রাইভ হয়েছে। এনআরসি-র হিয়ারিং এর জন্য কাউকে করিমগঞ্জ থেকে ডবকা যেতে হয়, কাউকে শিলাপথার যেতে হয়। তার জন্য ছাগল বিক্রি করে, মুরগি বিক্রি করে টাকা জোগাড় করেও উনাদের যেতে হয়েছে। এটা মানুষকে হেরাসমেন্ট করা। আজ **২৭জন** মানুষের মৃত্যু হয়েছে ডিটেনশন ক্যাম্পে। তার মধ্যে বেশিরভাগ মানুষই তফসিলি সম্প্রদায়ের। আমি মনে করি এনআরসি-তে তফশিলি মানুষই বেশি ভূক্তভোগী। তাই ওদেরকে মেইন স্ট্রিমে আনার জন্য কি ধরনের পন্থা, কি ধরনের পদ্ধতি নেওয়া দরকার সেদিকে নজর দিতে হবে। উপাধ্যক্ষ মহোদয, আমি বেশি কিছু বলব না। আমি একটা কথাই বলব যে স্কিল ডেভেলপমেন্টের ক্ষেত্রে ওদের জন্য ব্যবস্থা নেওয়া হোক। আমাদের করিমগঞ্জে একটি মেডিক্যাল কলেজের প্রয়োজন এবং সেই কলেজটি শহরের আশেপাশে হলে ভালো। কিন্তু শহরের আশেপাশে কোনও জায়গা নেই।

**মাননীয় উপাধ্যক্ষঃ** কথাগুলো এই টপিকের মধ্যে পড়ে না কি?

**শ্রী কমলাক্ষ দে পুরকায়স্থ (উত্তর করিমগঞ্জ) ঃ** পড়ে স্যার। উপাধ্যক্ষ মহোদয়, আমাদের শনবিলে **৯০** শতাংশ মানুষ তফশিলি জাত্তি । তাই আমি মনে করি, হাইলাকান্দি এবং করিমগঞ্জের মানুষকে যদি উপকৃত করতে হয় তাহলে এই শনবিলে আমাদের মেডিক্যাল কলেজটি হোক।

উপাধ্যক্ষ মহোদয়, আমি বেশি কিছু বলব না। আমি আর দুটো কথা আপনাকে বলছি যে আজ আমাদের সংবিধানের স্ক্রিপ্টটা আমরা অবহেলা করি, অবমাননা করি। তাই সংবিধানে যেগুলো কথা লিপিবদ্ধ আছে, সংবিধানের কি উদ্দেশ্য সেগুলো জানতে হবে। এবং কথাগুলো যখন আমরা জানব, আমি বিশ্বাস করি ভীমরাও বাবাজি আম্বেদকরের উদ্দেশ্য, মানসিকতা, চিন্তাধারা ফলপ্রসু হবে। তফশিলি জাতির উপকৃত হোক। তফশিলি জাতি যখন মেইন স্ট্রিমে চলে আসবে তখনই আমাদের দেশের উন্নয়ন হবে। না হলে আমরা দেশের উন্নয়ন করতে পারব না। আজ এই দেশ বিশ্বের বুকে প্রতিষ্ঠিত দেশ। তফশিলি সম্প্রাদায়েৰ উন্নতি হোক সেই আবেদন রেখে এবং যে কথাগুলো আমি আজ বলেছি সেই কথাগুলো যাতে ফলপ্রসূ হয়,যে সদস্যরাই যে কথাগুলো বলেছেন সেই কথাগুলো যাতে বাস্তবে রূপায়িত হয় সেই আবেদন রেখে আমার বক্তব্য শেষ করলাম। ধন্যবাদ।

**শ্রী বিজয় মালাকার (রাতাবাড়ী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, প্রথমবারের মত এই পবিত্র সদনে কথা বলার সুযোগ করে দেওয়ার জন্য আপনাকে ধন্যবাদ জানাচ্ছি। মাননীয় অধ্যক্ষ মহোদযকে আমি ধন্যবাদ জানাচ্ছি আজ এস সি এবং এস টি এই বিষয়টির উপর যে পদক্ষেপ নিয়েছেন তার জন্য। আমি যে সমষ্টি থেকে নির্বাচিত হয়ে এসেছি তা হল এস সি সমষ্টি, এবং এর লোক সভা সমষ্টিটিও এস সি রিজার্ভ সমষ্টি। এখানে সব সদশ্যরা বলেছেন এস সি এস টির সম্বন্ধে। আমি শুধু দুটি কথা বলব। এস সি ডেভোলেপ্টমেন্টের জন্য যে ফাণ্ড দেওয়া হয় তা প্রকৃত এস সি এলাকাতে আসে না ফলে সেখানে কাজ হয় না। তাই আমি মন্ত্রী মহোদয়কে আপনার মাধ্যমে বলব প্রকৃত এস সি এলাকা গুলো সার্ভে করে চিহ্নিত করা হোক। তাহলে এস সি এলাকার জন্য যে ফাণ্ড দেওয়া হয়, সেগুলো প্রকৃত এস সি এলাকার কাজে লাগবে। আমি বিগত দিনে দেখেছি যে আমার জেলায় দুইটা পি এইচ ইর স্কীম হয়েছে। কিন্তু প্রকৃত এস সি এলাকায় স্কীম হয় নাই। আমার রাতাবাড়ী সমষ্টির শোনবিল এলাকায় ৪০ হাজার এস সি লোকের বাস কিন্তু সেখানে কোন পি এইচ ইর ব্যবস্থা নাই। দুইটা পি এইচ ইর ব্যবস্থা হয়েছে, একটা পাথারকান্দি আর একটা হল উত্তর করিমগঞ্জে। যে জায়গায় হয়েছে সেখানে ২০ শতাংশ এস সি লোক বসবাস করেন। কিন্তু শোনবিলের মত জায়গায় ৪০ থেকে ৪৫ হাজার এস সি লোক বসবাস করেন কিন্তু সেখানে কোন পি এইচ ইর কোন স্কীম হয় নাই। আমি মন্ত্রী মহোদয়ের কাছে আপনার মাধ্যমে অনুরোধ করব, যে পুরো সমষ্টি ভিত্তিক বা জি পি লেভেলে যেন সার্ভে করা হয়। কোন জি পিতে বা কোন এলাকাতে এস সি মানুষ বেশী আছে তার যদি একটা ডাটা বানানো হয়, তাহলে এস সি ডেভেলপ্টমেন্টের জন্য যে কোন স্কীম দেওয়া হলে তখন মন্ত্রী মহোদয়ের কাছে যখন সেই ডাটা থাকবে তখন তিনি সেই ডাটা অনুযায়ী প্রথমে যেখানে ৯০ শতাংশ এসসি লোকের বসতি আছে সেখানে প্রথম স্কীম দিতে পারবেন। আমাদের। তারপর সিরিয়ালি আমরা জনবসতির হার অনুযায়ী স্কীম দিতে শুরু করব। আর একটা বিষয় হল এখানে অনেক সদস্য বলেছেন সার্টিফিকেট জালিয়াতির কথা, আমি নিজে ব্যক্তিগত ভাবে দেখেছি অনেক লোক এরকমও আছেন যারা জেনারেল কাস্টের হয়েও তাদের কাছে এস সি ও ওবিসি দুটার সার্টিফিকেটই আছে। এই সার্টিফিকেটের জালিয়াতি যাতে বন্ধ হয় তার জন্য আমি আপনার মাধ্যমে মন্ত্রী মহোদয়কে অনুরোধ জানাচ্ছি। এস সি, এসটি, ওবিসির জালিয়াতি সার্টিফিকেট গুলো ইস্যু করা হয় সেগুলোর তদন্ত যাতে করা হয়। করিমগঞ্জ লোকসভা সমষ্টিতে প্রায় ৩৪ শতাংশ এস সি সমাজের লোক বসবাস করেন। কিন্তু করিমগঞ্জ হেড কোয়ার্টারে একটাও ভালো এস সি হোস্টেল নেই। তাই আমি আপনার মাধ্যমে মন্ত্রী মহোদয়কে অনুরোধ করব

করিমগঞ্জ সদরে যাতে একটা ভালো এস সি হোস্টেল বানানোর উনি ব্যবস্থা করেন। শোন বিল, বা করিমগঞ্জ জেলার বিভিন্ন জায়গা থেকে ছাত্ররা করিমগঞ্জে পড়াশুনা করতে আসে। অনেক পরিবার আছেন, যারা ঘর ভাড়া করে দেওয়ার ব্যবস্থা করে দিতে পারেন না। তাই করিমগঞ্জ শহরে যাতে একটা ভালো এস সি হোস্টেল হয়। বর্তমানে একটা এস সি হোস্টেল আছে কিন্তু সেখানে মাত্র ২ থেকে ৩ জনের বেশী লোক থাকতে পারে না, সেই হোস্টেল টা ৪০ থেকে ৫০ বছর আগের পুরণো আসাম টাইপ হোস্টেল সেখানে জলেরও ভালো ব্যবস্থাও নেই। মাননীয় অধ্যক্ষ মহোদয়, এখানে ট্রাইবেলসের কথা বলা হয়েছে। কিন্তু বরাক ভেলিতে যে সব ট্রাইবেলস থাকে তাদের প্রতি কিন্তু আমাদের নজর থাকে না। সাধারণত আমাদের একটা ধারণা আছে যে বরাক ভেলিতে অধিকসংখ্যক বাঙালী লোক বসবাস করেন। কিন্তু বরাক ভেলিতে ১ লাখের উপর ট্রাইবেলস লোক বসবাস করেন। আমার সমষ্টিতে প্রায় ৮ হাজারের উপর ট্রাইবেলস লোক বসবাস করেন। লক্ষ্মীপুরে প্রায় ৩০ হাজার ট্রাইবেলস লোক বাস করেন। কাঠলিছড়াতে প্রায় ২২ থেকে ২৩ হাজার, ও পাথারকান্দিতেও ট্রাইবেলস লোক আছেন। সব মিলিয়ে বরাক ভেলিতে প্রায় ১ লাখের উপর ট্রাইবেলস লোক আছেন। আমার সমষ্টিতে প্রায় ৭ থেকে ৮ হাজার ট্রাইবেলস লোক থাকেন তাদের করিমগঞ্জ শহরে আসতে প্রায় ২ থেকে আড়াই দিন সময় লাগে।

**মাননীয় অধ্যক্ষ ঃ** আজি প্ৰথম দিন বেছিকৈ ক'ব নালাগে। শেষ কৰক, কাৰণ আপুনি নাম দিয়া নাছিল, মই হে আপোনাৰ নাম দিছো।

**বিজয় মালাকার (রাতাবারী)ঃ** আমি বিশেষ করে একটি কথা বলবো যে করিমগঞ্জ শহরে ট্রাইবেলসের জন্য যাতে একটা ভালো এস সি হোস্টেল হয়। ধন্যবাদ স্যার আপনি আমাকে বলার সুযোগ করে দেওয়ার জন্য।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰীজয়ৰাম ইংলেং।

**শ্ৰীজয়ৰাম ইংলেং, কাৰ্বিআংলং ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি যে Socio-Economic Development of Scheduled Caste & Scheduled Tribes শীৰ্ষক আলোচনা চক্ৰটো এই পবিত্ৰ বিধান সভাত আনিলে, তাৰ বাবে মই আপোনাক অশেষ ধন্যবাদ জনাইছো। আজি যদি আমি অসমত চাবলৈ যাওঁ গোটেই অসমত Tribal population হৈছে ৩৯ লাখ। এই ৩৯ লাখৰ যিটো তথ্য এইটো নিশ্চয় ভুল কাৰণ বহুত মানুহৰ এতিয়াও Scheduled list ত নাম সোমাবলৈ বাকী আছে। ৰিমোট এৰিয়াই হওঁক, বুৰঞ্জী প্ৰসিদ্ধ ডিমৰীয়াই ৰাইজৰে হওঁক বা অন্যান্য আমাৰ যিটো মদাহী, চ'ৰাই, হালাম এই জনগোষ্ঠীবিলাক আছে। এই জনগোষ্ঠী বিলাকৰ নাম Tribal list ত এতিয়ালৈকে সোমোৰা নাই। অলপ আগতে আমাৰ সন্মানীয় বিধায়ক এজনে কৈছিল face value ৰ কথা। চেহেৰা বা অৱস্থাটো চালে Tribal যেন লাগে কিন্তু তেওঁলোকৰ নাম Tribal list ত এতিয়ালৈকে সোমোৰা নাই। এই গোটেই বিলাক কথা যদি পুংখানুপুংখভাৱে চাবলৈ যাওঁ আৰু legacy data ৰ মতে চোৱাৰ নিচিনাকৈ চাবলৈ যাওঁ তেতিয়া হ'লে Tribal list তো আৰু বাঢ়িব। ডিমাছাৰ লোকসকল আছে, লস্কৰ উপাধি লিখে, কাৰ্বি মানুহ আছে, মেধী লিখে, কৰবাত দাস লিখে, তেনেকুৱা ধৰণৰ বহুত আছে। legacy data ৰ মতে যদি আমি চাবলৈ যাওঁ, তেতিয়া tribal population তো ৫০ লাখৰ ওচৰত হৈ যাব।

আৰু এটা কথা মই ক'বলৈ বিচাৰিছো যে Socio-Economic Development ৰ কাৰণে যিখিনি ব্যৱস্থা আমাৰ হাতত আছে আৰু সাংবিধানিক ভাবে পদত্ব, সেইখিনি কথা লৈ কিছু কব খুজিছো যে Tribal Area Development (TAD) department আগতে আছিলে,

সেইটো **১৯৭৮** চনত bifurcate কৰি WPT/BC আৰু HAD হ'ল। সৌ সেইদিনাখন মোৰ ফাইল এটা গৈছিলে, ফাইলটো মই বিচাৰিছো, অনুদান বিচাৰিছিলো কেন্দ্ৰীয় চৰকাৰক পঠাবলৈ। ফাইলটো HAD ত place কৰিলো তাত মোক জনালে যে ফাইলটো WPT/BC যাব। এই HAD Ministry টো Ministry নহয় নেকি। ইয়াৰ পৰাতো direct planning ত যাব লাগে। আকৌ কিয় WPT/BC যাবলগীয়া হৈছে। ফাইলটো ঘুৰোতে ঘুৰোতে প্ৰায় তিনি মাহে লাগি গ'ল। এই অৱস্থা যদি আমি নাইকিয়া কৰিবলৈ যাওঁ তেতিয়া ইয়াত সুনিশ্চিত কৰি দিব লাগে যে TAD bifurcate কৰি WPT/BC যদি হৈছে আৰু HAD ইয়াৰ পৰা হৈছে, তেওঁলোকক অসম ভিত্তিত কাম কৰিব দিব লাগে। যিহেতু অসম চৰকাৰৰ দুটা বিভাগ। যদি WPT/BC বিভাগটো অসম ভিত্তিত কাম কৰিছে, HAD বিভাগকো কাম কৰিবলৈ সুবিধা দিব লাগে। কাৰণ আমাৰ ব্ৰহ্মপুত্ৰ উপত্যকাই হওঁক, বৰাক উপত্যকাই হওঁক, ইয়াৰ surrounding area টো tribal area। tribal সকল plain tribal য়ে হওঁক, hills tribal য়ে হওঁক কেন্দ্ৰীয় চৰকাৰৰ হিচাবত কবলৈ গলে ST । উন্নয়নৰ ক্ষেত্ৰত ST (P), ST (H) কৰি দিয়াৰ কাৰণে এই সমস্যাটো আহি আছে। গতিকে সেইটো চৰকাৰে পুংখানুপুংখভাৱে ব্যৱস্থা হাতত লৈ কাম কৰিব লাগে আৰু আমাৰ চৰকাৰে কৈ আহিছে যে জাতি মাটি ভেটি ৰক্ষাৰ কাৰণে আমাৰ সত্ৰৰ মাটিয়ে হওঁক, মঠ, মন্দিৰে হওঁক, পুৰণিকলীয়া ইতিহাস প্ৰসিদ্ধ ব্যৱস্থা বিলাক কিবা আছিলে, ৰংঘৰ যদি আছিলে, তেনেকুৱা ধৰণৰ কিবা জাতি-মাটি-ভেটি, তেনেহ'লে আমাৰ ইয়াত ৰক্ষা কবচটো ক'ত আছে। 5th Schedule and 6th Schedule ভূমিপুত্ৰ সকলৰ কাৰণে বৰ দৰকাৰী। মই দেখিবলৈ পাইছো যে অসমত যিবিলাক পৰিষদ বনালে State Act ৰ অধীনত বনাইছে কিন্তু 5th Schedule নে 6th schedule সেইটো আজিলৈকে ঠিক হোৱা নাই। গতিকে মই শেষত আপোনাৰ জৰিয়তে অনুৰোধ কৰিব বিচাৰিছো যে SAD মন্ত্ৰীত্বটো আৰু WPT&BC department ক গোটেই অসম ভিত্তিক কাম কৰিব দিয়ক । আমাৰ বহুতো জাতি-জনগোষ্ঠী মানুহ সেই কাৰণে বঞ্চিত হৈ যায়। তেওঁলোকে উন্নয়নৰ সংবিধান প্ৰদত্ত সুবিধা বিলাক নাপায় আৰু আমাৰ যিমান পৰিষদ আছে বৰাকত ট্ৰাইবেল পৰিষদতটো আজিলৈকে গঠন হোৱা নাই আৰু plain Karbi council আছিল, সেইসমূহো কাৰ্য্যক্ষম হৈ থকা নাই। আজিলৈকে সেইটো গঠন কৰিব পৰা নাই। অতিশীঘ্ৰে চৰকাৰে এই খিনি ব্যৱস্থা ল'ব লাগে। গতিকে অৱশেষত মই আপোনাক এই খিনি উদ্যোগ লোৱাৰ বাবে বিশেষভাৱে ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষঃ** অনন্ত কুমাৰ মালো ।

**শ্ৰী অনন্ত কুমাৰ মালো (উত্তৰ অভয়াপুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অধ্যক্ষৰ উদ্যোগ শীৰ্ষক অধিবেশনত আপুনি এই অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ কাৰণে যিটো উদ্যোগ লৈছে যোৱা ৩ ডিচেম্বৰ, ২০১৯ তাৰিখে আবেলি ৪ বজাৰ পৰা ৰাতি ৯ বজালৈকে আৰু আজি বিধান সভাত আমাৰ দলৰ প্ৰতিনিধি সকলক এই জাতিৰ আৰ্থ-সামাজিক উন্নতি আৰু বিকাশৰ বাবে কিছু কথা কোৱাৰ সুযোগ দিছে তাৰ কাৰণে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো । মাননীয় অধ্যক্ষ মহোদয় সৃষ্টি কৰ্তাই আমাৰ সকলো মানুহক সন্তুষ্ট কৰিব পৰা নাই। আমি জন প্ৰতিনিধি আৰু চৰকাৰেই যে সকলো কাম কৰিব পাৰে সেইটো সম্ভৱ নহয়। তথাপি মই দুই এটি কথা আপোনাৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, অসমত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ কল্যাণৰ কাৰণে Scheduled Castes and Schedule Tribes Development Corpo-

ration, অসম মীন উন্নয়ন নিগম, Sub-divisional ST/SC Welfare Board আদি আছে। কিন্তু মোৰ সমষ্টিত বিশেষকৈ অভয়াপুৰী সমষ্টিত Fishery Sattlement Policy অসম মীন উন্নয়ন নিগমৰ পৰা tender যোগে বিগত চৰকাৰৰ দিনৰ পৰাই চলি আছে আৰু প্ৰকৃত অনুসূচীত জাতিৰ মাছ মৰীয়া দুখীয়া মানুহ খিনি শোষিত হৈছে । তাত এখন society আছে, আমাৰ দুটা ডাঙৰ মীন মহল আছে। দলনি আৰু টামৰাঙা মীন মহল। দলনি মীন মহলত tender দিছে এজন scheduled caste মানুহ হয়, কিন্তু তেখেতে মাছমৰীয়া সম্প্ৰদায়ৰ মানুহ নহয়। কিন্তু অসম মীন উন্নয়ন নিগমত আছে প্ৰকৃত মাছমৰীয়া হ'ব লাগিব আৰু fishing business is the main source of income হ'ব লাগিব। তাত এটা society, Kasutola Fishy culture and industrial property of societ y য়েও tender দিছিলে। কিন্তু এজন ধনাঢ্য ব্যক্তি যাৰ কোটি কোটি সম্পত্তি আছে সেইজন ব্যক্তিয়ে ব্যক্তিগত ভাবে tender দি সেই বিলখন লৈছে আৰু আন এজন non-scheduled caste, non-Fisherman মানুহে power of atorney লৈ দলনি বিলত scheduled caste fisherman মানুহক শোষণ কৰি আছে আৰু ইয়াৰ এটা উচিত তদন্ত হ'ব লাগে । অধ্যক্ষ মহোদয়, অসম মীন উন্নয়ন নিগমত কিছুমান নীতি-নিয়ম আছে, fisherman মানুহ বিলাক কি ধৰণে মাছ মাৰিব তাত চুক্তিবদ্ধ হয় । কিন্তু মাছমৰীয়া মানুহ খিনি অতি দুখীয়া, যি বিলাক মাছমৰীয়া মানুহ তেওঁলোকক হাজিৰা লৈ বাবু শীল নামৰ এজন অনা অনুসূচীত জাতিৰ অনা মাছমৰীয়া মানুহে শোষণ কৰি আছে । আৰু তাত এনেকুৰা এটা পৰিস্থিতিৰ সৃষ্টি হৈছে যে কচুতোলা গাওঁ খনত গোটেইখিনি মাছমৰীয়া মানুহ আৰু Fishy Culture Industrial Cooperative Society আছে, তেওঁলোকৰ tender ত 2nd position পাইছিলে। কিন্তু তেওঁলোকে বিলটো নাপালে। সেই গাওঁখনৰ যিটো অৱস্থা, পানীত হাঁহ নচৰা অৱস্থা হৈছে । মাছ মাৰিবৰ কোনো ঠাই পোৱা নাই। অধ্যক্ষ মহোদয়, মই কেইটামান কথা চমুকৈ ক'ম। reservation policy ত আমাৰ ST/SC Assembly Committee ৰ Chairman, Shri Kamal Sing Narzari ডাঙৰীয়াই কৈছে যে বিগত চৰকাৰৰ দিনত ২০০২ চনত APSC চাকৰিত এজন non-scheduled caste ৰ মহিলাই জালিয়াতিৰে প্ৰমাণ-পত্ৰলৈ Assistant Registrar, Co-operative Society ৰ চাকৰি লৈছে। আমি অসম বিধান সভাৰ ST/SC Committee য়ে বিভাগীয় বিষয়াৰ লগত বহুবাৰ আলোচনা কৰিলো কথাটো জানিবলৈ পাই। তেতিয়াৰ নগাওঁৰ উপায়ুক্ত য়ে তেখেতৰ Scheduled Caste certificate নাকচ কৰাৰ পাছতো সেই গৰাকী ব্যক্তিয়ে এতিয়াও চাকৰি কৰি আছে । গতিকে অধ্যক্ষ মহোদয়, সেই গৰাকী ব্যক্তিক চাকৰিৰ পৰা বৰ্খাস্ত কৰিবলৈ আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনালো । অধ্যক্ষ মহোদয়, আমাৰ এই জাতি-জনগোষ্ঠী, অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ মানুহবোৰৰ অধিকাংশই ভূমিহীন আৰু গৰাখহনীয়াৰ কবলত পৰিছে । মাটি নাথাকিলে চৰকাৰৰ আঁচনি সমূহৰ পৰা সেই সকল লোক বঞ্চিত হয়। সেই কাৰণে অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ মানুহৰ কাৰণে মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ জৰিয়তে আমাৰ যি সকল মানুহ এই আঁচনিৰ পৰা বঞ্চিত হৈছে তেওঁলোকক অন্তৰ্ভূক্ত কৰি, সুলভ মূল্যৰ চাউল, চেনী, আটা আৰু কেৰাচিন দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু চৰকাৰী চাকৰিৰ ক্ষেত্ৰত বিশেষ TET পৰীক্ষা অনুষ্ঠিত কৰি আমাৰ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ শিক্ষিত যুৱক-যুৱতী লোক সকলক চাকৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমি দেখিছো যে প্ৰতি বছৰৰ এপ্ৰিল, মে' আৰু জুন মাহ এই তিনি মাহ মাছ মৰাৰ কাম বন্ধ হৈ থাকে। যি সকল লোকে

মাছ মাৰি জীৱিকা উপাৰ্জন কৰে, সেই মানুহ খিনি এনেকুৱা অৱস্থা হয় আৰু মোৰ সমষ্টিৰ এই শ্ৰেণীৰ মানুহ যথেষ্ট বেছি আছে। লগতে এই শ্ৰেণীৰ মানুহৰ অৱস্থা গোটেই অসমতে দেখিবলৈ পোৱা যায়। গতিকে মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাম যে তেওঁলোক সেই সময় খিনিত কিবা এটা আৰ্থিক সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰে । শেষত মোক আপুনি এই কথা খিনি ক'বলৈ সুবিধা দিয়াত ধন্যবাদ জনাই মোৰ বক্তব্য খিনি ইয়াতে শেষ কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সত্যব্ৰত কলিতা।

**শ্ৰী সত্যব্ৰত কলিতা (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ উদ্যোগত অসমৰ অনুসূচীত জনজাতি লোক সকলৰ আৰ্থ-সামাজিক উন্নয়ণৰ কাৰণে বিষয়টো আজি অসম বিধান সভাৰ মজিয়াত আলোচনা হৈ গ'ল প্ৰথমে আপোনাক ধন্যবাদ জনাইছো । ইতিমধ্যে আমাৰ কেইবা গৰাকীও সন্মানীয় বিধায়কে, প্ৰায়বোৰ বিষয় চুই গৈছে লগতে বিভিন্ন পৰামৰ্শ আৰু বিভিন্ন সমস্যা উত্থাপন কৰিছে। সেইখিনি মই পুনৰ ক'ব বিচৰা নাই । আমাৰ দলৰ পৰা মাননীয় বিধায়ক শ্ৰী ভৰেন্দ্ৰ নাথ ভড়ালী ডাঙৰীয়াই SC ৰ সম্পৰ্কত খুব সুন্দৰকৈ সমস্যাবোৰ দাঙি ধৰিছে । ইয়াত যদিও আৰ্থ-সামাজিক উন্নয়নৰ কথাটো কোৱা হৈছে, সামাজিক কথাটো মানেই এটা সাংস্কৃতিক কথা আৰু সংস্কৃতি মানেই কেৱল গীত বাদ্যই নহয়। ই হ'ল এক জীৱন পদ্ধতিৰ লগত আচলতে আমাৰ গোটেই সমস্যা খিনি জড়িত হৈ আছে। আমি যদি এই মানুহ খিনিৰ ইতিহাস চাওঁ তেতিয়াহ'লে আমি দেখা পাওঁ যে এই মানুহ খিনি মঙ্গলীয় জনগোষ্ঠীৰ মানুহ। এই মানুহ খিনি বিভিন্ন সময়ত যীশু খ্ৰীষ্টৰ জন্মৰ পূৰ্বৰ পৰাই আমাৰ ইয়াত বসবাস কৰি আহিছে। তেওঁলোকৰ নিজস্ব অৰ্থনৈতিক নীতি, সামাজিক নীতি বা সংস্কৃতিৰ পৰম্পৰা আছে । এই পৰম্পৰা খিনি ধ্বংস হৈ যোৱাৰ লগে লগে এই জনগোষ্ঠীটোৰ আৰ্থ-সামাজিক দিশটোও যথেষ্ট প্ৰভাৱ পৰিছে । আমাৰ এই বিধান সভাৰ নিচেই ওচৰত থকা এটা কথা কওঁ যে নাৰিকল বাৰী, সেই ঠাই খিনি নাৰিকল বস্তি হৈ গ'ল। এই ঠাই খিনিত কাৰ্বি জনগোষ্ঠীৰ মানুহৰ বাসস্থান আছিল আৰু এতিয়াও তাত এটা সুন্দৰ পৰিবেশ আছে আৰু তাত কাৰ্বি সকলৰ এটা নামঘৰ আছে। কিন্তু তাত এতিয়া কাৰ্বি মানুহ নাই। যদি ফটাশিল আমবাৰীৰ কথালৈ যাওঁ তাত বহুত বড়ো জনগোষ্ঠীৰ মানুহ আছিল কিন্তু এতিয়া তাত বড়ো গোষ্ঠীৰ মানুহ নাইকীয়া হৈ গ'ল। ঠিক তেনেকৈ যদি আমি বেংমৰা বুলি কলে বিধান সভাৰ বহুতে হয়তো নামতো নাজানিব কাৰণ বেংমৰা নামটো গৈ তিনিচুকীয়া হ'ল। তেতিয়া আমাৰ বন্ধু ৰাজেন বৰঠাকুৰ আছিলে। এতিয়া আমি যদি তেজপুৰলৈ যাওঁ কছাৰী গাওঁলৈ যাম বুলি নকও, ট্ৰিবেনি হ'ললৈ যাও বুলি কওঁ। অৰ্থাৎ আমাৰ ঐতিহ্য,পৰম্পৰা, সংস্কৃতি এই বিলাক কথা লাহে লাহে আমাৰ গোটেই জনজাতি সকলৰ সমস্যাৰ লগত কিন্তু জড়িত হৈ আছে। অলপ আগতে আমাৰ ডাঃ ৰনোজ পেগু ডাঙৰীয়া আৰু ভূৱন পেগু ডাঙৰীয়াই কৈছে যে জনজাতীয় মানুহ য'ত আছে তাত গছ আছে। অৰ্থাৎ এই মানুহ বিলাকে লাহে লাহে এটা ঠাইৰ পৰা আন এটা ঠাইলৈ যাবলৈ বাধ্য হ'ল, বাধ্য হৈ আজি বনাঞ্চলত তেওঁলোকে আশ্ৰয় গ্ৰহণ কৰিলে। বনাঞ্চল খিনি চৰকাৰে লৈ ললে কিন্তু, আমাৰ মানুহবোৰক চৰকাৰে গ্ৰহণ নকৰিলে। যাৰ ফলত এতিয়া যদি উচ্ছেদ কৰিবলৈ যোৱা হয় তেতিয়াহ'লে বহু থলুৱা ভূমিপুত্ৰই উচ্ছেদ হ'ব। অৰ্থাৎ মাটিৰ যিটো অধিকাৰ আমাৰ হাতত থাকিব লাগিছিল, এই মাটিৰ অধিকাৰ আমি থলুৱা জনগোষ্ঠীয় মানুহৰ হাতত দিব পাৰো। সেইটো আটাইতকৈ প্ৰধান সমস্যা বুলি মই বিবেচনা কৰো। আজিৰ এই মাটিৰ সমস্যাটোৰ লগত তেওঁলোকৰ জীৱন ধাৰণৰ যি ধাৰণা আছে সেই ধাৰণাটোক নিশ্চয় আমি অতি স্পষ্টকৈ বুজি পাওঁ। যদি আমি মহাভাৰতৰ পৰা আৰম্ভ কৰি আজিৰ তাৰিখলৈ চাওঁ আমাৰ বৰ্ণ হিন্দু সকলৰ জাত্যাভিমান ভুলতে

বা ভালতে মোৰ নামটো কলিতা হ'ল বৰ্ণ হিন্দুবিলাকৰ পৰা। আজি কালি আমিও জনজাতি হ'বলৈ বিচাৰিছো, আমিও দাবী কৰিছো। কিন্তু আমাক বৰ্ণ হিন্দু বুলি ভাৱে, এই বৰ্ণ হিন্দু বিলাকৰ জাত্যাভিমান ৰাজনৈতিক অভিসাৰৰ বলি আমাৰ এই অনুসূচীত জাতি বা অনুসূচীত জনজাতি সকল আজি হৈ আহিছে। উদাহৰণ স্বৰূপে যদি আমি পৰশুৰাম আৰু কৰ্ণৰ সংঘাতত কৰ্ণ অভিশাপ্ত হৈছিল, দ্ৰোণাচাৰ্য্য আৰু একলব্যৰ ক্ষেত্ৰতো একলব্যৰ আঙুলিটো কাটি দিবলগীয়া হৈছিল। সেই পৰিৱেশটো প্ৰতীকিভাৱে যদি মন কৰো তেনেকৈআমাৰ থলুৱা জনগোষ্ঠীয় মানুহ বিলাকেও আজি ত্যাগ কৰিয়েই থাকিবলগীয়া হৈছে। কিন্তু এই মানুহখিনিক আমি এক সামাজিক আৰু শৈক্ষিক বাতাবৰণেৰে গঢ়ি তুলিব লাগিব। ডাঃ ৰনোজ পেগু ডাঙৰীয়াই খুব শুদ্ধভাৱে কৈছে, যে নিজৰ মাতৃ ভাষাটোৰে তেওঁলোকক যদি আগবঢ়াই দিব নোৱাৰো তেতিয়া হ'ল তেওঁলোকে তেওঁলোকৰ জনগোষ্ঠীৰ কথাও পাহৰিব, সমাজ খনৰ কথাও পাহৰিব আৰু আমাৰ যি সামাজিক পৰিৱেশ এই সামাজিক পৰিৱেশৰ কথাও পাহৰি যাব। আজি আমি অসমীয়া জাতি বুলি গৌৰৱ কৰো, অসমীয়া জাতি এটা সংমিশ্ৰণৰ ফলত গঢ়ি উঠা জাতি। এটা জাতি হ'বলৈ আপোনালোক সকলোৱে জানে যে ৫ টা মৌলিক উপাদানৰ দৰকাৰ হয়। সেই কেইটা হ'ল - এক উমৈহতীয়া বাসভূমি, এক উমৈহতীয়া সংস্কৃতি, এক উমৈহতীয়া ভাষা বা সংযোগী ভাষা বুলি আমি যাক কওঁ, তাতকৈ দুটা গুৰুত্বপূৰ্ণ বস্তু হ'ল- মানসিক সমন্বয় আৰু বসবাস কৰা জনগোষ্ঠী বিলাকৰ সম বিকাশ। এইখিনিয়ে মূল কথা। এই অসমীয়া জাতি বা ইয়াৰ মাজত থকা মানুহ সকলৰ মানসিক সমন্বয়টো আজি কিয় নোহোৱা হৈছে, মানসিক সমন্বয়টো নোহোৱাৰ মূল কথাটো হ'ল - প্ৰতিটো জনগোষ্ঠীৰ যি সমবিকাশৰ কথা আমি ভাবিব লাগিছিল সেই সমবিকাশৰ কথাটো আমি ভাৱিব পৰা নাই। যিকোনো কথাতে হওঁক, ৰাজনৈতিক অভিবিচাৰে হওঁক বা মৌন হিন্দু সকলৰ জাত্যাভিমানে হওঁক এই কথা বিলাকে আমাৰ এই জনগোষ্ঠী বিলাকৰ বা থলুৱা জনগোষ্ঠী ভূমিপুত্ৰ বিলাকৰ যি সমস্যা এই সমস্যা বিলাকৰ আজি সৃষ্টি কৰিছে। গতিকে এই এচ চি বা এচ টি জাতিক আমি যদি আগবঢ়াই নিব লাগে তেওঁলোকৰ সমস্যাখিনি যদি অনুধাৰন কৰিব লাগে তেওঁলোকৰ পক্ষত কিছু অধিকাৰ প্ৰদান কৰিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** চমু কৰক।

**শ্ৰীসত্যব্ৰত কলিতা (কমলপুৰ) ঃ** অধ্যক্ষ মহোদয়, আজি আটাইতকৈ দুৰ্ভাগ্যজনক কথা যে Back Logৰ কাৰণে আমি কোনোবা সংগঠনে আন্দোলন কৰিব লাগে। সেইটো আমাৰ চৰকাৰ খনৰ দায়িত্ব নহয় জানো? আজি কিমান দিনৰ হ'ব যিটো ২৯০০০ ৰ সংখ্যা দিছে, ২৯০০০ Back Log টো একেইদিনে সৃষ্টি নহয়। আটাইতকৈ ডাঙৰ কথা এতিয়া আমাৰ মহাবিদ্যালয় বা শিক্ষানুস্থান বিলাকত যেতিয়া এচ চি, এচ টি, ও বি চি ৰ সংৰক্ষণৰ কথা থাকে, মোৰ সমষ্টিতে অলপতে এটা সমস্যা হ'ল যে এটা বিজ্ঞাপন আহিল, বিজ্ঞাপনটোত ক'লে যে এই বিজ্ঞাপনৰ কাৰণে এই জনগোষ্ঠীৰ কাৰণে সংৰক্ষণ হ'ব লাগিছিল সম্পূৰ্ণভাৱে, Interview হৈ গ'ল, আমি মেনেজমেন্ট সমিতিৰ মানুহ হিচাপে আমাক যেতিয়া অভিযোগ দিলে তেতিয়া আমি ক'লো যে আমি ক'ব নোৱাৰিম, এইটো কাৰ কাৰণে সংৰক্ষণ হ'ব, আমি চৰকাৰৰ শিক্ষা বিভাগলৈ লিখিলো। তাৰ পিছত আজি প্ৰায় সাত মাহ, আঠ মাহ হৈ গ'ল সেইটো সংৰক্ষণ কাৰ কাৰণে হ'ল আজিলৈকে বিভাগটোৱে ক'ব নোৱাৰিলে যে এইটো কাৰ কাৰণে সংৰক্ষণ হ'ব। আমি লিখা পৰীক্ষাৰ বহী তলা লগাই চিল কৰি থৈ দিব লগা হ'ল। অৰ্থাৎ কোনটো জনগোষ্ঠীৰ কাৰণে এইটো সংৰক্ষিত সেই কথাটো জানিবৰ কাৰণে যদি এটা বিভাগত কলেজৰ অধ্যক্ষই ৭ মাহ দৌৰিব লাগে, তাতকৈ দুৰ্ভাগ্যজনক কথা একো হ'ব নোৱাৰে। এইটো এটা উদাহৰণ।সেই কাৰণে এই Back Log বিলাকৰ সৃষ্টি হৈছে। গতিকে

আমাৰ যিখিনি বিভাগ আমাৰ ভৰেন্দ্ৰ নাথ ভড়ালী ডাঙৰীয়াই কৈছে যে এচ চি ৰ কাৰণে এটা সুকীয়া সচিবালয় লাগে, তাত কোনো আপত্তি নাই, সমৰ্থন জনাইছো। কিন্তু সঞ্চালকালয়ৰ কাৰ্য্যলয়টো কেনেকৈ চলি আছে? তেওঁলোকে আজি মোৰ সমষ্টিত এচ চি ৰ কাৰণে এখন আদৰ্শ গাঁও দিছে। তাত যিবিলাক আঁচনি লৈছে আপোনালোকে শুনি আচৰিত হ'ব। তাত মৎস্যজীৱি মানুহ, নাম ঘৰ, শিক্ষানুস্থান আৰু শ্মশানৰ কাৰণে তেওঁলোকে আঁচনি ল'ব খোজা নাই। মই জোৰ কৰোতে শ্মসানখন দিলে। কিন্তু তেওঁলোকে তাত আঁচনি ল'ব খোজে ১২ লাখ টকাৰ গছ পুলি ৰুবলৈ। গাঁৱত ১২ লাখ টকাৰ গছপুলি ৰুব লগা পৰিৱেশ হোৱা নাই অধ্যক্ষ মহোদয়। অৰ্থাৎ তাৰ কথাটো বুজি পাইছে যে তাত ১২ লাখ টকাৰ গছপুলি ৰুবলৈ যাব দিছপুৰৰ পৰা যোৱা এজন ঠিকাদাৰে। কিন্তু তাত এচ চি সম্প্ৰদায়ৰ মানুহ নাছিল নেকি? গছপুলি কেইটা ৰুবৰ বাবে কোনোটো টেকনিকেল মানুহ নালাগে। কিয় আমি এচ চি সম্প্ৰদায় বা এচ টি সম্প্ৰদায়ৰ, য'ত গছ পুলি ৰুও, সেই গছপুলি কৃষকৰ হাতত কিয় আমি দিব নোৱাৰো। সেইখিনিৰ পৰা আমি কিয় বঞ্চিত কৰো? গতিকে চৰকাৰৰ আঁচনি আছে, কিন্তু আমি সেই চৰকাৰৰ আঁচনি বিলাক প্ৰকৃতাৰ্থত হিতাধীকাৰী এচ চি, এচ টি মানুহ সম্প্ৰদায়লৈ লৈ যাব পাৰিছোনে সেইটো গুৰুত্ব পূৰ্ণ কথা। তাৰ কাৰণে এটা Mechanism হ'ব বুলি মই ভাবিছো।

**মাননীয় অধ্যক্ষ ঃ** আৰু ৪ জন আছে।

**শ্ৰীসত্যব্ৰত কলিতা (কমলপুৰ) ঃ** বহুখিনি কথা কবলগীয়া আছিল বেলটো বাজিছে গতিকে অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো আৰু পুনৰ বাৰ আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। এইটো এটা স্পৰ্শকাতৰ বিষয় আৰু অতি গুৰুত্বপূৰ্ণ বিষয়। আমাৰ সকলোৰে দায়িত্ব এচ চি, এচ টি সম্প্ৰদায়ৰ মানুহৰে নহয় ইয়াত কলিতা, কোচ, বামুন, গোসাই, শূদ্ৰ সকলোৰে দায়িত্ব, তেতিয়াহে আমি এই অসম খনৰ এক শক্তিশালী জাতি হিচাপে গঢ়ি উঠাত সহায় হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া আমাৰ চাৰিজন বক্তা আছে, সেইকাৰণে সকলোকে অলপ চমুৱাই কবলৈ কলো, আমাৰ বিল দুখনো আছে সেইটোও যাতে আনিব পাৰো। এতিয়া আমাৰ শ্ৰীৰূপজ্যোতি কুৰ্মী, প্ৰদীপ হাজৰিকা, চক্ৰধৰ গগৈ আৰু ৰবিৰাম নাৰ্জাৰী এই চাৰিজন আছে। মই প্ৰথমে ৰূপজ্যোতি কুৰ্মীক ক'বলৈ কৈছো তাৰ পিছত চক্ৰধৰ গগৈয়ে ক'ব।

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিশেষ ভাৱে এচ চি, এচ টি আৰ্থ সামাজিক উন্নয়ন শিতানত আপুনি যি বিশেষ আলোচনা আহ্বান কৰিলে, সেইকাৰণে সকলোৰে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছে আৰু মোৰ ফালৰ পৰাও মই ব্যক্তিগত ভাৱে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। পৃথিৱী যেনেকৈ সৃষ্টি হ'ল য'ত এতিয়া আমি আছো আৰু এনেকুৱাকৈ আমাৰ ভাৰতবৰ্ষও সৃষ্টি হ'ল। যিখন দেশক লৈ এতিয়া আমি গৌৰৱ কৰো। কিন্তু আজি আমি এই দেশত আৰু এটা বিষয় লৈ নিশ্চয় গৌৰৱ কৰাতো উচিত, যে বিশ্বৰ সাত-আঠটা মানৱ ওচৰা ওচৰি যি বিভিন্ন ধৰ্ম আছে তাৰ ভিতৰত চাৰিটা মান আমাৰ ভাৰততে জন্ম। হিন্দু, বৌদ্ধ, শিখ আৰু জৈন। ভাৰত বৰ্ষত আমি গৌৰৱ কৰো আৰু এটা দিশৰ কাৰণে যে বিভিন্ন সময়ত বিভিন্ন ধৰণৰ এই দেশৰ প্ৰতি বিভিন্ন মহলৰ চকু পৰিছিল। ইয়াতে এটা সময়ত মোগলে বহু বছৰ ৰাজত্ব কৰিলে, কিন্তু গোটেই দেশ খনক মুছলমান দেশ বা ইছলাম দেশ হিচাপে কৰিব নোৱাৰিলে। ইয়াৰ পিছত বৃটিছ সকল আহিল। তেওলোকেও বহু বছৰ ৰাজত্ব কৰিলে। কিন্তু গোটেই দেশখনক খ্ৰীষ্টান কৰিব নোৱাৰিলে। ইয়াৰ পিছতে অসমত ৬০০ বছৰীয়া আহোম ৰাজত্বৰ সূচনা হ'ল। ৬০০ বছৰ আহোমে

অসমত ৰাজত্ব কৰিলে যদিও গোটেই দেশখন হিন্দু দেশ কৰিব নোৱাৰিলে।

**(শাসকীয় পক্ষৰ পৰা উফৰি অহা মন্তব্য ঃ আহোমৰ গাত লাচিতৰ তেজ আছে কুৰ্মী ডাঙ ৰীয়া। গতিকে হিন্দু কৰিবলৈ অহা নাছিল)**

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নি) ঃ** " মোক ক'বলৈ দিয়ক। চাওলুং চুকাফাৰ পৰা কৈ আছো । এই দেশখন ধৰ্ম নিৰপেক্ষ দেশ । মই তাকেহে ক'বলৈ গৈছো। আপুনি যদি interrupt কৰে কেনেকৈ হ'ব।.....

**মাননীয় অধ্যক্ষ ঃ** যিটো ইছ্য আপুনি তালৈ আহক। ...... কওক ..... আপোনাক ক'বলৈ দিছো।

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নি) ঃ** প্ৰাচীন কালত যদি " আমাৰ হিন্দুবাদৰ ওপৰত আমি চাও তেতিয়া দেখিম আমাৰ সমাজ ব্যৱস্থা ৪টা ভাগত ভাগ হৈ আছিল। ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ । আমি সকলোৱে জানো যে, ব্ৰাহ্মণ সকলক পণ্ডিত বা পূজাৰী, ক্ষত্ৰিয়সকলক যোদ্ধা বা সৈনিক, যিসকল বৈশ্য তেওলোকক কৃষক বা , ব্যৱসায়ী হিচাপে পৰিচিত আছিল। এই তিনিটাৰ বাহিৰে সাধাৰণতে যিখিনি কাম সমাজৰ আন মানুহে নকৰে যেনে ঃ ছাফাই কাম, বা শ্ৰমিক হিচাপে যিসকলে কাম কৰিছিল তেওঁলোকক শূদ্ৰ বুলি কোৱা হৈছিল। ভাৰত স্বাধীন হোৱাৰ আগতে এনে এটা পৰ্য্যায় আছিল, কিন্তু যেতিয়া ১৯৪৭ চনত ভাৰত স্বাধীন হ'ল তেতিয়া জাতিৰ পিতা মহত্মা গান্ধী আৰু ডঃ বি আৰ আম্বেদকাৰৰ নেতৃত্বত আমাৰ সংবিধানখন প্ৰস্তুত হ'ল আৰু সেই সংবিধানমৰ্মে এচ টি -এচ চি বুলি এটা বিশেষ শ্ৰেণীৰ ব্যৱস্থা কৰা হ'ল। যাক লৈ আমি সকলোৱে গৌৰৱ কৰিব লাগে আৰু আমি এচ টি আৰু এচ চিৰ লোকসকলক সন্মান জনাব লাগে । আমাৰ দেশৰ লগতে আমাৰো কিছু দায়িত্ব আছে। আমি সকলোৱে জানো এচ টি হিলছ বা এচ টি প্লেন কৰা হৈছিল। মানে যিসকল জনগোষ্ঠীয় লোক পাহাৰীয়া অঞ্চলত বাস কৰে তেওঁলোকক এচ টি হিলছ বুলি কোৱা হয়। আনহাতে যিসকল ভৈয়ামত বা ফৰেষ্ট লেণ্ডত বাস কৰে সেই জনগোষ্ঠীক এচ টি -প্লেন বুলি কোৱা হয়। সময় ক'ম বাবে মই বিতংভাবে নাযাও। এনেভাবে যদি আমি চাও সংবিধান প্ৰণয়নৰ পিছতে বিভিন্ন ধৰণৰ ব্যৱস্থা লোৱা হ'ল। Reservation of Land Right , Sixth Schedule, Autonomus Council , Language Right, Assam ST/ SC Act কৰা হ'ল। তাৰ ওপৰিও বিভিন্নধৰণৰ Education, আৰু Employment ৰ Reservationৰ ব্যৱস্থাও কৰা হ'ল। এনেকৈয়ে আমাৰ দেশখন পৰিচালিত হৈ আহিছে। আমাৰ ৰাজ্যসমূহৰ লগতে Sixth Schedule Area সমূহো পৰিচালিত হৈ আহিছে। মাননীয় অধ্যক্ষ মহোদয়, কেইদিনমান আগতে আপুনি এচ টি- এচ চিৰ বিভিন্ন সংগঠনসমূহক আমন্ত্ৰণ কৰি এখন সভা অনুষ্ঠিত কৰিছিল। সেই সভাত মইও উপস্থিত আছিলো। তাত আমাৰ বহু সন্মানীয় শাসক- বিৰোধীৰ বিধায়ক সকলে বিভিন্ন কথা কৈছিল , মই সেইবোৰ দুনাই ক'ব বিচৰা নাই। এচ টি- এছ চিৰ সকলোৰ ফালৰ পৰা বিশেষকৈ ভূমি সংৰক্ষণ, ট্ৰাইবেল বেল্ট সংৰক্ষণ আৰু ট্ৰাইবেল বেল্ট মুকলি কৰাৰ কথাও কৈছিল। বিশেষকৈ নৈকাষৰীয়া যিসকল এচ চিৰ লোক আছিল বানপানীত তেখেতসকলে ক্ষতিগ্ৰস্ত হৈছিল আৰু ঘৰ মাটি এৰি আহিবলগীয়া হৈছিল। গতিকে এটা চাৰ্ভে কৰি ক্ষতিগ্ৰস্ত সকলক মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে বুলিও উল্লেখ কৰা হৈছিল। আমাৰ ৰাজ্য চৰকাৰৰ WPT & BC বুলি Department আছে। তাতে এচ টি আৰু এচ টিৰ কাৰনে সুকীয়া ফাণ্ড আহে। সেইবিষয়ে আমাৰ সন্মানীয় বিধায়কসকলে কৈছে আৰু একেখিনি কথাও মইও ক'ব বিচাৰো। সেই সভাত Fake Caste Certificateৰ কথাও ওলাইছিল। ১৯৮১ চনতে এচ চি ডেভল'পমেন্ট বোৰ্ড এখন গঠন কৰা হৈছিল । এতিয়া সেইখন উন্নত কৰাৰ কথাও কোৱা হৈছিল। লগতে Fisheries

Act কৰাৰ কথাও কোৱা হৈছিল। আমি বিচাৰো অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ প্ৰত্যেকখন সমিতিত এচ টি আৰু এচ চিৰ সম্প্ৰদায়ৰ একোগৰাকী সদস্য হিচাপে থাকিব লাগে। ইয়াৰ লগতে Sixth Schedule Area আৰু Autonomus Council সমূহত অতিৰিক্ত পুঁজি দিব লাগে। মই বেছি দীঘলীয়া নকৰো । এটা কথা থোৰতে কওঁ- মেছ -কছাৰীৰ পৰা আদি কৰি যিসকল জনগোষ্ঠীয়ে স্বায়ত্ব শাসিত পৰিষদ বিচাৰিছে,পাৰিলে তেওঁলোকৰ দাবী পুৰণৰ ব্যৱস্থা কৰিব লাগে। আমাৰ এচ টি আৰু এচ চিৰ সন্মানীয় বিধায়কসকলৰ লগতে বিধান সভাৰ বাহিৰত থকা এই সম্প্ৰদায়ৰ নেতা তথা লোকসকলোৰে জানে যে মই চাহ জনগোষ্ঠীৰ লোক। আমাক পূৰ্ব্বতে বলপূৰ্ব্বকভাবে বৃটিছে - ছোট নাগপুৰৰ পৰা ইয়ালৈ লৈ আহিছে। ১৮২৬ চনৰ পৰা এতিয়ালৈ প্ৰায় ২০০ বছৰ হ'বৰ হ'ল। পূৰ্বৰ ছোট নাগপুৰ এতিয়া প্ৰায় ৯-১০ খন ৰাজ্যত বিস্তৃত হৈ আছে। ছত্তিশগড়, বিহাৰ, ঝাৰখণ্ড, মধ্যপ্ৰদেশ, তেলেঙ্গানা, অন্ধ্ৰপ্ৰদেশ, উড়িশ্যা আৰু লগতে উত্তৰ প্ৰদেশৰ এটা অংশ আৰু পশ্চিম বঙ্গৰো এটা অংশ আছে। এতিয়া বিষয়টো হ'ল ইতিমধ্যে ভাৰতৰ সংবিধান ৰচনা হোৱাৰ পিছত এচ চি , এচ টি বুলি আমাৰ যিসকল চাহ জনগোষ্ঠীৰ আদিবাসী লোক আছিল সেইবিলাক ঠাইত চাহ জনগোষ্ঠীৰ লোকক এচ টিৰ মৰ্য্যাদা দিয়া আছে। কিন্তু অসমৰ ক্ষেত্ৰত পূৰ্বৰ চৰকাৰ আৰু এতিয়াৰ চৰকাৰেও কেন্দ্ৰীয় চৰকাৰৰ এচ টিৰ মৰ্যদা দিয়াৰ বাবে প্ৰস্তাৱ প্ৰেৰণ কৰিছিল আহোম, মটক, মৰান, চুতীয়া, কোচ ৰাজবংশী আৰু চাহ জনগোষ্ঠী যিসকলে এচ টি দাবী কৰি আহিছে তেওঁলোকক এচ টিৰ মৰ্য্যাদা দিয়াটো আমি বিচাৰো। এটা কথা স্পষ্ট কৰি দিব বিচাৰো যে বৰ্ত্তমানে যিসকল জনগোষ্ঠীয়ে এচ টিৰ মৰ্য্যদা ভোগ কৰি আছে তেওঁলোকৰ সংৰক্ষণৰ কোনো ক্ষতি নোহোৱাকৈ এই ৬ জনগোষ্ঠীক এচ টি দিয়াটো আমি বিচাৰো। লগতে এটা কথা হ'ল মোৰ সমষ্টিত ৪ খন মিচিং গাওঁ আছে সেইকেইখন মিচিং অটোনোমাছ কাউন্সিলৰ অৰ্ন্তভূক্ত কৰিবলৈ অনুৰোধ জনালো। তেওঁলোকে মূলতে ধেমাজী- মাজুলীত বসবাস কৰিছিল। বান পানীৰ কাৰণে তেওঁলোকে বৰ্ত্তমান মৰিয়নিত আছে। এই কথাটো মই মিছিং স্বায়ত্ব শাসিত পৰিষদৰ প্ৰাক্তন চীফ ডাঃ ৰনোজ পেগুক অনুৰোধ জনাইছিলো। মই চৰকাৰকো এই গাওঁকেইখন মিচিং অটোনোমাচ কাউন্সিলৰ অন্তৰ্ভূক্ত কৰিবলৈ অনুৰোধ জনালো। আৰু এটা কথা অধ্যক্ষ মহোদয়, বৰ্ণালী তামুলী নামৰ এগৰাকী এ পি এচ চিৰ দ্বাৰা নিৰ্ব্বাচিত বিষয়াই False SC Certificate উলিয়াই চাকৰি কৰি থকা বুলি মাননীয় বিধায়ক শ্ৰীকমল সিং নাজাৰী ডাঙৰীয়াই উল্লেখ কৰিছে। লগতে মনচুন বৰকটকী নামৰ এগৰাকীয়ে OBC ৰ Fake Certificate উলিয়াই চৰকাৰী চাকৰি পাবলৈ সক্ষম হৈছে। তেওঁলোকৰ জালিয়াতিৰ কাৰনে প্ৰকৃত এচ চি বা ও বি চিৰ সম্প্ৰদায়ৰ ব্যাক্তি বঞ্চিত হৈছে । আমি কংগ্ৰেছ বিধায়িনী দলৰ পৰা অনুৰোধ জনাইছো অতি সোনকালে Fast Track Courtৰ এই ক্ষেত্ৰত সুকীয়াকৈ গঠন কৰাৰ ব্যৱস্থা কৰিব লাগে । কোনোৱাই জালিয়াতি কৰা বুলি গম পালে লগে লগে এক বা দুই সপ্তাহৰ ভিতৰত তদন্তৰ ব্যৱস্থা কৰি বিহীত ব্যৱস্থা ল'ব লাগে। আমি জানো অধ্যক্ষ মহোদয় এচ টি এচ চি সংবিধানৰ গণ্ডীত হৈছে আৰু এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ এখন আইন আছে। আমি কংগ্ৰেছ দলৰ পৰা দাবী জনাইছো যে বিশেষ যিবোৰ Resolution বা Amendment ST /SC ৰ ক্ষেত্ৰত হয় সেইখিনি ৰাজ্য সভা বা লোকসভাৰ প্ৰত্যেক দলৰ মাননীয় সাংসদ সকলক যাতে আমি অসমৰ মাননীয় সাংসদসকলৰ যোগেদি দিয়াৰ ব্যৱস্থা কৰো। তেওঁলোকে লোকসভা বা ৰাজ্য সভাত আমাৰ অসমৰ এচ টি - এচ টি সকলৰ হৈ উপস্থাপন কৰি অকল পুঁজিয়ে নহয় অন্যন্য সা সুবিধাসমূহ যাতে আমাৰ সম্প্ৰদায় দুটাক দিব পাৰে। এইখিনিয়ে মোৰ চমু বক্তব্য অধ্যক্ষ মহোদয়।

**মাননীয়অধ্যক্ষ ঃ** এতিয়া শ্ৰী চক্ৰধৰ গগৈ।

**শ্ৰী চক্ৰধৰ গগৈ (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমৰ খিলঞ্জীয়া অনুসূচীত জাতি-জনগোষ্ঠী সকলৰ বিভিন্ন দিশ উন্মোচিত কৰিবৰ নিমিত্তে আজি যি আলোচনা আগবঢ়াইছে তাৰ বাবে আপোনাক ধন্যবাদ জনাইছো। যিহেতু মোৰ সমষ্টিটোত অনুসূচীত জাতি আৰু জনগোষ্ঠীৰ লোক বাস কৰে আৰু তেনেদৰে সমগ্ৰ অসমত জাতি আৰু জনজাতিৰ লোক সকলে বাস কৰাৰ সামগ্ৰিক যিটো অৱস্থা সেই অৱস্থাটো আমি ওচৰৰ পৰা প্ৰত্যক্ষ কৰিছো। মই দুটামান কথা আপোনাৰ জৰিয়তে আজিৰ সদনত অৱগত কৰিব খুজিছো। মাননীয় অধ্যক্ষ মহোদয়, মই বহুত কথা ক'ব খোজা নাই। বিভিন্ন বক্তাই ইতিমধ্যে বক্তব্য দাঙি ধৰিছে। আমাৰ অনুসূচীত জাতি-জনজাতিৰ বহুবোৰ লোক এনেকুৱা কিছুমান ঠাইত বাস কৰি আছে যিবোৰ ঠাইত তেখেত সকলৰ কোনো সঠিক ঠিকনা নাই। আজি আমি ডিব্ৰু-চৈখোৱা এলেকাত বাস কৰা মিচিং গাওঁ কেইখনৰ কথা কেতিয়াবা ভাৱিছো নে নাই? দধিয়া, লাইকা নামৰ যি কেইখন গাওঁ আছে সেই গাৱঁত বসবাস কৰা মিছিং ৰাইজে আজিও ভূমিৰ ঠিকনা নাপালে। আমাৰ যিখন ডিব্ৰু-চৈখোৱা অভয়াৰণ্য আছে, সেই অভয়াৰণ্যৰ মাটি তেওঁলোকে দখল কৰি আছে আৰু তেওঁলোকে তাতে অঘৰীৰ দৰে বাস কৰিব লগা হৈছে। গতিকে তেওঁলোকৰ পুনৰ সস্থাপনৰ কাৰণে অসম চৰকাৰৰ ফালৰ পৰা এটা ব্যৱস্থা ল'ব লাগে যাতে মানুহখিনিক আমি অসমৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠী হিচাবে স্বীকৃতি প্ৰদান কৰাৰ এটা অৰ্থ প্ৰকাশ কৰে সেইটো মোৰ ফালৰ পৰা অনুৰোধ জনাইছো আৰু মোৰ সমষ্টিত থকা কেইবাখনো গাওঁ বনগাওঁ, য'ত সোণোৱাল কছাৰী সকলে বাস কৰে, য'ত আমাৰ অনুসূচীত জাতিৰ লোক সকলে বাস কৰে। আমি যদি গৰুদড়ীয়া পঞ্চায়ত, মধুপুৰ এলেকা, মেডেলা ফৰেষ্ট ৰিৰ্জাভ এলেকাত বহুবোৰ মিচিং, সোণোৱাল কছাৰী গাওঁ আছে আৰু আমাৰ পুতুৰা পঞ্চায়তত চাৰিশ ঘৰীয়া, সাতাইশ ঘৰীয়া, ন ঘৰীয়া, দহ ঘৰীয়া নামেৰে বহুবোৰ অনুসূচীত জাতিৰ লোকৰ গাওঁ আছে। য'ত আজি তেওঁলোকৰ মাটিৰ ঠিকনা নাই। বন ভূমিত বসবাস কৰা কাৰণে বনগাওঁ বুলি ঘোষণা কৰা হৈছে। ১৯৫০ চনৰ ভূমিকম্পৰ পিছত তাত বসবাস কৰিবৰ কাৰণে চৰকাৰে অনুমতি প্ৰদান কৰিছিল কিন্তু আজিলৈকে তেওঁলোকক মাটিৰ ঠিকনা দিয়া নহ'ল। গতিকে এই ক্ষেত্ৰত আমি এটা উচিত ব্যৱস্থা ললে নিশ্চিত ভাৱে এই খিলঞ্জীয়া মানুহখিনিক স্বীকৃতি প্ৰদান কৰা হ'ব। অন্যথা কেৱল মাত্ৰ অনুসূচীত জাতি বা জনজাতিৰ লোক বুলি আমি সৰু সৰু বস্তু উপহাৰ দি তেনেকুৱা ধৰণৰ কাম যদি আমি কৰিব বিচাৰো তেনেহ'লে মই ভাবো এই অনুসূচীত জাতি বা জনজাতিৰ লোক সকলৰ প্ৰকৃত উন্নয়ন নহ'ব। শেহতীয়াকৈ আমি এটা কথা গম পাইছো যে আমাৰ এচ চি ৱেল ফেয়াৰ বৰ্ডৰ যোগেদি প্ৰায় ১০০ কোটি মান টকা জাতিটোৰ উন্নতিৰ কাৰণে কিছুমান কাম কৰিবৰ বাবে ধাৰ্য্য কৰা হৈছে আৰু তাৰ মাজেদি আৰু এটা কথা গম পাইছো যে বিভাগীয় কতৃপক্ষই ৰাইজৰ মাজত গেছৰ স্তোভ বিতৰণ কৰিবৰ কাৰণে তেওঁলোকে গুনাগথাঁ কৰিছে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা আপোনাৰ যোগেদি সদনত জনাব খুজিছো যে উজ্বালা আঁচনিৰ জৰিয়তে ইতিমধ্যে মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই সমগ্ৰ ভাৰতবৰ্ষত প্ৰথম এচ চি ৰ লোক সকলক গেছ প্ৰদান কৰিছে। অন্যান্য জাতি-জনগোষ্ঠীক প্ৰথমে দিয়া হোৱা নাছিল। তাৰ পাছতো তেওঁলোকৰ কল্যাণৰ কাৰণে অহা পইচাখিনি গেছ স্তোভ কিনি কিয় খৰচ কৰিব লাগে? তাৰ পৰিৱৰ্ত্তে তেওঁলোকৰ বৌদ্ধিক, শৈক্ষিক, মানসিক বিকাশ এইধৰণৰ অন্যান্য কামত উদগনি দিব পৰা যাব বুলি মই বোধ কৰিছো। এইখিনি কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী প্ৰদীপ হাজৰিকা।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "Socio Economic Development of Schedule Castes and Schedule Tribes of Assam" এইটো আপোনাৰ ইনিচিয়েটিভত আলোচনা কৰাৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো। বহুদিনৰ পৰা বিচাৰি থকা এটা বিষয় অসম বিধান সভাত আলোচনাৰ বিষয়ৰ কাৰণে আগবঢ়াই আনি মই ভাৱো এটা বহুত ডাঙৰ উপকাৰ কৰা হৈছে। আমাৰ অনুসূচীত জাতি আৰু জনজাতিৰ যিখিনি মানুহ এই মানুহখিনি বহুত সহজ সৰল। তেওঁলোক পাহাৰ-পৰ্বত বা হাবিয়ে জংঘলে বসবাস কৰে। এওঁলোকৰ কনমানি ল'ৰা বা ছোৱালী এজনীয়ে যেতিয়া নাওঁ এখন ব্ৰহ্মপুত্ৰত চলাই লৈ যাব দেখিলে আপুনি ভয় খায় যাব। গতিকে এইটো কিমান ডাঙৰ স্কিল হ'ব পাৰে। এই স্কিলটোক কিন্তু আমি এতিয়ালৈকে শ্ব' কৰা নাই। সেই মানুহখিনি যদি আমি প্লেন কৰি আনিলো হেঁতেন তেওঁলোক বহুতখিনি আগবাঢ়ি গ'ল হেঁতেন। তেওঁলোকৰ সৰু সৰু ল'ৰা এজনে প্ৰকাণ্ড প্ৰকাণ্ড গছ বগোৱাটো একো একোটা স্কিল। কিন্তু আমি এই স্কিলটো জানো ব্যৱহাৰ কৰিব পাৰিছো? এইখিনিতে মই এটা উদাহৰণ দিব বিচাৰিছো যে পুৰণি ভাৰতবৰ্ষত ঋষি-মুনি সকলক আটাইতকৈ বেছি গুৰুত্ব দিয়া হৈছিল। ৰামায়ণ আৰু মহাভাৰতৰ লেখক বাল্মিকী আৰু ব্যাস দেৱ অনুসূচীত জাতিৰ অন্তৰ্ভুক্ত বুলি আমাৰ সকলোৰে জ্ঞাত। ঠিক তেনেদৰে ভীমৰাও আম্বেদকাৰ এজন অনুসূচীত জাতিৰ লোক হৈ ও আজি আমাৰ সংবিধান প্ৰণেতা। আজি আমি কৈছো যে আমাৰ মাটি বাৰী নাই, ঘৰ দুৱাৰ নাই। কিন্তু মই ভাৱো যে আমি প্ৰপাৰ প্লেনিং কৰিব পৰা নাই। যিটো কাৰণে এই মানুহ সকলৰ আজি এনেকুৱা এটা অৱস্থা হৈ আছে। আজি আপুনি এই বিষয়টো অনাৰ বাবে আমি সকলোৱে আনন্দিত হৈছো। এইখিনিতে মই আৰু এটা কথা টানি আনিব বিচাৰিছো মহাভাৰতৰ কৰ্ণক জন্মৰ সময়তে গঙ্গাত উটুৱাই দিয়া হৈছিল আৰু তেওঁক গঙ্গাৰ পৰা তুলি আনি এই সম্প্ৰদায়ৰ লোকসকলে ডাঙৰ দীঘল কৰিছিল আৰু তেওকঁ ৰাধে বুলি মাতে, ৰাধে বুলি এইকাৰণে মাতে যে তেওঁ প্ৰকৃত ডাঙৰ দীঘল কৰা গৰাকী এই Scheduled Casts ৰ মানুহ। তেখেতে তেওঁক তুলি তালি ডাঙৰ দীঘল কৰি আজি মহাভাৰতৰ মহাকাব্যৰ এই মূল চৰিত্ৰ হৈছে কৰ্ণ। এইটো কোৱা আছে যে বালি বীৰ, বলিবীৰ, অৰ্দ্ধ হনুমান, নহবও নোপোজিবও কৰ্ণৰ সমান। কৰ্ণ ইমান বীৰ আছিল। আকৌ আপুনি চাওঁক, আৰু এজন ডাঙৰ চৰিত্ৰ, সেইটো হৈছে ভীম। ভীমে বিয়া কৰাইছে আমাৰ ইয়াৰ ডিমাপুৰৰ ছোৱালী হিৰিম্বা, তেওঁ কছাৰী ছোৱালী আছিল। তেওঁৰ পুত্ৰ ঘটৎকছ। আজি যদি ঘটৎকছ সেই মহান যুদ্ধত নাথাকিলেহেঁতেন, তেতিয়াহ'লে অৰ্জুন জীয়াই নাথাকিলেহেঁন। তেতিয়া অজুৰ্ণৰ চৰিত্ৰ যুদ্ধৰ মাজতে শেষ হলহেঁতেন। যিহেতু ঘটৎকছ অৰ্জুনলৈ কৰ্ণই থৈ দিয়া যি পাত অস্ত্ৰ 'একাগ্নি অস্ত্ৰ', একাগ্নি বান যি পাত অস্ত্ৰ যালৈ মাৰিব সিয়ে মৰিব। নাম লৈ যিজন মানুহলৈ পঠাব সেইজন মানুহকে মাৰিব। কৰ্ণই অৰ্জুনক মাৰিবৰ বাবে এইপাত থৈ দিছিল, কিন্তু আমাৰ ইয়াৰ পৰা ঘটৎকছ গৈ তাত এনেকুৱা মহাযুদ্ধ সৃষ্টি কৰিলে যে অৰ্জুনলৈ থৈ দিয়া শৰপাত দুৰ্যোধনে ক'লে তুমি ৰৈ থাকিব নালাগে। এতিয়া আমি বাচিব লাগে। তুমি মাৰি দিয়া। অস্ত্ৰপাত মাৰি দিয়াত অৰ্জুন বাচি গ'ল। অৰ্জুন মহাভাৰতৰ এটা মূল চৰিত্ৰ নহয়জানো? অৰ্জুন, ভীম, কৰ্ণ সিহঁতে সব মানুহক বচাইছে, আপুনি চাওঁক।

অধ্যক্ষ মহোদয়, এই কথাখিনি এইবাবে কৈছো যে আজি আমি Scheduled Castes & Scheduled Tribes ৰ এই মানুহখিনিৰ বিষয়টো বিধান সভাত আপুনি আলোচনা কৰিবলৈ আনিলে, তাৰ বাবে ভগৱানে আপোনাক আশীৰ্বাদ দিব। এই কথাখিনি টানি আনি তাৰ জৰিয়তে তেখেত সকলৰ গুৰুত্ব কিমান বেচি আৰু আমাৰ চৰকাৰে এই Skill কেইটা দেখি ইয়াত আমাৰ Inland Water Transport Minister আছে। এই যে নৈৰ কাষত আমাৰ চোকা Ex-

pert steamer বিলাক আছে, নাওঁ বাই বাই আছে, আগতে নৈ বিলাকহে Highway আছিল। নৈ , সাগৰ এইবোৰেদিহে চলাচল কৰিছিল। এইবিলাক মানুহক যদি training দিয়ে, এইবিলাক মানুহ skill হে আছে, তাত চাকৰি দিব পাৰে। পানীত জাপ মাৰি পাৰ হ'ব পাৰে। নাওঁও নালাগে। ব্ৰহ্মপুত্ৰকো তেওঁলোকে ভয় নকৰে। সৰু সৰু লৰা-ছোৱালীবোৰেও জপিয়াব পাৰে। আমাৰ ঘটৎকছ গৈ যদি কুৰুক্ষেত্ৰত যুদ্ধ কৰিব পাৰে, তেতিয়াহলে এই লৰা-ছোৱালীবোৰেও যুদ্ধ কৰিব পাৰিব। তেওঁলোকক আৰ্মী আৰু পুলিচত চাকৰি দিব পাৰে। এতিয়া পুলিচত চাকৰি দিওঁতে এই কথাবিলাক লক্ষ্য কৰিব লাগে। মই আশা ৰাখিম যে অধ্যক্ষ মহোদয়, যিহেতু আপোনাৰ উদ্যোগত এইটো আলোচনা হৈছে এই আলোচনাটো ফলপ্ৰসু আলোচনা হৈছে বুলি মই ভাৱিছো। এই আলোচনাৰ যিটো Out come যিটো result আছে, সেইটোৰ পৰা Government য়ে policy বনাব পাৰিব আৰু এনেধৰণে planning কৰিলে মই ভাৱো আমাৰ ইয়াত Backlog ৰ কথা নাথাকে। গতিকে এইখিনিয়ে মই আপোনাৰ জৰিয়তে চৰকাৰক পৰামৰ্শ দিছো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি যিখিনি কথা উদাহৰণ দি কৈছে আপুনি লিখিত ভাৱত দিব কাৰণ সেইখিনি দৰকাৰী কথা।

**শ্ৰী যোগেন মহন (মাহমৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা clearification আছিল, মাননীয় বিধায়ক ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াৰ প্ৰসঙ্গত যে আহোম সকলে হিন্দুধৰ্মৰ প্ৰচাৰ কৰিবলৈ আহিছিল বুলি ১২২৮ খ্ৰীষ্টাব্দত। হিন্দু ধৰ্ম প্ৰচাৰ কৰিবলৈতো আহোম সকল অহা নাছিল।

**মাননীয় অধ্যক্ষ ঃ** মই Record টো চাই লম। এতিয়া মাননীয় সদস্য শ্ৰী ৰবিৰাম নাৰ্জাৰী।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী (পশ্চিম কোকৰাঝাৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ সদনত আমাৰ SC আৰু ST Community ৰ Socio Economic Development ৰ যিটো বিষয় আলোচনা হ'ল, আপোনাৰ নেতৃত্বত বৰ্তমানেও সদনত চলি আছে। সেই বিষয়টোৰ ওপৰত অংশগ্ৰহণ কৰিবৰ কাৰণে মোৰ বিশেষভাৱে সুবিধা দিয়াৰ কাৰণে মই আপোনাক অশেষ ধন্যবাদ জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, Socio Economic Development ৰ ওপৰত যিটো আলোচনা হ'ল, আমাৰ সংবিধানে বিশেষকৈ Scheduled Castes & Scheduled Tribes ৰ Community ৰ কাৰণে সুৰক্ষা আৰু সংৰক্ষণৰ ব্যৱস্থা কৰিছে। Protection and Reservation for the Scheduled Castes & Scheduled Tribes Community, এইটো Already incorporated in the Constitution of India. ইয়াৰ আধাৰতে হ'ব লাগিব আমাৰ Tribal বা SC Community বিলাকৰ Socio Economic Development ৰ গোটেইখিনি ব্যৱস্থা বা কাৰ্য্যসূচী।

ভাৰতৰ প্ৰধানমন্ত্ৰী মাননীয় শ্ৰী যুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াই সদায়ে কৈ থাকে On Record তেখেতে কয়, At a time has come to reform transform and perform. আজিৰ সদনত যিখিনি আলোচনা কৰা হৈছে আমাৰ বিধায়কসকলে যিখিনি opinion ইয়াত দাঙি ধৰিছে নিশ্চয় আমাৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ যিটো মূল মন্ত্ৰ, সেই মন্ত্ৰটো অনুকৰণ কৰি আমাৰ চৰকাৰখনে কাম কৰিব। Now time has come really to reform, transform & perform. যোৱা দিনবিলাকত যদি Tribal আৰু SC Community বিলাকৰ উন্নতি হোৱা নাই, সঠিকভাৱে তেখেতসকলে যদি Right খিনি পোৱা নাই, তেখেত সকলৰ প্ৰতি যদি নজৰ ৰখা হোৱা নাছিল, এতিয়া আইন কানুন বিলাকৰ পৰিৱৰ্তন Administration ৰ

Policy ৰ পৰিৱৰ্তন, সংস্কাৰৰ নিশ্চয় প্ৰয়োজন আছে। আজি ইয়াত বহুজনে বহুত মন্তব্য ৰাখিছে যে Socio Economic Development কেনেকৈ হ'ব? Tribal সকল বিশেষকৈ ক'বলৈ হ'লে আমি কৃষিজীৱী মানুহ। কৃষি কাম কৰিবলৈ হ'লে আমাক Land ৰ প্ৰয়োজন আছে। আজি ইয়াত বহুজনে বহুত মন্তব্য দাঙি ধৰিছে। ইয়াৰ কাৰণে আইন প্ৰণয়ন দাতা বিলাকে সুকীয়াকৈ ভূমিৰ ব্যৱস্থা সুৰক্ষিত কৰিবৰ কাৰণে আইন প্ৰনয়ণ কৰি দি গ'ল। যিটোক কোৱা হয়, Tribel Belt & Block. এই Tribal Belt & Block টো mainly for Tribal Community. এই যিটো Tribal Belt & Block ৰ অধীনত থকা মাটি ইয়াৰ ওপৰতে কৃষিৰ কাম কৰি কৃষিৰ অৰ্থনীতিৰ ওপৰত স্বাৱলম্বী হোৱাৰ কাৰণে ব্যৱস্থা কৰক। গতিকে আমাৰ Socio Economic Development কৰিবলৈ হ'লে Tribal Belt & Block ৰ মাটিখিনি protech কৰিব লাগিব।

ইয়াৰ কাৰণে আমাৰ আইন কানুন আছে। কিন্তু অতি দুখৰ বিষয় যোৱা দিন বিলাকত Tribal Belt & Block ৰ মাটিখিনি protect কৰিবৰ কাৰণে আমাৰ ইয়াত strongly আইন কানুন আছে। এইখিনি সঠিকভাৱে Implement কৰা হোৱা নাই। যিবিলাক Implementing Agency Officer আছে, They have failed to implement these every cost of these Land and Regulation Act of 1886 chapter 10. এইবিলাক সঠিকভাৱে implement কৰিব পৰা নাই। আমি মাটি হেৰুৱাব লগা হৈছে। নন্ ট্ৰাইবেল সকলে ট্ৰাইবেল লোক সকলৰ ভূমি দখল কৰিলে। আমি ভূমি হেৰুৱাব লগীয়া হ'ল। আমাৰ উন্নতি কেনেকৈ হ'ব? আমি যিহেতু ব্যৱসায়ীক গোষ্ঠীৰ লোক নহয়, আমি খেতিৰ কাম কৰো। আমাৰ যদি মাটিয়েই নাথাকে, আমাৰ কেনেকৈ উন্নতি হ'ব, আমি ক'ত থাকিম, ক'ত বাস কৰিম? এইটো এটা ডাঙৰ সমস্যা হৈছে। গতিকে যিখন আইনৰ দ্বাৰা প্ৰটেকশ্যনৰ ব্যৱস্থা কৰা হ'ল, সেইখন যদি অক্ষম হৈ পৰিছে, তাক সক্ষম কৰিবৰ কাৰণে আমাৰ মাননীয় প্ৰধান মন্ত্ৰী মোদী ডাঙৰীয়াৰ যিটো মন্ত্ৰ Reform,Transform and Perform সেই মন্ত্ৰৰে আমাৰ কাম কৰাৰ প্ৰয়োজন আছে। আমাৰ ট্ৰাইবেল Belt and Block বিলাকত সময়ে সময়ে সংৰক্ষণ কৰি উদ্যোগ অনুষ্ঠান আদি নিৰ্মাণ কৰা হ'ল আৰু ক'ৰবাত ৰাস্তা বনোৱা হ'ল। এই সংক্ৰান্তত মই ক'ব খুজো যে No further de-reservation Policy should be taken in future. ট্ৰাইবেল ৰিজাৰ্ভ যিটো ট্ৰাইবেল Belt and Block আছে, সেইবোৰ De-reserve কৰাৰ কাৰণে অসম চৰকাৰে যাতে ভৱিষ্যতে কোনোধৰণৰ পদক্ষেপ নলয়, তাৰ বাবে ব্যৱস্থা কৰিব লাগে আৰু এটা কথা কওঁ যে কিমান ট্ৰাইবেল Belt and Block ৰ মাটি আমাৰ নন ট্ৰাইবেল লোকৰ হাতত গুচি গ'ল? সেই বিষয়ে ততালিকৈ চাৰ্ভে আৰু পৰীক্ষণ কৰিবৰ বাবে There should be special Commission আৰু এই Commission ৰ অধীনতে এটা special survey কৰাৰ নিশ্চয় প্ৰয়োজন আছে। মই এইখিনি কথা সদনত দাঙি ধৰিছো। যেনেকৈ special backlog পূৰণ কৰিবৰ বাবে আমাৰ special drive কৰা হয়। আজি অসমত ট্ৰাইবেল সংগঠনসমূহে কিয় অস্থিৰ হৈ আছে? ইয়াত কিয় আন্দোলন হৈ আছে? ইয়াৰ মূল কাৰণসমূহ আমি বুজিব লাগিব যে তেখেতসকলক তেওঁলোকৰ অধিকাৰ সমূহ দিয়া হোৱা নাই। তেওঁলোকক বঞ্চিত কৰা হৈছে। শোষণ কৰা হৈছে। সেয়েহে ট্ৰাইবেল সকলৰ অধিকাৰ সমূহ প্ৰদান কৰিব লাগে। এইবোৰৰ দাবী জনাই আজি অসমত ট্ৰাইবেল সংগঠন সমূহে আন্দোলন কৰিছে। অসমখন অশান্তিকৰ হৈ আছে। গতিকে আমি অসমত বাস কৰা ট্ৰাইবেল আৰু জনজাতি লোকসকলক যদি তেওঁলোকৰ অধিকাৰ

প্ৰদান কৰিব বিচাৰো, আৰ্থ-সামাজিক উন্নয়নৰ পথলৈ যদি লৈ যাব বিচাৰো তেন্তে তেওঁলোকে সংবিধানত যিখিনি অধিকাৰ আৰু সুৰক্ষা পাইছে, আইন মতে যিখিনি সুবিধা পাইছে, সেইখিনি আখৰে আখৰে পালন কৰি দিয়াৰ ব্যৱস্থা কৰিবৰ বাবে অসম চৰকাৰক মই অনুৰোধ জনাইছো। আমাৰ বৰাক উপত্যকাত যিটো বৰাক হিল ট্ৰাইবেল কাউঞ্চিল আছে, তাৰ অধীনত ১২০টা বিভিন্ন জনগোষ্ঠীৰ ৰিয়ান কমিউনিটীৰ লোক বসবাস কৰি আছে। তেওঁলোকৰ মুঠ জনসংখ্যা হৈছে প্ৰায় মাত্ৰ ৫০ হাজাৰ জন। কিন্তু তেওঁলোকৰ এখনো এম ই স্কুল নাই, শিক্ষক নাই আৰু ৰাস্তা নাই। তেওঁলোকৰ কোনো চাকৰিয়াল নাই। এখন গাওঁৰ পৰা আনখন গাওঁলৈ যাবলৈ হ'লে দুই-তিনি দিন ধৰি যাব লাগে। এই ৰিয়ান কমিউনিটীটো লাহে লাহে হেৰাই যোৱাৰ উপক্ৰম হৈছে। তেখেতসকলৰ সুৰক্ষা আৰু অধিকাৰৰ বাবে অসম চৰাকাৰে যাতে ব্যৱস্থা কৰে তাৰ বাবে আহ্বান জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকৰ যদি কিবা দৰকাৰী ক'বলগীয়া কথা থাকি গৈছে, সেইখিনি লিখিত আকাৰে মোক জমা দিব। I will make it a part of the Record.এতিয়া গণেশ কুমাৰ লিম্বু ডাঙৰীয়াই কওঁক।

**শ্ৰী গণেশ কুমাৰ লিম্বু (বৰচলা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ বহুতো মাননীয় সদস্যই এই বিষয়ে কৈছে। প্ৰথম কথাটো হ'ল যে আমাৰ লিম্বু আৰু তামাং এই দুটা কমিউনিটীৰ মানুহে যেতিয়া বাহিৰলৈ পঢ়া-শুনা বা চাকৰি কৰিবলৈ যায়, তেতিয়া তেওঁলোকক অনুসূচীত জনজাতিৰ চাৰ্টিফিকেট বিচাৰে। কিন্তু আমাৰ ইয়াৰ পৰা অ' বি চিৰ চাৰ্টিফিকেট দিয়া হয়। ইয়াৰ কাৰণে বহুজনে শিক্ষা গ্ৰহণ কৰিব নোৱাৰি উভতি অহা বা চাকৰি নোপোৱাৰ উদাহৰণ আছে। মই অ' বি চি কমিটীত গৈ ইয়াৰ লিষ্টখন চাইছিলো আৰু তাতেও এই দুটা জাতিৰ নাম অন্তৰ্ভুক্ত নাই। মই ক'ব বিচাৰিছো যে ভাৰতৰ অন্যান্য ৰাজ্য যেনে পশ্চিমবঙ্গ, চিকিম আদিত এই লিম্বু আৰু তামাং জাতিটো জনজাতি হৈ আছে। কিন্তু এই বিষয়টো আমাৰ চৰকাৰে ইয়াত কোনোধৰণৰ গুৰুত্ব দিয়া নাই আৰু এটা বিষয় আছিল যে আমাৰ ১৯৫০ চনৰ পৰাই কানি, দমাই আৰু চৰ্কি এই তিনিটা জাতি একেবাৰে অৱহেলিত হৈ আছে। এই তিনিটা জাতিয়ে ১৯৫০ চনৰ পৰাই অন্যান্য ৰাজ্যত জনজাতি হৈ আছে। কিন্তু আমাৰ অসমত এই বিষয়ে একো হোৱা নাই। মই আপোনাৰ জৰিয়তে এই বিষয়টো বিবেচনা কৰিবৰ বাবে আহ্বান কৰিছো লগতে আৰু এটা কথা মই ক'ব বিচাৰিছো যে যিহেতু ভূমিৰ কথা আহিল, সকলোৱে ভূমিৰ কথা কৈছে গতিকে আমি বিচাৰিছো যে সকলোৱে ইয়াত প্ৰটেক্ট হ'ব লাগে। Belt and Block ত ১৯৪৬ ত যিবিলাক কমিউনিটী প্ৰটেক্টটেড ক্লাছত আছিল, তাৰ ভিতৰত Gracious Cultivated Nepali বুলিও প্ৰটেক্টটেড আছিল। যেতিয়াই আমি ভূমি প্ৰদান কৰো আমাৰ মানুহবিলাক ট্ৰাইবেল মানুহৰ মাজত থাকে, ফৰেষ্টত থাকে, সেইকাৰণে মই বিচাৰো যাতে আমাৰ চৰকাৰে এই বিষয়টো বিবেচনা কৰিব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি বিশেষভাৱে অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ আৰ্থ-সামাজিক উন্নয়নৰ বিষয়ৰ ওপৰত আলোচনা অনুষ্ঠিত কৰাৰ বাবে আৰু ইতিমধ্যে ৩ ডিচেম্বৰ তাৰিখে অসমৰ বিভিন্ন সংগঠনসমূহক মাতি যি মত বিনিময় কৰিলে, বৰ্তমান সময়ত আপুনি সঁচাকৈয়ে ধন্যবাদৰ পাত্ৰ । কাৰণ আমি বিশেষভাৱে জানো যে অসমৰ যিখিনি জনজাতি আছে বা যিখিনি অনুসূচীত জাতি আছে, সেইসকলৰ যদি আৰ্থ-সামাজিক দিশৰ উন্নয়নৰ উপৰিও সাংস্কৃতিক দিশটোও উন্নয়ন আৰু বিকাশৰ ক্ষেত্ৰত আমি বিশেষভাৱে

গুৰুত্বপ্ৰদান কৰি এই অনুসূচীত জাতি আৰু জনজাতিক অনাগত দিনত কি ভাৱে আগবঢ়াই নিব পৰা যায় সেইটো সঁচাকৈয়ে এটা গুৰুত্বপূৰ্ণ কথা হ'ব আৰু ইতিমধ্যে বিভিন্ন বক্তাই এই বিষয়ে বহুখিনি কথা অৱগত কৰিছে আৰু মই সেই বিষয়ে স্পৰ্শ নকৰো। আমি যদি ১৯৪৭ চনৰ পৰা আহো তেতিয়াহ'লে আমি বহুখিনি কথা ক'বলগীয়া আছিল আৰু সিদিনাখনৰ আলোচনাতো বিভিন্ন বক্তাই বিভিন্ন ধৰণৰ কথা তাত ব্যক্ত কৰিছিল। কিন্তু মই বিশেষভাৱে এটা কথা ক'বলৈ বিচাৰিছো যে অসমৰ যিসকল ট্ৰাইবেল Belt and Block আছে, সেইখিনি সুৰক্ষিত কৰাটো আমাৰ দায়িত্ব বা ৰাজ্য চৰকাখনৰ দায়িত্ব। এইটো ক'বলগীয়া কথা নহয়। কিন্তু তাৰ ভিতৰত এটা কথা আছে যে ট্ৰাইবেল Belt and Block ত কিছুমান এনেধৰণৰ মানুহে মাটি লয়, যি মানুহে এজন ট্ৰাইবেল মানুহৰ সন্মুখত ৰাখি Power of Attorney লৈও, তেনেধৰণে কিন্তু মাটি লোৱা মোৰ দৃষ্টিগোচৰ হৈছে। এতিয়া মোৰ প্ৰশ্নটো হ'ল যে যেতিয়া ট্ৰাইবেল Belt and Block থাকে আৰু সেইসময়ত কোনোবা এজন জনজাতীয় ব্যক্তিৰ নামত মাটি নামজাৰী কৰিলে, পট্টা ল'লে আৰু তাৰ পিছত দেখিব যে সেই মাটিখিনি আকৌ Power of Attorney কৰি সেই মাটিখিনি আকৌ নন ট্ৰাইবেল, যিটো কথা কোৱা হৈছে বিজনেছমেন, ইণ্ডাষ্ট্ৰীয়েলীজ, উদ্যোগপতি সকলে, তেনে ধৰণে কিন্তু মাটি লৈও ট্ৰাইবেইল Belt and Block ত কাম কৰি আছে। গতিকে এইটো আমি কি ভাৱে অনাগত দিনত ল'ব পাৰো আৰু কি ভাৱে এই ব্যৱস্থাটো প্ৰতিৰোধ কৰিব পাৰো। সেই দিশটোত বিশেষভাৱে চিন্তা কৰাৰ কাৰণে মই আপোনাক আৰু ৰাজ্য চৰকাৰক বিশেষভাৱে অনুৰোধ জনাইছো। দ্বিতীয়তে সকলোৱে কৈছে আৰু মইও জানো যে অনুসূচীত জাতি বা জনজাতিবিশেষকৈ অনুসূচীত জাতিৰ নামত যিবিলাক প্ৰমাণ-পত্ৰ দিয়া হৈছে, তাৰে বেছিভাগ জালিয়াতিৰ আশ্ৰয় লৈ প্ৰমানপত্ৰ লোৱা হৈছে, আৰু সুযোগ সুবিধাবোৰ তেনেকৈ গ্ৰহণ কৰি আছে। এতিয়া মোৰ প্ৰশ্নটো হ'ল যদি ৰাজ্যিক ভিত্তিত তেনেধৰণৰ পুনৰীক্ষণ কমিটি যদি আছে, তেনেহ'লে সেই পুনৰীক্ষণ কমিটিখনে এই ভুৱা ভাৱে অৰ্থাৎ জালিয়াতি কৰি প্ৰমাণ-পত্ৰ লৈছিল সেই ক্ষেত্ৰত কিন্তু উচ্চ পৰ্য্যায়ত এটা পুনৰীক্ষণ কৰাৰ প্ৰয়োজন আছে আৰু প্ৰয়োজন হ'লে সেই কমিটিত লিগেল চাইডটো ছোৱাৰ কাৰনে কোনোবা এজন এডভকেটকো সেই কমিটিত অন্তৰ্ভূক্ত কৰি যদি, তেনেধৰণৰ পুনৰীক্ষন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে বা তেনেধৰণে যদি এটা ব্যৱস্থা লয় মই ভাবো যে, বহু তেনেধৰণে জালিয়াতিৰে লোৱা প্ৰমাণ পত্ৰ ওলাব। সেইক্ষেত্ৰত ব্যৱস্থা লোৱাৰ ক্ষেত্ৰত নিশ্চয় এটা সুবিধা হ'ব ছাৰ, তৃতীয়তে.....

**মাননীয় অধ্যক্ষ** - এইটো শেষৰ পইন্ট, বাকীখিনি লিখি দিব মই লৈ ল'ম।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা (পশ্চিম গুৱাহাটী)** ঃ তিনিটা মান আছে। সাংস্কৃতিক দিশত কৈছো। ছাৰ অনুসূচীত জনজাতিৰ যিবোৰ বুৰঞ্জী প্ৰসিদ্ধ ঠাই বিলাক চিনাক্তকৰণ আৰু সংৰক্ষণ কৰিব লাগে আৰু বিশেষকৈ অনুসূচীত জাতিৰ মই অনুসূচীত জাতিৰ কথা নকওঁ, তেওঁলোকে অলপ আগবঢ়া। কিন্তু অনুসূচীত জাতিৰ যি বুৰঞ্জী আছে, এই বুৰঞ্জীসমূহ কিন্তু আমাৰ ৰাজ্য চৰকাৰে প্ৰকাশ কৰাৰ ক্ষেত্ৰত কিন্তু ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইতিহাস প্ৰসিদ্ধ যিখিনি ঠাইৰ কথা যোৱা ৩ ডিচেম্বৰ তাৰিখে ব্যক্ত কৰিছিল, সেই ঠাইখিনি হ'ল প্ৰতাপগড়, নাহৰকটীয়া, জোঙালবলহু, যোৰহাট, ডবকা, তেজপুৰৰ ঐতিহাসিক নাগশংকৰ মন্দিৰ, দীপৰ বিল এইকেইটাৰ কথা উল্লেখ কৰিছিল আৰু এটা কথা কৈছো ছাৰ, অনুসূচীত জাতিৰ যি সকল বৰেণ্য ব্যক্তিসকল আছে, সেই বৰেণ্য ব্যক্তিসকলক সামৰি অনুসূচীত জাতিৰ বিভিন্ন বৃত্তিৰ কলা কৌশলৰ সাংস্কৃতিক কেন্দ্ৰ এটা কৰিব লাগে। তাৰ মানে আমাৰ এনেকুৱা বিভিন্ন কলা কৌশল আছে যিবিলাক অনুসূচীত জাতিৰ যিবিলাক স্বনামধন্য ব্যক্তি

আছিল। সেই সকলক লৈ তেনেকুৱা ধৰণৰ এটা গুৱাহাটী মহানগৰীত যদি এটা চেন্টাৰ কৰা যায়, তেতিয়াহলে অনুসূচীত জাতিৰ যি ঐতিহ্যপূৰ্ণ যিবিলাক সমাজ আছে, যি সকল ব্যক্তি আছে, সেই সকলক আমি আমাৰ যিটো নতুন পুৰুষ থাকিব, এই নতুন প্ৰজন্মক আমি সেই কথাবিলাক দেখুৱাই দিয়াৰ ক্ষেত্ৰত নিশ্চয় সক্ষম হ্ম, আৰু ঠিক তেনেকৈ মই ভাবো যে আমাৰ অনুসূচীত জাতিৰ সাংস্কৃতিক ইতিহাস প্ৰসিদ্ধ যিবিলাক বস্তু আছে, সেই বিলাকো যাতে, আমাৰ যেনেকুৱা এটা সাংস্কৃতিক কলাক্ষেত্ৰ আছে। তেনেধৰণৰ এটা কলাক্ষেত্ৰ আমাৰ এই অনুসূচীত জাতিৰ কাৰণেও এনেধৰণৰ কলাক্ষেত্ৰৰ যদি স্থাপন কৰা হয়। মই ভাবো যে অনুসূচীত জাতিৰ যিখিনি সাংস্কৃতিক দিশৰ যিখিনি অৱদান সেই অৱদান খিনি আমি তেনেধৰণে কলাক্ষেত্ৰত সুৰক্ষিত কৰি ৰাখিব পাৰিম।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। থকাকেইটাৰ পইন্টকেইটা দি দিব। মই লিখি ৰাখিম। কৃষ্ণেন্দু পাল।

**শ্ৰীকৃষ্ণেন্দু পাল (পাথাৰকান্দি)**ঃ- সৰ্বপ্ৰথমে আপনাকে ধন্যবাদ জানাই, আপনি অনুসূচিত জাতি এবং জনজাতির উপরে যে উদ্যোগ নিয়েছেন। আমি পাথারকান্দি সমষ্টি থেকে এসেছি। রাতাবাড়ি, করিমগঞ্জ জেলা বা বরাক উপত্যকায় শেষ **২০১১** এর যে জনগণনা হয়েছিল, তাতে আমার লাগছে উদ্দেশ্য প্রণদিত ভাবে এইসব এলাকায় যেখানে **৪০০ /৫০০** জন কিছু কিছু গ্রামের জনসাধারণ আছেন। সেখানে তাদের **৪০** বা **৫০** জন দেখানো হয়েছে। যার জন্য তারা অনেক সরকারি অনেক প্রকল্প থেকে বঞ্চিত হচ্ছে। আজ রাস্তা হোক বা মডেল ভিলেজও যদি দেওয়া হয়, কিন্তু **২০১১** জনগণনায় যেহেতু তাদের নাম নাই, সেজন্য সরকারি যে কোন প্রকল্প থেকে তারা বঞ্চিত। . আমাদের প্রিয় প্রধানমন্ত্রীর আজ আয়ুস্মান ভারতে র যে উদ্যোগ নিয়েছেন সেই আয়ুস্মান ভারতের মাধ্যমে ভারতের যেকোন জায়গায় তাদের সু-চিকিৎসা পাওয়ার যে ব্যবস্থা নেওয়া হয়েছিল, কিন্তু জনগণনায় তাদের নাম না থাকায় এই কার্ড টা পর্যন্ত তারা পায়নি। আমি এই কথাটা বলতে চাই যে আমরা জনগণনা যাতে সঠিক ভাবে করতে পারি। তফশিলি এলাকায় দেখা গেছে জনগণনার ভুল রিপোর্ট পেশ করা হয়েছে। আমার সমষ্টিতে কুকি , চড়াই শাকচাপ, রাংখল, কার্বি, রংমাই, নাগা, জনজাতি আছেন তাদের নাম আমাদের অসম সরকারের লিস্টে নেই। তাদেরকে ট্রাইবেল হিসাবে স্বীকৃতি দেওয়া হয় নাই। যার জন্য তারা সরকারি চাকরি বা সরকারি অনেক সুযোগ-সুবিধা থেকে বঞ্চিত। ট্রাইবেল এলাকার মানুষ অনেক গরীব তারা পড়া শুনার জন্য করিমগঞ্জ শহর হোক বা বরাক উপত্যকার কোন কলেজে গিয়ে পড়াশুনা করতে হলে তাদের কোন সুযোগ সুবিধা নেই। তাদের জন্য আমরা যাতে ভালো ছাত্রাবাস বানাতে পারি, এবং তারা যাতে ভালো ভাবে পড়াশুনা করতে পারে সেই ব্যবস্থা করতে হবে। বিশেষ করে আমাদের যে রবিদাস সম্প্রদায়ের মানুষ আছেন, তারা বিশেষত সাফাই কর্মী হিসাবে আছেন। তারা যে কাজ করেন তাদের জন্য আমরা যাতে বিশেষ ব্যবস্থা নিতে পারি। এত পিছিয়ে আছে এই এলাকা গুলো, তাদের দেখলে কষ্ট হয়। সেজন্য তাদের আপলিটমেন্টের জন্য যদি আমরা একটা রবিদাস কাউন্সিল গড়ে তুলতে পারি।

**মাননীয় অধ্যক্ষ** ঃ- মই এটা request কৰিম। আপুনি যি কেইটা কথা কৈছে, অলপ সময় দিব পৰা হ'লে অলপ ভাল পালোহেঁতেন। কাৰণ আপোনালোকৰ মালাকৰে ইতিমধ্যে কৈছে। আপুনি বাকীকেইটা লিখিত আকাৰে দিব। সময় বিশেষ নাই, সেই কাৰণে, মোৰ হাতত submit কৰিব। I will put it as a record. Ok.

**শ্ৰীকৃষ্ণেন্দু পাল (পাথাৰকান্দি)** ঃ- Ok. আৰু আমাৰ যিটো সোনবিল আছে, এছিয়াৰ ভিতৰত সকলোতকৈ ডাঙৰ। এই সোনবিলখন যদি আমি ভালকৈ উন্নয়ন কৰিব পাৰো, তেতিয়া হ'লে এই সোনবিলৰ কাষত আমাৰ যিমানবিলাক তপশিলী জাতি আছে, সকলোৰে লাভ হ'ব।.

**মাননীয় অধ্যক্ষ** ঃ- আমি সোনবিলৰ কথা পাতিছো কাছাৰ আলোচনাটোত। নিশ্চিত ভাবে চৰকাৰে এই বিষয়টোত চকু ৰাখিব। Minister, excise আপুনি intervention এটা কৰিম বুলি কৈছিল।

**শ্ৰী পৰিমল শুক্ল বৈদ্য (ধলাই)ঃ** অধ্যক্ষ মহোদয়, মই ২ মিনিটৰ ওপৰত নকওঁ। প্ৰথম কথা হ'ল যে আপুনি আমাৰ মন্ত্ৰী আৰু বিধায়ক সকলক মাতি লৈ গৈছিল আমাৰ ফালৰ পৰা আমি যাতে কিছু কথা যাতে ক'ব পাৰো। তপশীল তাৰ তপশীল জনজাতিৰ উন্নয়নৰ কাৰনে। ঠিক তেনেকৈ আপুনি আপুনি গোটেই অসমৰ ফালৰ পৰা বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানক মাতি আনিলে, তেওঁলোকৰ ফালৰ পৰা আমি বহুতখিনি কথা শুনিলো আৰু আজি মাননীয় বন্ধু সকলে ইমান ধুনীয়াকৈ গভীৰ চিন্তনৰ জৰিয়তে কিছুমান কথা যেনে -লাঞ্চনা, বঞ্চনা, আমাৰ প্ৰয়োজন আমাৰ দাবী গোটেইখিনি কথা আহিছে, খুব ভাল লাগিছে। গোটেইখিনিৰ আৰত ছাৰ, আপোনাৰেই উদ্যোগ। আমি আজি তপশীল জনজাতি আৰু তপশীল জাতিৰ ফালৰ পৰা একেবাৰে অন্তৰআত্মাৰে আপোনাক ধন্যবাদ আৰু কৃতজ্ঞতা জনাম যে আপোনাৰ উদ্দ্যোগ আছিল। সেই কাৰনে যে after independence আমি ইমানখিনি কথা তপশীল জাতি জনজাতিৰ কথাটো আমি জানিব পাৰিছো বা শুনিব পাৰিছো। এইখিনি কাম হয়তো চৰকাৰে আহি থকা দিনত কৰিব পাৰিব। সেই কাৰণে আপোনাক আমি সদনৰ ফালৰ পৰা, আমাৰ জাতি জনজাতিৰ ফালৰ পৰা আপোনাক কৃতজ্ঞতা জনাইছো। আমি কোনো সমস্যাত নাযাওঁ, কাৰণ বহুতখিনি কথা আহি গৈছে, ভাল কথা আহিছে। আমাৰ দাবীৰ কথা আহিছে, সমাধানৰ কথা আহিছে। আমি আন্তৰিকভাৱে যিসকলে Participate কৰিলে, তেওঁলোককো ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মই আধাঘণ্টাৰ কাৰণে সময় অলপ বঢ়াই লৈছো।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গভীৰ চিন্তাৰ জৰিয়তে বহুতখিনি প্ৰয়োজনীয় আৰু মূল্যবান কথা তেওঁলোকে ক'লে। মই কেৱল এটা কথা ক'ম যে, এই তচ্ছীল জাতিৰ কথা লৈ আমি কৈ আছো। এতিয়া এই যে চাৰ্টিফিকেটৰ কথা অলপ আগতে কৈছিল, কিন্তু চৰ্টিফিকেট পোৱাৰ ক্ষেত্ৰত হয়তোবা কোনো মানুহে ভুৱা চাৰ্টিফিকেট লৈছে, এনেকুৱাও আছে যে, বহুত মানুহে চেষ্টা কৰি পোৱা নাই। আজিৰ দিনতো বহুত ঠাইত, আমি যে কওঁ, আমি তচ্ছীল। তচ্ছীলৰ কিমান মানুহৰ হাতত তচ্ছীলৰ আইডেনটিফিকেশ্যন বা আমাৰ ST বা ST Plains এনেকুৱা আইডেনটিফিকেশ্যন আছে। মই এইকেইদিনৰ পৰা এটা কথা ভাবিছো যে, আমাৰ চৰকাৰী কাৰ্য্যকালতে আমি ৰেচন কাৰ্ড, অটল অমৃত, আয়ুস্মান ভাৰত দি আছো, ঠিক তেনেকৈ আমি ভোটাৰ আই ডি দি আছো। এই কামখিনি হৈ আছে। আমি ST/SC কাৰণে এনেকুৱা এটা প্ৰভিজন কৰিব নোৱাৰোনে? কাৰণ আমাৰ পঞ্চায়ত, টাউন কমিটি, কৰ্প'ৰেশ্যন ইলেকটেড বডি আছে, আমি গোটেইখিনি লগত লৈ একেবাৰে ভালকে যাতে গাঁৱলৈকে যাব পাৰো আৰু এটা ঠিক এনেকুৱা, যেনেকুৱা এটা অটল অমৃতৰ কাৰ্ড ঘৰে ঘৰে দিয়া হয়, এনেকুৱা যদি আমি দি দিব পাৰো, এই সমস্যাটো অহা কাৰ্য্যকালৰ কাৰণে সমাধা হ'ব পাৰে নেকি আৰু অহা ভবিষ্যতে আমাৰ ল'ৰা-ছোৱালী গৈ এঠাইত ক'ব পাৰিব যে, আমি ST/SC ৰ মানুহ হয়। ইয়াতে আমাৰ কাৰ্ড আছে। এই কামখিনি যাতে সম্ভৱ হয়, মাননীয় মন্ত্ৰী মহোদয় ইয়াত আছে, আমি চৰকাৰৰ ওচৰত প্ৰাৰ্থনা জনাম যে, এনেকুৱা যদি হৈ যায়, তেনেহ'লে আমাৰ বহুতখিনি সমস্যা আজিৰ দিনত সমাধান হ'ব পাৰে। দ্বিতীয় কথা হৈছে যে, আগতে মন্ত্ৰী মহোদয়ৰ লগত কথা হৈছিল, আমাৰ আজিৰ দিনত যদিও এইটো ক্ষোভ চলি আছে, বিভিন্ন ঠাইত ST/SC Welfare Board আছে। আগৰ পৰা চলি আছিল। সেইখিনিৰ সময়

হৈ গ'ল, কিন্তু পাছতো হাইকোর্টত কিবা স্থিতি চলি আছে। এই Board সমূহ যদি জিলা ভিত্তিক হৈ যায়, তেনেহ'লে আমাৰ যিসকলক অনুদান ইত্যদি দিয়া হয়, সেই অনুদান দিয়াত আমাৰ অলপ সুবিধা হ'ব। সেইখিনি কথা কৈ মই আপোনাক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম, আপুনি কিবা ক'ব নেকি ?

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। মই এই বিভাগটোত এতিয়া নাই। কিছুসংখ্যক মাননীয় সদস্যসকলে কিছুমান কথা কৈছে ইয়াৰ ওপৰত অলপ ৰিপ্লাই দিব পৰাকে মোৰ ফালৰ পৰা মাননীয় মন্ত্ৰী শ্ৰী চন্দন ব্ৰহ্ম ডাঙৰীয়াক বক্তব্য দিবলৈ অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী চন্দন ব্ৰহ্ম ডাঙৰীয়া, আমি সাধাৰণতে, After 90 days, আমাক report লাগে। কিন্তু কেইবাটাও আমাৰ আলোচনাৰ report আমি সম্পূৰ্ণভাৱে পোৱা নাই। আমাক জনাই যে report টো prepare কৰি আছো, সেইকাৰণে আমি সময়ো দিওঁ। গতিকে আজি যিখিনিৰ আলোচনা আমি গোটেই details টো within 10 days আপুনি পাই যাব। সদস্য সকলে অলপ শুধৰাই দিব। তেওঁলোকৰ speech সমূহ দি দিম। শুধৰাই আমি synopsis টো বনাই আপোনাক দি দিম আৰু ডিটেইল্চ উত্তৰটো within 90 days, দিব পাৰে হাউচত প্লেচ কৰিম আলোচনা কৰিবলৈ সুবিধা হ'ব। আজি আপুনি বিভাগৰ মন্ত্ৰী হিচাপে সম্পূৰ্ণ শুনিছে, আৰু সেই কাৰণে আপোনাৰ ফালৰ পৰা এটা sum up কৰিবৰ কাৰণে অনুৰোধ কৰিছো।

**শ্ৰী চন্দন ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে আপোনাক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। সচাঁকৈ অতি গুৰুত্বপূৰ্ণ বিষয়। আজি আমাৰ এইখন অসম বিধান সভাত যিখিনি আলোচনা চৰ্চিত হ'ল শাসক বিৰোধী দলৰ সকলো সদস্যক মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। বহুতো কথা ইয়াত উল্লেখ হৈছে আৰু এটা এটা কথা মই যিখিনি শুনিছো, অতি গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিছে। ইয়াত suggestion হিচাপে আহিছে, ইয়াত কিছুমান উল্লেখ কৰা আছে, কিছুমান indication আছে কি কি সমস্যা হৈ আছে আৰু এই সমস্যাবোৰ সমাধান কৰাৰ কাৰণে কেনেকুৱা সূত্ৰ উলিয়াব লাগে, এই কথাও কৈছে। ইয়াৰ কাৰণে ১৮ জন সন্মানীয় সদস্যই সকলে যিহেতু বক্তব্য দাঙি ধৰিছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ২৩ জন হ'লগে।

**শ্ৰী চন্দন ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে মই এই কথাটো অনুৰোধ কৰিব বিচাৰিছো যে, details যিটো record আছে, within 10 days মোক যদি দি দিয়ে, প্ৰত্যেক সদস্যসকলে যিখিনি বক্তব্য দাঙি ধৰিছে, Socio Economic Upliftment of the Schedule Castes and Schedule Tribes. যিখিনি মই শুনিছো, দেখিছো ইয়াৰ এটা এটা উত্তৰ আমাৰ হাতত আছে আৰু কিছুমান ইয়াত কথা মই দেখিলো বা শুনিলো ইয়াত কিছু joint effort পৰৱৰ্ত্তী কালত joint accord ৰ প্ৰয়োজন হ'ব আৰু নতুন ব্যৱস্থা, নতুন আইন প্ৰণয়নৰ যিবোৰ কথা আহিছে এই কথা বিলাকেও অলপ নিশ্চয় সময় দিব। কিন্তু সঠিকভাৱে এই যদি আমি সকলোৱে বিচাৰো, যেনেকৈ আমাৰ বক্তব্যত আহিছে, অন্তৰৰ পৰা যদি আমি Scheduled Castes and Scheduled Tribes Community ৰ Socio Economic Upliftment অথবা সৰ্বাঙ্গীন উন্নয়নৰ কথাটো যদি ভাবো নিশ্চয় ইয়াত আমি ৰাষ্টা তথা ব্যৱস্থা উলিয়াব পাৰিম। এই কথাত কোনো দ্বিমত নাই। ইয়াৰ কাৰণে মই details আজি ক'ব বিচৰা নাই এটা এটা সকলোৰ প্ৰশ্নৰ উত্তৰটো দিয়া হ'ব আৰু আপোনালোকে ইমান গঠনমূলক আলোচনা-

পৰ্য্যালোচনাত অংশ গ্ৰহণ কৰাৰ কাৰণে সকলোকে ধন্যবাদ দি মোৰ বক্তব্য সামৰিছো।

**माननीय अध्यक्ष ঃ** আমি Speaker's Initaitive ত নতুনকৈ এটা ৰুল এটা প্ৰৱৰ্ত্তন কৰিলো। মই মাননীয় মুখ্য মন্ত্ৰী আৰু বিৰোধী দলৰ দলপতিকো ধন্যবাদ জনাইছো, দুয়োজনকে বিশেষকৈ বিষয়বোৰ লোৱাৰ আগতে দলপতি আৰু বিৰোধী দলৰ দলপতিৰ লগতো আলোচনা কৰো। কিছুমান কথা controversial থাকে গতিকে তেনেকুৱা বিষয় বাদ দিব লাগে। বহুত বিষয় আছে যিবিলাকত আমি details কথা পাতিব পাৰো আৰু এনেকৈ এটা দিন মোক extra কে দিয়াৰ কাৰণে সদনৰ সকলো সদস্য সকল আৰু দলপতি সকলকো ধন্যবাদ দিছো। Because they have allowed me to utilise this day as a Speaker's Initiative. সেইকাৰণে মই সকলোকে ধন্যবাদ দিছো, মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়া আহিলে। তেখেতেও মোক জনালে যে তেওঁ সুখী। এই কামখিনি কৰাত নিশ্চয় আপোনাক তেখেতে সহযোগ কৰিব আপুনি যিখিনি কথা ভাবিছে। বহুত মূল্যবান পৰামৰ্শ আমি আজি পালো। মই সকলোকে ধন্যবাদ জনাইছো। এতিয়া আমাৰ পৰৱৰ্ত্তী কাৰ্য্যসূচী দুটা আছে।

**Iteam No.2.**

'The Assam Goods and Services Tax (Amendment) Bill, 2019'

ৰাজ্যপালে পঠোৱা বাণীটো মই পাঠ কৰি দিব বিচাৰিছো Under the provision of Article 207 (3) of the Constitution of India, I , Prof. Jagdish Mukhi, Governor of Assam, recommend that the 'THE ASSAM GOODS AND SERVICES TAX (AMENDMENT) BILL, 2019' be taken into consideration by the Assam Legislative Assembly.

এতিয়া বিত্তমন্ত্ৰী এই বিলখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বিত্ত মন্ত্ৰীৰ হৈ 'The Assam Goods and Services Tax (Amendment) Bill, 2019' বিবেচনাৰ বাবে মই সদনত উত্থাপন কৰিলো।

**माननीय अध्यक्ष ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। 'The Assam Goods and Services Tax (Amendment) Bill, 2019' be taken into consideration.

যিসকল মাননীয় সদস্য/সদস্যা

সপক্ষে আছে তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক, 'নহয়'।

মই ভাৱো, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে ।

প্ৰস্তাৱটো গৃহীত হৈছে।

বিধেয়কখনৰ ২ নং দফাটোত সংশোধনীৰ প্ৰস্তাৱ নাই,

মই এই দফাটো সদনৰ মজিয়াত উত্থাপন কৰিলো।

২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যা দফাটোৰ সপক্ষে আছে তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক, 'নহয়'।

মই ভাৱো, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে।

২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

প্ৰস্তাৱটো গৃহীত হৈছে।

বিধেয়কখনৰ ৩ নং দফাত মাননীয় সদস্য শ্ৰীহাফিজ বচিৰ আহমেদ আৰু তেখেতৰ সহযোগী সকলৰ এটা সংশোধনী প্ৰস্তাৱ আছে। মই সেইটো উত্থাপন কৰি সেই সৰ্ম্পকত তেখেতক ক'বৰ কাৰণে অনুৰোধ কৰিলো। গতিকে তেখেত সকল নাই। গতিকে মই সংশোধনীটো এতিয়া প্ৰত্যাহাৰ হৈছে বুলি ভাবিছো কাৰণ তেখেতসকল নাই যেতিয়া গতিকে মই ক'ব বিচাৰিছো যে, দফা নং ৩ বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেতসকলে কওঁক, 'হয়,' যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক, 'নহয়',

মই ভাৱো, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে। ৩ নং দফাটো বিধেয়কৰ অংশ হৈছে। বিধেয়কৰ ৪ ৰ পৰা ২১ নং দফাকেইটাত কোনো সংশোধনী প্ৰস্তাৱ নাই। সেয়েহে মই বিধেয়কখনৰ ৪ৰ পৰা ২১ নং দফাকেইটা সদনত উত্থাপন কৰিছো। প্ৰশ্নটো হৈছে, ৪ৰ পৰা ২১ নং দফাকেইটা বিধেয়কখনৰ অংশ হব। যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেতসকলে কওঁক, 'হয়' যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক, 'নহয়'।

মই ভাৱো, 'হয়ৰ' ৰ সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে।

৪ ৰ পৰা ২১ নং দফাকেইটা বিধেয়কখনৰ ৰ অংশ হ'ল বুলি মই ঘোষণা কৰিছো। এতিয়া বিধেয়কখনৰ বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিষৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। সেয়ে মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম পৰিষৰ আৰু আৰম্ভণ সদনত উত্থাপন কৰিলো। প্ৰশ্ন হৈছে বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম পৰিষৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হব।

সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়' ৰ সপক্ষে । বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম পৰিষৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল। এতিয়া বিত্ত মন্ত্ৰীক মই বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী ৰাজেদ আলী (দক্ষিণ শালমাৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Amendment আছিল।

**মাননীয় অধ্যক্ষ ঃ** Union Territory শব্দটো নেকি ? Printing mistakeবুলি ইতিমধ্যে ক'লে আৰু তেওঁলোকে শুধৰাই দিলে। মই পঢ়ি দিম। এইটো হৈ গ'ল।

**শ্ৰীনুৰুল হুদা (ৰূপহী)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া আমাক move কৰিব দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** এক মিনিট। আপোনালোকৰ যিটো সংশোধনী এইটো Printing mistake আছিল। সেইকাৰণে বিলখনৰ original copy আৰু দেখুৱালে যে সেইটো Printing mistake কৰিছিল। গতিকে সেইটো তেনেকৈ দিছে। পিছৰ বিলখনত কেইবাটাও Amendment আছে।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াতে যিটো শব্দ আহিছিল সেইটো extract ৰ লোৱা আছিল মেইন আইনৰ পৰা লোৱা হোৱা নাই। Explanation and extract তাৰ পৰা আচলতে এইটো আহিছিল।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকক মই পেপাৰ এখন দি দিম।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, "The Assam Goods and Services Tax (Amendment) Bill, 2019" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মই প্ৰস্তাৱটো এতিয়া সদনত উত্থাপন কৰিছো "The Assam Goods

and Services Tax (Amendment) Bill, 2019" be passed. Those who are in favour say "Aye"s have it, Those who are in against say "Noe"s have it, I think "Aye"s have it, "Aye"s have it, "Aye"s have it, গতিকে প্ৰস্তাৱটো পাৰিত হৈছে আৰু বিধেয়কখনো পাৰিত হৈছে বুলি মই ঘোষণা কৰিলো।

এতিয়া ৩নং কাৰ্যসূচীত আছে - "The Assam Taxation (Liquidation of Arrear Dues) (Amendment) Bill, 2019." ৰাজভৱনৰ পৰা বিধেয়কখন সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ মাননীয় ৰাজ্যপাল মহোদয়ে পঠোৱা বাণীটো মই পঢ়ি দিব বিচাৰিছো। Under the provision of Article 207 (3) of the Constitution of India I, Prof. Shri Jagdish Mukhi, Governor of Assam recommend that "The Assam Taxation (Liquidation of Arrear Dues) (Amendment) Bill, 2019." be taken into consideration by the Assam Legislative Assembly. এতিয়া বিত্ত মন্ত্ৰীক মই বিলখন বিবেচনাৰ বাবে সদনত প্ৰস্তা ৰ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বিত্তমন্ত্ৰীৰ হৈ "The Assam Taxation (Liquidation of Arrear Dues) (Amendment) Bill, 2019." বিবেচনাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো, "The Assam Taxation (Liquidation of Arrear Dues) (Amendment) Bill, 2019" be taken in to consideration.

যি সকল মাননীয় সদস্য-সদস্যাই প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়', যিসকলে বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে।

এতিয়া বিধেয়কৰ **২নং দফাত** মাননীয় সদস্য হাফিজ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগী সকলৰ এটা সংশোধনী আছে। মই সংশোধনীটো উত্থাপন কৰি ইয়াৰ ওপৰত কৰৰ কাৰণে অনুৰোধ কৰিলো।যিহেতু তেখেত সকল সদনত উপস্থিত নাই। মই সংশোধনীটো সদনৰ সন্মতি সাপেক্ষে প্ৰত্যাহাৰ কৰা বুলি ঘোষণা কৰিছো। এতিয়া মই প্ৰশ্নটো উত্থাপন কৰিব খুজিছো যে **দফা নং-২** বিধেয়কখনৰ অংশ হব। যি সকল মাননীয় সদস্য-সদস্যাই ইয়াৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়', যিসকলে বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ২ নং দফা বিধেয়কখনৰ অংশ হ'ল বুলি মই ঘোষণা কৰিলো।

এতিয়া বিধেয়কখনৰ **৩ নং** দফাত সংশোধনী নাই, গতিকে ৩ নং দফাটো বিধেয়কৰ অংশ হব বুলি মই এই প্ৰস্তাৱটো উত্থাপন কৰিলো।. যি সকল মাননীয় সদস্য-সদস্যাই ইয়াৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়', যিসকলে বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে **৩ নং দফা** বিধেয়কখনৰ অংশ হল বুলি মই ঘোষণা কৰিলো।

এতিয়া বিধেয়কৰ **৪নং দফাত** মাননীয় বিত্ত মন্ত্ৰীৰ নামত থকা চৰকাৰী সংশোধনীয় প্ৰস্তাৱটো উত্থাপন কৰি মই সংসদীয় পৰিক্ৰমা মন্ত্ৰীক ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমি বিলখনৰ যিটো

সংশোধন আনিছো, আচলতে কেবিনেটত পাছ হোৱাৰ সময়ত ভুল এটা হৈছিল ২৮ ফেব্ৰুৱাৰী, ২০২০ হৈ আছিল। সেইটো আচলতে ৩০ চেপ্তেম্বৰ,২০১৯ হব লাগিছিল। যিহেতু বিলখনত Arrear amount or dues আছিল, সেইবিলাক অহা বছৰলৈকে Defer কৰি ৰখাটো ঠিক নহ'ব। Over all economy ৰ কাৰণেও কথাটো ঠিক নহয়।

সেই কাৰণে ইয়াত Amendment টোত আছে Instead of 28th February, 2020, it will be 30th September, 2019. That is the only amendment.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই সংশোধনীটো সদনত উত্থাপন কৰিলো, in **Clause 4,** in sub-clause (i), in the proposed amendment in the 6th & 7th line, for the word, figures and punctuation mark, 28th February, 2019, the word, figures and punctuation mark "30" September, 2019 shall be substituted.

. যি সকল মাননীয় সদস্য-সদস্যাই ইয়াৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়', যিসকলে বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে চৰকাৰী সংশোধনীটো গ্ৰহণ কৰা হৈছে। সংশোধনীটো বিধেয়কখনৰ অংশ হব। যি সকল মাননীয় সদস্য-সদস্যাই ইয়াৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়', যিসকলে বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে চৰকাৰী সংশোধনীৰ সৈতে **৪ নং দফা** বিধেয়কখনৰ অংশ হৈছে বুলি মই ঘোষণা কৰিলো।

এতিয়া বিধেয়ক খনৰ **৪ নং দফাত** মাননীয় সদস্য শ্ৰী দেৱব্ৰত শাইকীয়া আৰু তেখেতৰ সহযোগী সকলৰ ৩ টা সংশোধনী প্ৰস্তাৱ আছে। এই প্ৰস্তাৱ ৩ টা উত্থাপন কৰি বক্তব্য ৰাখিবলৈ মই অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওগ (গোলাঘাট) ঃ** Sir, I, beg to lay in

1. sub-clause (ii) (d) of Clause-4 of the proposed Bill, the proposed sub-clauses (v) and (vi) shall be substituted by the following.

" (v) the Assam Entry Tax Act, 2008 ( Assam Act No. XII of 2008;

" (vi) the Assam Amusement and Betting Tax Act, 1939 (Assam Act No. VI of 1939)"

2. sub-clause (ii) (d) of Clause-4 of the proposed Bill, after sub-clauses (vi) a new sub clause shall be added as :-

"(vii) the Assam and Lluxuries ( Hotel, Lodging Houses and Hospitals) Act, 1989 (Assam Act No V of 1989 and existing sub-clause (vii) shall be re-numbered as (viii) .

3. Amendment of schedule in column (4) of the schedule of the proposed Bill, the figures, "15%, 30% & 50% shall be substituted by the figures "10%, 25% & 40% respectively.

অধ্যক্ষ মহোদয়, মই আচলতে শেষৰ যিটো Amendment of schedule আনিছো, মন্ত্ৰী ডাঙৰীয়াক মই সেইটো কথায়ে কৰ বিচাৰিছো যে ইয়াত "15%, 30% & 50%, যিহেতু মানুহ খিনিয়েই Arrear dues আনিছে, মানুহ খিনিক Arrear dues এ দিব পৰা নাই, সেই কাৰণে আমি বিচাৰিছো যে আগতে যেনেকে থাকে "10%, 25% & 40% সেইখিনি তেওঁলোকে

(চৰকাৰে) আগৰ মতেই dues টো ৰাখিব লাগে। এইটোৱেই বেছি দৰকাৰী, গতিকে এইখিনি আগৰ মতেই ৰাখিব লাগে। অধ্যক্ষ মহোদয় বাকী দুটাও কৈ দিছো একেলগে।

ইয়াত আমি যিটো প্ৰথম সংশোধনী আনিলো, আচলতে ১০ খন আইন আছিল তাৰে ৭ খন কৰিছে। ইয়াত আমি বিচাৰিছো যে "The Assam Entry Tax Act, 2008" খন Replace কৰি আমি "The Assam Agriculture Income Tax Act, 2008" হোৱাটো বিচাৰিছো। দ্বিতীয়তে, The Assam Amusement and Betting Tax ৰ সলনি আমি The Assam Electricity Dues Act 1964 আৰু ইয়াৰ লগতে আমি এটা নতুন sub-clause incert কৰিব বিচাৰিছো। এই sub-clause টোত আমি আচলতে the Assam and Lluxuries ( Hotel, Lodging Houses and Hospitals) Act এইখন সোমোৱাব বিচাৰিছো। উদ্দেশ্যটো এটায়ে "The Assam Agriculture Income Tax" আৰু "The Assam Electricity Dues Act" এই ২খন Act এ গোটেই অসমৰ দুখীয়া মানুহক প্ৰভাৱিত কৰিছে। কিন্তু তেখেত সকলে যি ৩ খন আনিছে "The Assam Entry Tax Act, 2008" আৰু "The Assam Amusement and Betting Tax Act, 2008" বা the Assam and Lluxuries ( Hotel, Lodging Houses and Hospitals) Act এইকেইখন Act ধনী মানুহৰ বাবে। আমি বিচাৰিছো দুখীয়া মানুহৰ যি খিনি 15% কৰিছে, সেইটো 10% কৰি দিয়ক।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে আমাৰ সন্মানীয় সদস্যা শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে যিটো 10%, 20% ৰ ক্ষেত্ৰত কৈছে, সেইটো এনেকুৱা ধৰণৰ যে service sector ৰ ক্ষেত্ৰত যিসকলৰ 100% arrear tax আৰু 15% arrear interest দিছে। তেতিয়া হ'লে তেওঁলোকৰ ওপৰত যিটো total penalty হৈছিল, সেই penalty wave কৰি দিয়া যাব। সেইটো হল the spirit of the Act.

দ্বিতীয় কথাটো হ'ল যে 100% tax আৰু 15% arrear interest যদি তেওঁ দিছে। তেতিয়াহলে তেওঁৰ যিটো total penalty আছিল, সেই penalty ৰ পৰা তেওঁলোকক 30% wave কৰি দিয়া হব। যদি তেওঁলোকে outstanding dues clear কৰা নাই, arrear dues বা interest টো clear কৰা নাই, তেতেয়াহলে তেওঁলোকে 50% penalty interest টো দিব লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান আমাৰ দেশৰ যিটো Financial Banking system আছে, এই system ত লোনটো দিয়াৰ পিছত, সেই লোনৰ interest হৈ হৈ এটা সময়ত বহুত বেছি হৈ যায় আৰু যিজন beneficiary তেওঁ লোনটো clear কৰিব নোৱাৰা হৈ যায়। তেতিয়া তেওঁ ঘৰ বাৰী, মাটি আদি বিক্ৰী কৰিবলগীয়া সমস্যাত পৰে। বেংকৰ এটা ব্যৱস্থা আছে যে one time settlement কৰিব পাৰে। আমি বিলখনত one time settlement ৰ কথাও আনিছো। ২০১৬ চনতে এই বিলখন পাছ হৈ গৈছে। গতিকে service sector ৰ মানুহখিনিক এই সুবিধাটো দিয়াৰ কাৰণে গোটেইখিনি কৰা হৈছে। ইয়াত তিনিটা গুৰুত্বপূৰ্ণ component আছে tax, arrear interest আৰু penalty। আমি অনা বিলখনৰ মূল উদ্দেশ্যটো হ'ল beneficiary সকলক অলপ সকাহ দিয়াটো। এই বিলখনৰ জৰিয়তে service sector ত ৫০ লাখলৈকে যিয়ে কাম কৰিব পাৰে, আগতে যত 18% দিব লাগিছিল তাত 6% দিলে হব। 6% ভিতৰত SGST আছে 3% আৰু CGST 3% । কিন্তু তেওঁলোকে input, tax

credit উভতাই নাপাব। সেই কাৰণে GST ত যিটো আইন আছে, তাত আমি repeal বুলি clause ত সকলোখিনি সোমোৱা আছে। খালী তাত VAT টো ৰাখিছো কাৰণ এতিয়া ৬ টা item যেনে Oil & Natural, Gas, Civil Aviation Fuel, Gas, Petroleum, Diesel & Hydro Carbon Sector VAT চলি আছে। GST Council ৰ সিদ্ধান্ত মতে tax খিনি আদায় কৰি থকা হৈছে। এই বিষয়টো আমি বিধান সভাতআইন আকাৰত আনিবলৈ এই কাৰণে বিচাৰিছো।

Service Sector ত Liquidation ৰ ক্ষেত্ৰত যিখিনি ব্যৱসায়িক আছে, সেইখিনিক আমি one time settlement benefit এটা দিবৰ কাৰণে এই বিলখন আনিছো। আজিৰ দিনটোত যিখিনি change কৰিবলৈ কৈছে, সেইটো আমি change কৰিব নোৱাৰো even Parliament তো change কৰিব নোৱাৰে। কাৰণ এইটো GST Council ৰ সিদ্ধান্ত। মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে Constitutional provision ত এই কথা কৈছে যে pulling of the collective Financial Sovereignty by the centre and the state in the GST Council. গতিকে GST Council ৰ সিদ্ধান্ততো আমিও মানি লৈছো। GST Council ত সকলো ৰাজ্যৰ বিত্তীয় মন্ত্ৰীসকল তাৰে সদস্য হয় আৰু prominent কিছুমান economist আছে, তেওঁলোকেও তাৰ সদস্য হয়। মাননীয় অধ্যক্ষ মহোদয়, আটাইতকৈ ডাঙৰ benefit টো আছে যে service sector ত যাৰ ৫০ লাখৰ ওপৰত turn over হব, তেওঁ return quarterly দিলেও হব আৰু payment তো quarterly দিলে হব। নহলে কোনোবাই ১০ লাখ টকাৰ বস্তু কিনিছে বা ৪ লাখ টকাৰ বস্তু কিনিছে, তেওঁ গোটেই procedure যেতিয়া maintain কৰিব লাগে। এই procedure maintain কৰোতে তেওঁৰ বহুত সময় লাগি যায় আৰু সেই সংশোধনীৰ জৰিয়তেদি সমগ্ৰ ক্ষমতা দিয়া হৈছিল। আমি বিচাৰিছো গোটেইখিনি চৰকাৰে কিয় centralize কৰি লৈ লওঁ, ব্যৱসায়িক সকলেও এটা সুযোগ পাওঁক। তেওঁলোকক liquidation ৰ ক্ষেত্ৰত liberalize policy দিব বিচাৰিছো। আমাৰ মাননীয়া সদস্যা শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়ানীয়ে যিটো সংশোধনী আনিছে, মই কথাখিনি ক'লো যে 100% কোনোবাই payment কৰিছে, 15% arrear interest payment কৰিছে, তেওঁলোকৰ যিখিনি penalty থাকিব, সেইটো wave কৰি দিয়া হব। তাৰ ওপৰত এটা কথা থাকিব provided that if total outstanding consisting of the interest and penalty then 30% of interest in total penalty will be waved. এইটো ব্যৱস্থা কৰা হৈছে। তাৰ ওপৰতো penalty ৰ ক্ষেত্ৰত যোৱাবাৰ যিখন সংশোধনী আইন পৰিণত হৈছিল, 50% তাত আছিল। এইটো Assam Gazzette Notification ত দেখিব যে 100% of arrear tax & 10% of arrear interest in total penalty will be waved. এইটো কথা তাত দিয়া হৈছে। মাননীয় অধ্যক্ষ মহোদয়, ইয়াতে যি কেইখন ৰিপিল হৈছে, এই ৰিপিল হোৱা যি কেইখন আইনৰ কথা কৈছে এই গোটেই কথা খিনি আচলতে যিটো আছে যে 4(2) (d) 7 দফাৰ জৰিয়তে বিল খনতে ৰখা হৈছে । আপুনি বিল খন পঢ়িলে গম পাব শেষৰ ফালে এইখিনি কথা লিখা আছে । The Repeal Tax Act. as mention in the sub-section (1) of section (1) of section 174 of the Assam Goods and Service Tax 2017. গতিকে তাত এই গোটেই খিনি কথা তাত সন্নিবিষ্ট কৰা আছে, বাইদেউ কোৱা কথা খিনি। গতিকে এই কথা খিনি ইতিমধ্যে যোৱাবাৰৰ যিটো সংশোধনী আছিল

এই আইন খনৰ সেই সংশোধনীৰ তুলনাত এইবাৰ interest বহুত কমাই দিয়া হৈছে । ব্যৱসায়ী সকলে যাতে অসুবিধা নাপায় । গতিকে যোৱা বাৰৰ নিচিনা লোৱা হয় বহুত বেছি থাকিলে হেতেন। ইয়াৰ তথ্য লাগিলে আমি দিব পাৰো। গতিকে মই ভাবো আমাৰ মাননীয়া সদস্যা শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে যিখিনি কথা ক'লে আমি ভাবো তেখেতৰ উত্তৰ খিনি আমি দিব পাৰিছো । লগতে তেখেতৰ প্ৰস্তাৱটো উঠাই ল'বলৈ অনুৰোধ জনাইছো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। কওঁক।

**শ্ৰীমতী অজন্তা নেওঁগ (গোলাঘাট) ঃ** অধ্যক্ষ মহোদয়, মই এটা সংশোধনী প্ৰস্তাৱ উঠাই লৈছো । আপুনি যিহেতু Reappeal কৰা বুলি কৈছে। বাকী দুটা উঠাই লোৱা নাই ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰথমটো পাৰ কৰি লওঁ । আপোনাৰ তিনিটা আছে । এটা হৈছে clause-4, sub-clause (1), In the Assam Taxation (Liquidation of Arrear Dues)(Amendment) Bill, 2019 in clause 4, in sub-clause(i), in the proposed amendment in the $6^{th}$ & $7^{th}$ line, for the word, figures and punctuation mark '28th February, 2020', the word, figures and puctuation mark, "30th September, 2019" shall be substituted.

**শ্ৰীমতী অজন্তা নেওঁগ (গোলাঘাট) ঃ** আপোনালোকে যিটো column ত কৈছিলে যে proposed bill, the figures 15%, 30% and 50 % shall be substituted by the figures 10%, 20% and 40% respectively. সেইটো schedule ত।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ- এইটো আগতকৈ কমাই দিছো । বাইদেউ আপুনিও মন্ত্ৰী আছিল। ৰাজ্য খনৰ নিজা resource নালাগে নেকি ? আমাৰ ৰাজ্য খন আপুনি নিজেই দেখিছে । আমাৰ ৰাজ্য খনত কৃষিৰ অৱস্থাৰ পৰা except tea. এইবাৰ tea garden ৰ অৱস্থা বেয়া কাৰণে আমি zero কৰি দিছো । গতিকে এটা income আমাৰ বন্ধ হৈ গৈছে । তাৰোপৰি আমাৰ sale tax বা অন্য tax ৰ পৰা এটা ৰাজহ আহে আৰু পৰিবহণৰ পৰা এটা ৰাজহ আহে আৰু আৰকাৰীৰ পৰা এটা ৰাজহ আহে । গতিকে ৰাজ্য খনত resource mobilization হ'ব লাগিব । গতিকে যোৱাবাৰৰ সংশোধনীতকৈ এইবাৰ interest টো কমাই দিছে । যদি তাৰ পিছত আপুনি ভাবে ৰাজ্য খনত কোনো ৰেভিনিউ থাকিব নালাগে আমি কিয় চিএঙৰি থাকো।

**শ্ৰীমতী অজন্তা নেওঁগ, বিধায়িকা ঃ** অধ্যক্ষ মহোদয়, মই যুক্তি সংগত ভাবে সংশোধনীটো আনিছো। অধ্যক্ষ মহোদয়, মোৰ সংশোধনী অনা যুক্তিটো এই যে মই কৈছিলো Agriculture income tax আৰু মই সোমাই দিছো আৰু Electricity duty সেই দুখন । মই কৈছিলো যে দুখীয়া মানুহৰ ওপৰত টেক্সটো বঢ়াব নালাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ- অধ্যক্ষ ডাঙৰীয়া, বাইদেউ যিখন Agriculture bill ৰ কথা কৈছে । সেইটো কি? কোনো অসমৰ খেতিয়কৰ পৰা তাত ইমান টেক্স নাহে । এইটো চাহ বাগিচাৰ পৰা যিখিনি টেক্স আহে that is call agriculture tax. গতিকে এইটোৰ ক্ষেত্ৰত কোনো খেতিয়কৰ পৰা অহা নাই । যোৱাবাৰ এই আইন কেইখন যেতিয়া ৰিপিল হৈছিল, সেই ৰিপিল হোৱা কথাটো এইবাৰ আমাৰ আইন খনত আহিছে । খালী ৰিপিল হোৱা আইন খনৰ ভিতৰত আমি vat টো আমি ইয়াতে উল্লেখ কৰিছো । বাকী খিনি আমি আমি উল্লেখ কৰা নাই । অকল vat খন 6 টা item ৰ ওপৰত। গতিকে মই ভাবো যে এই কথাতো উঠাই ল'লে ভাল

হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সংশোধনী ৪ নং দফাত যিটো আছিল তেওঁ প্ৰত্যাহাৰ কৰিছে, ৩ নং দফা আৰু ৪ নং দফা যিহেতু প্ৰত্যাহাৰ কৰিছে। গতিকে মই প্ৰথমে এইটো ক'ব খুজিছো যে সংশোধনী দুটা প্ৰত্যাহাৰৰ কাৰণে মই এতিয়া সংশোধনীটো সদনত দাঙি ধৰিলো। সংশোধনী দুটা তেওঁলোকে প্ৰত্যাহাৰ কৰিছে, গতিকে দফা নং ৪ বিধেয়কৰ অংশ হ'ব । যি সকল মাননীয় সদস্য/সদস্যা, দফাটোৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য/সদস্যা, দফাটোৰ বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে হয়ৰ সপক্ষে ৪ নং দফাটো বিধেয়ক খনৰ অংশ হ'ব । বিধেয়ক খনৰ ৫ নং দফাত চৰকাৰী সংশোধনী এটা আছে মই মন্ত্ৰী ডাঙৰীয়াক উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** In the Assam Taxation (Liquidation of Arrear Dues)(Amendment) Bill, 2019 in clause 5, in the proposed amendment in the 6th line, for the word, figures and puctuation mark, 3th September, 2019 shall be substitute.

**মাননীয় অধ্যক্ষ ঃ** ২৮ ফেব্ৰুৱাৰী, ২০১৯ ৰ ঠাইত ৩০ চেপ্তেম্বৰ, ২০১৯ হ'ব। যি সকল মাননীয় সদস্য/সদস্যা, সংশোধনীটোৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য/ সদস্যা, বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, চৰকাৰী সংশোধনীটো গ্ৰহণ কৰা হ'ল বুলি মই ঘোষণা কৰিছো । সংশোধনীটোৰ সৈতে দফা নং ৫ বিধেয়ক খনৰ অংশ হ'ব । যি সকল মাননীয় সদস্য/সদস্যা, দফাটোৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য/সদস্যা, দফাটোৰ বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে হয়ৰ সপক্ষে চৰকাৰী সংশোধনীটোৰ সৈতে ৫ নং দফাটো বিধেয়ক খনৰ অংশ হ'ব । এতিয়া ৬ নং দফাত মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া আৰু শ্ৰীমতী অজন্তা নেওঁগ লগতে অন্যান্য সদস্য সকলে সংশোধনী দিছিল তেখেত সকলে এইটো প্ৰত্যাহাৰ নকৰো বুলি কৈছে । গতিকে মই তেখেত সকলে আগবঢ়োৱা সংশোধনীটো সদনত উত্থাপন কৰিম। In column (4) of the Schedule of the proposed Bill, the figures 15%, 30% and 50 % shall be substituted by the figures 10%, 25% and 40 % respectively. যি সকল মাননীয় সদস্য/সদস্যা, সংশোধনীটোৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে নহয়ৰ সপক্ষে সংশোধনী প্ৰস্তাৱটো নাকচ হ'ল । গতিকে ৬ নং দফাৰ লগতে অনুসূচী খন বিধেয়কৰ অংশ হ'ল বুলি ঘোষণা কৰিছো । বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই । মই সেয়েহে বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হ'ব । যি সকল মাননীয় সদস্য/সদস্যা, প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য/ সদস্যা, বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে হয়ৰ সপক্ষে । বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ল । এতিয়া মই মন্ত্ৰী ডাঙৰীয়াক বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়,

অসমৰ বিত্ত মন্ত্ৰীৰ হৈ The Assam Taxation (Liquidation of Arrear dues) (Amendment), Bill 2019 পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনৰ অনুমোদনৰ বাবে উত্থাপন কৰিলো ।The Assam Taxation (Liquidation of Arrear dues) (Amendment), Bill 2019 be passed. যি সকল মাননীয় সদস্য/সদস্যা, সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল মাননীয় সদস্য/সদস্যা, বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে হয়ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত হৈছে । আৰু বিধেয়ক খনো পাৰিত হৈছে ।

কালিলৈ সদন স্থগিত কৰাৰ আগতে মই আকৌ সোঁৱাৰই দিছো যে ১৫০ বছৰীয়া গান্ধী জন্ম জয়ন্তী, জাতিৰ পিতা উদ্‌যাপন কৰিবৰ কাৰণে সমগ্ৰ দেশতে ব্যৱস্থা লৈছিল বিধান সভাত । যোৱাবাৰ আমি এখন কেলেণ্ডাৰ উলিয়াইছিলো মহাত্মা গান্ধীক স্মৰণ কৰি আৰু বাহিৰত এটা au-dio/vedio ৰ ব্যৱস্থা কৰিছিলো মহাত্মা গান্ধীৰ কিছু কথা জানিবৰ বাবে । সেয়েহে সমগ্ৰ দেশৰ প্ৰত্যেক খন বিধান সভাই এই কাৰ্য্যসূচীটো ৰূপায়ণ কৰিছে । সেয়েহে কালিলৈ আমিও মহাত্মা গান্ধীৰ স্মৃতিত দিনতো উৎসৰ্গা কৰিম। কালি শুক্ৰবাৰ, ৯.৩০ বজাৰ পৰা ১১.৩০ ৰ ভিতৰত আমি বোধকৰো প্ৰথম অধিবেশনটো সমাপ্ত কৰিম। সেই কাৰণে প্ৰত্যকটো বিধায়িনী দলৰ এজনকৈ সন্মানীয় সদস্যক মই তেখেতৰ বিষয়ে কথাখিনি ৰাখিবলৈ কম আৰু যদি কিবা কাৰণে সময় থাকে আমি বাকী সদস্যকো দিব পাৰিম। কিন্তু সীমিত কৰিলে ভাল হ'ব বুলি মই ভাৱো।

**এই খিনিকে কৈ আজিৰ সদন কাইলৈ পুৱা ৯.৩০ বজালৈ স্থগিত ৰখা বুলি ঘোষণা কৰিলো।**